# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: আসাম -সাহিত্য সভা পত্রিকা | |
| Transliterated Title: Asaāma Saāhaitaya Sabhaā Patarakaikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1931-32 (1952-53 Sak) | Edition: |
| Size: 22 cms - 169 pages + 2 pages | Genre: Magazine |
| Volumes: 5th - 6 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

'ৱঁ' নিদি 'ঞ' বা 'ঙ' দিয়ে। সেইদৰে ভূম্যাধিকাৰীৰ সংক্ষিপ্ত ভূঞা লেখে। হব পাৰে আমি উচ্চাৰণ কৰোঁতে 'গাওঁ' হে উচ্চাৰণ কৰা কিন্তু কোঞৰ শব্দত সেইটো আৰু নেথাটে আমাৰ উচ্চাৰণ মতে নেলেখা শব্দ বহুত আছে। বোধ কৰোঁ, 'কঁহাৰ' শব্দক আমি 'কহাঁৰ' বুলিহে মাতোঁ। উচ্চাৰণ বৰ চঞ্চল আৰু গাইপতি স্বকীয়া এতেকে তাৰ বাবে চিৰকলীয়া চলি অহা আৰু সোঁৰৰ কোঁৰৰ আদি শব্দৰ মতে হোৱা 'গাওঁ' শব্দক লৰচৰ কৰা যুক্তি যুক্ত নহব।

---

## শ্ৰীযুত লক্ষ্মীনাথ বেজ বৰুৱাৰ বিজয়।

এই বেলি পূজা বন্ধত আঃ সাহিত্য সভাৰ বছৰেকীয়া অধিবেশনৰ উৎসৱ হবৰ কথা আছিল ; যদিও কাৰ্য্যত হৈ নুঠিল। কিন্তু তাৰ পৰিবৰ্ত্তে এটা প্ৰীতি দায়ক হৰ্ষোৎসৱ দক্ষিণ আসামৰ প্ৰায় জিলা আৰু মহকুমাতে অতি সহৃদয়তাৰে হৈ গল। সেইটো হৈছে শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাৰ আসাম যাত্ৰা আৰু তেখেতৰ অভ্যৰ্থনা। বসন্তত যেতিয়া কুলিয়ে গছৰ আঁৰৰ পৰা কুউ কু-কৈ মাতি সকলোৰে মন আনন্দত ওপঙায়, তেতিয়া আমি তলে ওপৰে কেউফালে ঘূৰিপকি চাওঁ কিন্তু কুলিক দেখিবলৈ নেপাওঁ। সেইদৰে কৃপাবৰ বৰবৰুৱাৰ মনমোহা ৰচনাই আমাৰ মনত সদাই মৌ ঢালি আহিছে কিন্তু কোন সেই সুপুৰুষ, তেওঁনো বুঢ়া নে লৰা কোনেও দেখিবলৈ নেপায়। কুলিয়ে তেও বছৰত এবাৰ আহে। এখেত এপুৰুষত অৰ্থাৎ ৩০ বছৰত এবাৰ আহে। এনে স্থলত তেখেত আহি আসামত সোমালত উজনিৰ পৰা নামনিলৈকে এটা আনন্দৰ জোৱাৰ উঠে ; আৰু লৰা বুঢ়া সকলোৱে তেখেতক চাবলৈ, হৃদয়ৰ আগ্ৰহাতিশয্য পূৰাবলৈ উবুৰি খাই পৰিল। তেখেতে শৰীৰ অসুখ বুলি আপত্তি কৰাতো টানি আজুৰি তেখেতক সকলোৱে ৰং দেখালি কৰিলে। আসামলৈ তেখেতৰ এই সপৰিবৰীয়া আগমন আৰু নিষ্ক্ৰমণ লক্ষ্মী সৰস্বতী আদিৰে সৈতে দেৱীৰ বিজয়া যেন হে আমাৰ মনত লাগিল। তেখেতৰ দীৰ্ঘ জীৱন কামনা কৰোঁহক ঈশ্বৰৰ চৰণত।

---

## সম্পাদকৰ নিজৰ হৈ একাষাৰ।

এই সংখ্যাতে পত্ৰিকাৰ ৪ৰ্থ বছৰ পূৰ হল ; লগতে আমাৰ সম্পাদকীয় কাৰ্য্য কালবো ওৰ পৰিল। ইয়াৰ ভিতৰত ছুমহীয়া হিচাপে ৬টা সংখ্যা প্ৰকাশ কৰা হল। নিজৰ ক্ষুদ্ৰ শক্তিৰে যি পাৰোঁ পত্ৰিকাৰ অৰ্থে তাকে আশাশুধীয়া ভাৱেৰে কৰিবলৈ আমি হেলা কৰা নাছিলোঁ। আমি অনেক প্ৰকাৰে হয়তো অনেকৰ দোষ কৰিছো, পত্ৰিকাত প্ৰকাশ হোৱা প্ৰবন্ধবিলাক অনেকৰ হয়তো ভাল নেলাগিব পাৰে। তদুপৰি সম্পাদকীয় বুলি হিহকে-তিহকে লেখি আমি পাঠক সকলক বিৰক্ত কৰি আহিছো। এতেকে এই বছৰৰ সকলো সম্পাদকীয় দায়, দোষ, অপৰাধ আৰু ত্ৰুটীৰ বাবে সম্পাদকে ৰাইজৰ ক্ষমা মাগিছে। এই অভাৱনক পত্ৰিকাৰ সম্পাদক পাতি দিয়াৰ বাবে সাহিত্য-সভাৰ ওচৰত আমি নৈথে ধৰুৱা। যি সকলে প্ৰবন্ধাদি পঠিয়াই পত্ৰিকাক সহায় কৰিছিল তেওঁবিলাকৰ আমি শলাগ লৈছো। অবশ্যে আহিবা সভাৰ বছৰেকীয়া অধিবেশনত নতুন সম্পাদক নিৰ্ব্বাচিত নহয় মানে আমিয়েই সেইকাম চলাই থাকিব লাগিছিল, কিন্তু এইবাৰ ইস্তফা দিয়াৰ গোটাচেৰেক কাৰণ আছে যি কিটা আমি কাৰ্য্য-নিৰ্ব্বাহক সভাক জনাম। সেই সভা যদিও ৩৮ জন সভ্যৰে গঠিত তথাপি কেৱল ৬। ৭ জন মানহে সভাত সততে উপস্থিত থাকি সকলো কাৰ্য্যাদি নিয়ন্ত্ৰন কৰে আৰু সেই কেজনৰে ৪। ৫ জনা লগত আমাৰ মত নিমিলাত পত্ৰিকাৰ সম্পাদকীয় বাবটো ইস্তফা দিয়াকে উচিত বিবেচনা কৰিলোঁ।

নতুন সম্পাদকৰ হাতত পত্ৰিকাৰ অশেষ উন্নতি কামনা কৰি পত্ৰিকাৰ গ্ৰাহক, পাঠক, লেখক আৰু মঙ্গলাকাঙ্ক্ষী সকলৰ ওচৰত বিদায় মাগিলোঁ। ইতি

বিনীত—
শ্ৰীদেৱানন্দ ভৰালী।

---

# আসাম সাহিত্য—সভা—পত্ৰিকা।

## পুহ—মাঘ, ১৮৫২—৫৩ শক।

পঞ্চম বছৰ } মুঠ সংখ্যা—২১ { প্ৰথম সংখ্যা

## মহাপুৰুষ শ্ৰীমাধৱদেৱৰ ধৰ্ম্মমত

তেজোময় শ্ৰীশঙ্কৰ-সূৰ্য্যক কেন্দ্ৰ কৰি অসমীয়া বৈষ্ণৱ ধৰ্ম্মৰ সৌৰজগতত যি জ্যোতিৰ্ম্ময় নক্ষত্ৰ-ৰাশিয়ে সুবিমল কিৰণমালা বিলাই গৈছে, মহাপুৰুষ শ্ৰীমাধৱদেৱে সেইসকলৰ মাজত বৃহস্পতিৰ দৰে অতি বিচক্ষণ ঠাই অধিকাৰ কৰে। তথাপি শ্ৰীমাধৱদেৱৰ ধৰ্ম্মমত বা প্ৰতিভাৰ স্বৰূপ বুজিবলৈ হলে শ্ৰীশঙ্কৰদেৱৰ, তথা বৈষ্ণৱ ধৰ্ম্মৰ, সাধাৰণ লক্ষণলৈ নিৰীক্ষণ নকৰিলে নচলে ; কিয়নো সকলো জোন-তৰা সেই বেলিৰ পোহৰৰ হে বিলনীয়া।

শ্ৰীমদ্ভাগবদ্ গীতা, শ্ৰীমদ্ভাগৱত আৰু পুৰাণসমূহে ভাৰতৰ নৱ-বৈষ্ণৱ ধৰ্ম্ম আন্দোলনৰ প্ৰাণ সঞ্চাৰিণী শক্তি বুকুত সাঁচি থৈছিল। তাতকৈ উজাই বেদ-উপনিষদ আদিত ইয়াৰ কোনো চিন-মোকাম বিচাৰি পোৱা টান সঁচা, কিন্তু তাত এই বৈষ্ণৱ ধৰ্ম্মৰ মৰ্ম্ম, গাইৰ ওহাৰত গাখীৰ লুকাই থকাৰ দৰে, নিহিত আছিল—

সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ ॥

শ্ৰীমাধৱদেৱৰ "ঘোষা"ৰ সুৰেৰে এয়ে এইদৰে ঘোষিত হৈছে—

সকলে উপনিষদে ধেনু, দোগ্ধা ভৈল তাৰ নন্দসুত
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল তাৰ গীতামৃত, কৃষ্ণৰ চৰণে দিয়া চিত
সুবুদ্ধিসকলে সন্তোষে পান কৰয় ॥ নাঃ ঘোঃ ৬৬৭

'বৈষ্ণৱ' শব্দই যদিও বিষ্ণুসম্বন্ধীয় কথাহে বুজায়, তথাপি বৈষ্ণৱধৰ্ম্ম বিশেষভাৱে কৃষ্ণবিষয়ক হে ; বিষ্ণুবিষয়ক নহয়। এই কৃষ্ণৰ অৱতাৰ নিশ্চয় বেদৰ বহুত পাছৰ ; সেইদেখি শ্ৰীমাধৱদেৱে কৈছে—

"কিন্তু ইটি মহাধৰ্ম্ম মাধৱৰ জন্মকৰ্ম্ম
বেদে যাৰ নজানে মহিমা।" নাঃ ঘোঃ। ৭৮।

গতিকে বেদ উপনিষদ নামে হিন্দুধৰ্ম্মৰ সৰ্ব্বপ্ৰথম সাহিত্যখিনি এৰি আহি ক্ৰমে মহা-

ভাৰত, গীতা, হৰিবংশ, ভাগৱত আৰু পুৰাণ-সমূহত সৰহ-ভাকৰকৈ শ্ৰীকৃষ্ণৰ নাম আৰু চৰিত-বৰ্ণনা পোৱা হয়। অকল ইমানেই নহয়, ভাৰতবৰ্ষৰ সৰহ ভাগ লোকেই কৃষ্ণভক্ত, আৰু ভাৰতীয় সাহিত্যৰ সৰহখিনি ঠাইকেই শ্ৰীকৃষ্ণৰ লীলাবিষয়ক কথাই জিনি আছে! যাইকৈ মনত ৰাখিব লগা কথা, ভাৰতীয় ধৰ্ম্মক্ষেত্ৰ আৰু সাহিত্যক্ষেত্ৰত শ্ৰীকৃষ্ণ এক আকাশ-লক্ষী ব্যক্তি বা সৰ্ব্বপ্ৰিয় অৱতাৰেই নহয়, তেৱেঁ সেই বিষ্ণু, তেৱেঁ নিজে সেই অনাদি কাৰণ পূৰ্ণব্ৰহ্ম।

সৃষ্টিতত্বৰ বিষয়লৈ মন কৰিলে, হিন্দুধৰ্ম্মমতে ছুটি মূল নীতি দেখিবলৈ পোৱা হয়,—অন্তৰ্মুখী আৰু বহিৰ্মুখী ( Convergent and Divergent principles, or Centripetal and Centrifugal forces )। "একোঽহং বহু স্যামি"—সেই অদ্বিতীয়জনৰ বহুধা হোৱাৰ ইচ্ছাৰ ফলেই এই সৃষ্টি-কৌশল। "বহু স্যামি" বুজোৱা হৈছে "সূত্ৰে মণিগণা ইৱ"—একেডালি ডোলেৰে গোথা এধাৰি মণিৰ দৰে—এই "বহু" অৰ্থাৎ সৃষ্টিৰ সকলোৰে ভিতৰেদি সেই "একঃ" অৰ্থাৎ অনন্ত ব্ৰহ্ম ব্যাপি আছে। কিন্তু এইখিনিতে এইটো সিদ্ধান্ত ঠাৱৰকৈ জানি থব লাগিব, ব্ৰহ্ম সকলোতে আছে, কিন্তু সকলো ব্ৰহ্মত নাই; অৰ্থাৎ সকলো তেওঁৰ বাহিৰ। প্ৰকৃতিৰ কৰ্তৃত্বত প্ৰকট এই বিশ্ব-ব্ৰহ্মাণ্ড প্ৰকৃতি-পুৰুষৰ ( procreating force ) কাৰ্য্য, ব্ৰহ্ম বা মাধৱ তাৰ অতীত—

"প্ৰকৃতি-পুৰুষ দুইৰো নিয়ন্তা মাধৱ।
সমস্তৰে আত্মা হৰি পৰম বান্ধৱ॥ নাঃ ঘোঃ ৪০৫

মূল নীহাৰিকাবাদ ( Nebular Theory ) মতে যেনেকৈ মূল অসীম উত্তপ্ত নীহাৰিকাখণ্ডৰ পৰা তাৰ মহা আৱৰ্ত্তনৰ ফলত চিটিকি যোৱা সৰু সৰু খণ্ডবোৰে, তাকে ঘাই কৰি, গ্ৰহ-উপগ্ৰহ ৰূপে চিৰকাল ঘূৰি আছে, তেনেকৈ সেই অখণ্ড ব্ৰহ্মৰ খণ্ডজীৱবোৰেও সেই অখণ্ডকে ঘিৰাই চলিব লাগিছে। জানি বা নাজানি, ধন বুলি, মান বুলি, ভাৰ্য্যা বা পুত্ৰ বুলি সকলো জীৱই সেই পৰম ( Absolute ) ব্ৰহ্ম ভগৱন্তকে বিচাৰিছে, আৰু ভগৱন্তয়ো সেই সকলো স্বৰূপে আৰু জোন-বেলি, বতাহ-পানী ৰূপে সকলোৰে মাজত নিজক বিলাই দিবলৈ সদায় ব্যাকুলতা প্ৰকাশ কৰিছে! এয়ে আত্মাৰ ৰাসায়নিক আকৰ্ষণ ( Chemical Affinity ), এয়ে আধ্যাত্মিক মাধ্যাকৰ্ষণ ( Spiritual Gravitation ); আৰু ইয়াৰ বিজ্ঞানেই ধৰ্ম্ম!

"ৰসো বৈ সঃ"। বিশ্বৰ সকলো ৰসৰ আধাৰ স্বৰূপ সেই ভগৱানৰ লীলাময় এই যে সৃষ্টি, ই লীলাই; ইয়াত গহীন ( Serious ) বুলি ধৰিব লগা একো নাই। এই সৃষ্টিত স্ৰষ্টাৰ কোনো কামনা বা লাভৰ বাঞ্ছা নাই, প্ৰকৃত খেলোৱাৰে যেনেকৈ জয়-পৰাজয়ৰ, চিন্তা মনত সুপুহি খেলৰ আনন্দৰ বাবেই খেলে, ভগৱানৰ সৃষ্টিৰ উদ্দেশ্যও তাৰ হীন বা অধিক একো নহয়। সৰু লৰা এটিয়ে যেনেকৈ এই মুহূৰ্ত্তত ওমলা বস্তু এটি পাবলৈ অতিশয় হেঁপাহ দেখুৱালে, আৰু পিচ মুহূৰ্ত্তত তাক পায়ো হাঁহিমুখেৰে তাক নেওচা দিলে, তাৰ বাবে মনত লেশ মাত্ৰও ক্ষোভ নৰল, ঈশ্বৰৰ সৃষ্টিও তদ্ৰূপ; আৱশ্যক হলে ইয়াক নিমিষতে সামৰি থবলৈ তেওঁ এফেৰিও দ্বিধা-বোধ নকৰিব। কিয়নো তেওঁৰ কাৰণে এই সৃষ্টি কোনো লাভৰ কথা নহয়; ই তেওঁৰ হাতৰ জানিবা 'বাহিৰা খৰচ'। শ্ৰীকৃষ্ণই নিজ হাতে হেলাৰঙে পুত্ৰ নৰকাসুৰৰ প্ৰাণ লোৱা আৰু নিজ যদুকুল ধ্বংস কৰাই তাৰ অন্ততম প্ৰমাণ। বাইবেলৰ জেনেছিছ ( Genesis ) মতে সেই প্ৰথম পয়োধিজল ( Noah's Ark ) আদি বৃত্তান্তই, এটি সৰু লৰাৰ নিজ সৃষ্টি এটি সৰ্ব্বাঙ্গ-সুন্দৰ কৰিবলৈ কৰা সকলো চেষ্টাৰ চিন দেখুৱাইছে, অৰ্থাৎ নিজ ইচ্ছা মতে গঢ়াক ভাঙিছে



আৰু ভঙাক গঢ়িছে।

"ন মাং কৰ্ম্মানি লিম্পন্তি নমে কৰ্ম্মফলে স্পৃহা।
ইতি মাং যোঽভিজানাতি কৰ্ম্মভিৰ্ন স বধ্যতে
গীতা—জ্ঞানযোগ ।১৪।

অৰ্থাৎ "( সৃষ্টি আদি ) কৰ্ম্মসমূহে মোক লিপ্ত কৰিব নোৱাৰে, ( কিয়নো ) কৰ্ম্মফলত মোৰ স্পৃহা নাই। এইদৰে যি লোকে মোক জানে, তেওঁ কৰ্ম্মসমূহত বান্ধ নাখায়।' অতি নিৰ্ভুল আৰু মুকলিকৈ, এই অনাসক্ত কৰ্ম্মই গীতাৰ ঘাই শিক্ষা। ইয়াতেই কৰ্ম্ম, জ্ঞান আৰু ভক্তিযোগৰ ত্ৰিবেণী-সঙ্গম হৈছে। জগতৰ মধ্য-যুগৰ বাণী—'সংসাৰ ত্যাগ কৰি বৈৰাগী হোৱা।' গীতা যাইকৈ তাৰ বিৰুদ্ধেই এটি তীব্ৰ অখণ্ডনীয় চিৰন্তন প্ৰতিবাদ। সি যি হওক, এই সংসাৰক আমি এখন খেল বা ভাওনা বুলিয়েই সদায় ধৰিব লাগিব; তাকে পাহৰি ইয়াকে মৰ-কামোৰ মাৰি ধৰি থাকিব খুজিলে বা "অকৰা বৈত উঠা"ৰ দৰে কৰিলে, তাৰ ফল দুখ, নিৰাশা আৰু অপমান অৱশ্যম্ভাবী। কিন্তু মনত ৰাখিব লাগিব, খেল হলেও মন প্ৰাণ ঢালি ন্যায়মতে এই খেল খেলিব লাগিব, আৰু ভাওনা হলেও জীৱন্তভাৱে আৰু অকপটচিতে আমাৰ ভাও দিবই লাগিব; অৰ্থাৎ সংসাৰত থাকি বিবেক-বুদ্ধিৰে নিজৰ কাম কৰি নোযোৱাটো সকলো অৱস্থাতে পাপ আৰু জগৰৰ কথাই। এয়ে গীতাৰ সেই অমৰ বাণী—"নৈতৎ ত্বয্যুপপদ্যতে"—'এনে কথাই তোমাক শুৱায়।' এই খিনিতে আকৌ পাহৰিব নালাগিব, "উত্তিষ্ঠ পৰন্তপ!"—'পৰন্তপ, থিয় হোৱা'; কিন্তু হীন প্ৰতিহিংসাৰ মন্ত্ৰণাত স্বাৰ্থ সিদ্ধিৰ দীন তৰোৱাল লৈ নহয়, কৰ্ত্তব্যৰ দেৱ-দুন্দুভি পাঞ্চজন্যৰ সুৰত আত্মাৰ পবিত্ৰ গাণ্ডীৱ ধৰি থিয় হোৱা। অৰ্থাৎ তুমি প্ৰকৃত খেলোৱাৰ ( Sportsman ) হব লাগিব, প্ৰতিহিংসাৰ ফেটী গোম সাপ অন্তৰত পুহিবৰ তোমাৰ অধিকাৰ নাই; আৰু ভাৱৰীয়া হলেও তুমি কাৰো প্ৰতি বিশেষ আশক্তি নিন্দা বা ঘৃণাৰ ভাব মনলৈ আনিব নোৱাৰা, কিয়নো সকলো লগৰ ভাৱৰীয়াহে।

সৃষ্টি বিষয়ক এই মূল স্থূল সত্যবোৰতে বৈষ্ণৱধৰ্ম্মৰ গভীৰ তত্ত্বসমূহ লুকাই আছে। প্ৰথমতে, কেৱল ব্ৰহ্মইহে আছে, তেওঁৰ বাহিৰে বিশ্বব্ৰহ্মাণ্ডত একোৰে স্বকীয়া সত্তা নাই;—

"তুমি পৰমাত্মা জগতৰ ঈশ এক
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥ ৫২০
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নাহিকে অন্তৰ॥
তুমি পশু-পক্ষী সুৰাসুৰ তৰুতৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন্ন ভিন্ন॥" ৫২১।
"তুমিসে কেৱল সত্য মিছা সবে আন।" ৫২৩।
হঃ ঘোঃ—কীৰ্ত্তন।

দ্বিতীয়তে, এই বিশ্ব-ব্ৰহ্মাণ্ডৰ যদিও কোনো স্বকীয়া সত্তা নাই, তথাপি ই তেওঁৰ সত্তাৰে সত্তাবান; গতিকে ই বিষ্ণুময়। এয়ে বিবিধৰ মাজত মিলন ( Unity among diversity ) এই চকুৰে যি জগতক চাব নাজানে তেওঁ অবৈষ্ণৱ আৰু কৃষ্ণ-প্ৰেমৰ বাবে তেনেই অৰসিক; তেওঁৰ চকুত মায়াৰ জাল পৰিল—

"সমস্তে ভূততে ব্যাপি আছোঁ মই হৰি।
সবাক মানিবা তুমি বিষ্ণু বুদ্ধি কৰি"॥ ১৮২০।
"কুকুৰ চাণ্ডাল গৰ্দ্দভৰো আত্মা ৰাম
জানিয়া সবাকো পড়ি কৰিবো প্ৰণাম"। ১৮২৩
"বিষ্ণুময় দেখে যিটো সমস্ত জগতে
জীৱন্তে মুকুত হোৱে অচিৰ কালতে"॥ ১৮২৪।
শ্ৰীকৃঃ বৈঃ প্ৰঃ—কীৰ্ত্তন

এই বিশ্ব-ভাওনাত সেই মহানাট্যকাৰৰ ইচ্ছাতে আমি সকলোৱে নানা ভাৱে নাচি-বাগি ভাও দিছোঁ; ইয়াত কাৰো সৈতে কাৰো ভাও একেবাৰে নিমিলে। কিন্তু আমি সকলো একে ভাৱৰীয়াই; গতিকে আমাৰ ভিতৰত আমি ভিন দেখিলে

নিশ্চয় ভ্ৰমত পৰিলোঁ, আমাৰ তত্ত্ব-জ্ঞান হেৰুৱালোঁ :-

‘ব্ৰাহ্মণৰ চাণ্ডালৰ নিবিচাৰি কুল ।
দাতাত চোৰত যেন দৃষ্টি এক তুল ॥
নীচত সাধুত যাৰ ভৈল এক জ্ঞান ।
তাহাকেসে পণ্ডিত বুলিয়া সৰ্ব্বজান” ॥ ১৮২১ ।
শ্ৰীকৃঃ বৈঃ প্ৰঃ ।

কেচুৱা লৰাৰ বাবে কোনো কামেই যি দৰে সৎ বা অসৎ নহয়, কিন্তু এই দুই গুণৰে বাহিৰ ( Non-moral ), নিৰ্ব্বিকাৰ পৰমব্ৰহ্মৰ দৃষ্টিতো সেইদৰে সৎ অসৎ আদি অৰ্থহীন কথা ; মানুহৰ গুণ আৰু দোষ দুইতে তেওঁ সমানে উদাস । গতিকে তেওঁৰ অনুগামী বৈষ্ণৱো তেনেকুৱাই হব লাগিব ।

সকলো জীৱৰ আধ্যাত্মিক সমতা আৰু স্বাধীনতা ঘোষণা কৰাৰ লগে লগে বৈষ্ণৱধৰ্ম্মই জাতি বৰ্ণভেদৰ কথা উলাই কৰি, একনীয়াকৈ থৈ হৰিভক্তিকে সবাবো আগ ঠাই দিছে, আৰু তাকেই মানুহৰ আধ্যাত্মিক শ্ৰেষ্ঠতাৰ উত্তম পৰিচয় ৰূপে নিৰ্দ্দেশ কৰিছে—

“কৰিয়া কলিত কীৰ্ত্তন আতি ।
পাৱে বৈকুণ্ঠক চৌত্ৰিশ জাতি ॥” ৭৩ ।
“চণ্ডালো হৰিনাম লৱে মাত্ৰ ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ ॥” ১১৯ ।
‘‘কৃষ্ণৰ কথাতে যিটো ৰসিক ।
ব্ৰাহ্মণ জন্ম তাৰে লাগে কিক ॥”
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি ।
নাবাচে ভকতি জাতি-অজাতি ॥ পাঃ মঃ । ১৩০

ওপৰত উন্মুকিয়াই অহা অন্তৰ্মুখী আৰু বহিৰ্মুখী নীতি ( Convergent and Divergent Principles ) ‘এক’ৰ পৰা যেনেকৈ ‘বহু’ হল, সেইদৰে ‘বহু’ৰ লক্ষ্যও “একঃ” । ‘বহু’ৰ লক্ষ্য বহু হব নোৱাৰে ; কিয়নো, সি তেতিয়া বহুল ( diffused ) হৈ নিজক হেৰুউৱাৰেই আশঙ্কা সৰহ । সেইদেখি তৃতীয়তে, এক শৰণ ধৰ্ম্মই বৈষ্ণৱ ধৰ্ম্মৰ আত্মা স্বৰূপ, আৰু ভক্তৰ ঐকান্তিক সকলেই শ্ৰেষ্ঠ (—‘‘ভক্তাঃ ঐকান্তিনঃ মুখ্যাঃ”— নাৰদীয় ভক্তিসূত্ৰ )—

“অন্য দেৱী দেৱ নকৰিবা সেৱ ;
গৃহকো নযাইবা, প্ৰসাদো নখাইবা,
ভক্তি হৈবে ব্যভিচাৰ ।”

গীতাৰ ‘‘মোক্ষযোগ”ত ভগৱান শ্ৰীকৃষ্ণই তেওঁৰ পৰমভক্ত আৰু সুহৃদ অৰ্জ্জুনক এই কথাকে বিশেষ গোপনীয় স্বৰূপে আৰু দঢ়াই দঢ়াই কৈছে ; তাত দ্বিবৰ্থবোধক ( ambiguous ) একো নাই ।—

“সৰ্ব্বগুহ্যতমং ভূয়ঃ শৃণু মে পৰমং বচঃ ।
ইষ্টোঽসি মে দৃঢ়মিতি ততো বক্ষ্যামি তে হিতম্
॥ ৬৪ ।
মন্মনা ভব মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু ।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে
॥ ৬৫ ।
সৰ্ব্বধৰ্ম্মান্ পৰিত্যজ্য মামেকং শৰণং ব্ৰজ ।” ৬৬
ইত্যাদি ।

ইয়াৰ মৰ্ম্ম শ্ৰীমাধৱদেৱে লেচাৰি ছন্দত ৬০৪-৬১৬ ঘোষাত অতি বিশদভাৱে বৰ্ণাইছে ; উদাহৰণ স্বৰূপে—

“মোত মাত্ৰ সদা দিয়া মন, মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ,
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ ।
কহিলোঁ তোমাক সত্যবাণী, পাইবা সুখে মোক মহা মানি
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ ॥” ৬০৯ ।
কৃষ্ণ নিগদতি সব্যসাচি, পৰমাৰ্থ তত্ত্ব লৈয়ো বাছি
সুহৃদ বিশ্বাসে শৰণ লৈয়ো আমাত ।
মোতে মাত্ৰ সদা দিয়া চিত, গায়ো মোৰ গুণ নাম গীত
সকল শাস্ত্ৰৰ কহিলোঁ সাৰ সাক্ষাত ॥” ৬১৬ ।

এই এক-শৰণৰ মৰ্ম্ম সহজ ; কিয়নো ওপৰত কৈ অহা হৈছে, ব্ৰহ্মইহে সৎ অৰ্থাৎ তেওঁহে আছে, আন কেও নাই । যদি কোনোৱে কয়



বোলে, আমি আছোঁ আৰু ব্ৰহ্মাৰ সত্তাৰে সত্তাবান, বিশ্ব-ব্ৰহ্মাণ্ডৰ সকলো বস্তুৰ ভিতৰত ব্ৰহ্ম আছে তেনেহলেও ব্ৰহ্মৰ ঠাইত আন দেৱতা আদিৰ উপাসনা সমীচীন হব নোৱাৰে ; কিয়নো সেইমতেও, অংশ তাৰ সমষ্টিৰ সমান হব নোৱাৰে ( “part equal to the whole, which is absurd” ) । গতিকে শ্ৰীমাধৱদেৱে ইয়াকে লক্ষ্য কৰি কৈছে :—

“হৰিৰ গৃহৰ দ্বাৰে, বেত্ৰৰ প্ৰহাৰ যোগ্য
ব্ৰহ্মা, ইন্দ্ৰ আদি দেৱস্থাক ।” ১০৪ । নাঃ ঘোঃ ।

অকল দেৱ-দেৱীৰ পূজাই নহয়, তীৰ্থ কৰাও বৈষ্ণৱ ধৰ্ম্মমতে অসাৰ আড়ম্বৰ । নিজে তীৰ্থপৰ্য্যটনত অনেক কাল কটাই আহিও সেইদেখি পৰম বৈষ্ণৱ শ্ৰীশঙ্কৰদেৱে বুলিছিল—

“শৰীৰ সবক মই বোলে চিত্তে ।
মমত কৰে পুত্ৰ-ভাৰ্য্যা বিত্তে ॥ ১৩২ ।
তীৰ্থ বুলি কৰে জলত শুদ্ধি,
প্ৰতিমাত কৰে দেৱতা বুদ্ধি,
বৈষ্ণৱত নাই ই সব মতি ।
গৰুতো অধম কৃষ্ণ বদতি ।” ১৩৩ । পাঃ মঃ ।
“যাহাৰ মুখত থাকে হৰি হেন নাম ।
গঙ্গা গয়া কাশী পুষ্কৰতো নাহি কাম ॥”

মহাপুৰুষ কবীৰেও এই সুৰতেই কৈছে—

“তীৰথ্ মে তো সব্ পানী হায় !”

অতি সঁচা কথা । একালত ইংৰাজ কবিসকলে প্ৰায়ে ইটালীলৈ কাব্য-তীৰ্থ ( poetic pilgrimage ) কৰিবলৈ গৈছিল আৰু তাৰ প্ৰকৃতিৰ মনোৰম শোভা চাই নতুন প্ৰেৰণা লাভ কৰিছিল ; কিন্তু তালৈ সাধাৰণ যেয়ে সেয়ে গৈ কবিত্ব লাভ কৰাৰ কথা কোনেও কব নোৱাৰে, আৰু ইটালীৰ স্থানীয় সকলো লোকো নিশ্চয় কবি নাছিল । সেইদৰে আগতে অন্তৰত ধৰ্ম্মভাৱ নাথাকিলেও তীৰ্থ ঠাইলৈ গৈ ধাৰ্ম্মিক হৈ অহা দৃষ্টান্ত বিৰল, আৰু তীৰ্থ ঠাইতো ক’তো চোৰ ডকাইত আৰু ঠগৰ আটক নাই ; আনপিনে, যাৰ অন্তৰত ধৰ্ম্মভাৱ আগতে আছেই, তেওঁ তীৰ্থলৈ যাবই বা লাগিছে কিয় ? আকৌ বৈষ্ণৱ কবীৰৰ ভাষাৰে—

“বাগোনা জাৱেণা জা, তেৰে কায়া মেঁ গুলজাৰ ।”

—তোমাৰ অন্তৰেই স্বৰ্গীয় সৌৰভেৰে আমোলমোল ; ফুলনিত তোমাৰ সকাম কি ?

বৈষ্ণৱ ধৰ্ম্মই কেতিয়াও বেদ-উপনিষদ উলঙ্ঘা নকৰে, কিন্তু তাৰ মৰ্ম্ম গ্ৰহণ কৰে ; অৰ্থাৎ বেদ-বিহিত নিত্য-নৈমিত্তিক ক্ৰিয়া-কাণ্ড, শ্ৰাদ্ধ আদিৰ বিষয়ে বৈষ্ণৱধৰ্ম্ম আওকণীয়াও বুলিব পাৰি ।

“বহুবিধ ধৰ্ম্ম বিহি আছে ধৰ্ম্মচয় ।
লোভাবিষ্ট হুয়া লোকে তাহাত পৰয় ॥
নিশ্চয় বেদৰ তত্ত্ব হৰি ভক্তি সাৰ ।
ঋষি সবে নানা ফল লোভ দিয়া তাৰ ॥
অজ্ঞানী প্ৰাণীক সবে কৰিয়া উন্মত্ত ।
তাহাত পৰিয়া কৰে তাহাতেসে ৰত ॥
এহি হেতু সংসাৰত জনম মৰণ ।” দীপিকাচন্দ ।
“বেদৰ বিহিত যত, আছে ধৰ্ম্ম সংসাৰত
সবে হৰি নামৰ কিঙ্কৰ ।” ১০৩ । নাঃ ঘোঃ ।

এইবোৰৰ পৰা বেদৰ প্ৰতি বৈষ্ণৱৰ শ্ৰদ্ধা তাকৰ বুলি বুজিব নোৱাৰি, কিন্তু কৃষ্ণ-ভক্তিৰ প্ৰতি সৰহ আগ্ৰহ বুলি জানিব পাৰি ;

“মাধৱৰ নাম বৎস প্ৰায় ভৈল
ভক্তে তাঙ্ক লৈয়া যান্ত ।
বেদৰ ঈশ্বৰ হৰি ধেনু যেন
তাৰ পাছে পাছে ধান্ত ॥” ৩৬৪ । নাঃ ঘোঃ ।

কিন্তু বৈষ্ণৱ ধৰ্ম্মৰ সুপবিত্ৰ মন্দিৰৰ আকাশলঙ্ঘী, সোণৰ কলচী স্বৰূপ বিজয় পতাকা হৈছে সুমঙ্গল **নামধৰ্ম্ম** । কব পাৰি, নাম নো কি ?—

“গালোঁ নাম গল উৰি । তাৰ কি আছে আগ গুৰি ॥”

নামত সাৰ বস্তু একো নাই । কিন্তু এই বুলি কলেই নামৰ মহত্ত্ব উৰি যাব নোৱাৰে । নাম এটা শব্দ, ইয়াক উচ্চাৰণ কৰা মাত্ৰেই ধাতুত

কঁপনি উঠি মুহূৰ্ত্ততে সহস্ৰেক ঢৌৰ সৃষ্টি হল; তাৰে এটি গৈ তোমাৰ কাণৰ সজীৱ ধমনীবোৰত আঘাত কৰি তোমাক সেই বিষয়ে সচেতন কৰিলে, আৰু বাকী সহস্ৰ ঢৌ নাচি নাচি অৱলীলাক্ৰমে অনন্ত বায়ুৰ লগত মিলি গ'ল; মিলিছে গল, 'উৰি' নগল; আৰু মিলি গৈ সেইবোৰে অনন্তৰ লগত কি অন্তহীন খেল পাতিছে সি আমাৰ সামান্য কল্পনা আৰু বুদ্ধিৰ অতীত।

হিন্দু-ধৰ্ম্ম মতে শব্দ অক্ষৰ, শব্দ ব্ৰহ্ম। অকল হিন্দু-ধৰ্ম্মই কিয়, খৃষ্টান ধৰ্ম্মতো বাইবেল শাস্ত্ৰই অবিকলভাৱে তাকে প্ৰতিধ্বনিত কৰিছে। "নিউ টেষ্টামেণ্ট"ৰ জনৰ গ্ৰন্থৰ ( Gospel of John ) প্ৰথম আধ্যাৰ প্ৰথম শাৰীতে কৈছে—"In the beginning was the Word, and the Word was with God, and the Word was God." গতিকে শব্দ বা নামক উলাই কৰা টান।

আমাৰ দিনটীয়া জীৱনৰ সাধাৰণ কথাতে এষাৰ গালি বা এষাৰ বেয়া মাত আৰু এটি আশিস্ বা এযাৰি কোমল মাতৰ মনৰ ওপ ত যি প্ৰভাৱ, তাৰ কিমানখিনি পাৰ্থক্য! কৰবাত উক্তুটি এটা খালেও অকল "আই ঔ" বোলা মাতষাৰি মতাতে কিমান সান্ত্বনা! তেনেহলে একাগ্ৰচিত্তে লোৱা ঈশ্বৰৰ নামৰ প্ৰভাৱ কোনে মুই কৰে?

বৈষ্ণৱসকলে নৱ বিধ ভক্তিৰ কথা উল্লেখ কৰিছে,—

'শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ বিষ্ণুৰ,
অৰ্চ্চন, পদ-সেৱন।
দাস্য, সখিত্ব, বন্দন, বিষ্ণুত
কৰিব দেহ অৰ্পন।" ৩৪১। কীৰ্ত্তন, প্ৰঃ চঃ

এই নৱ বিধ ভক্তিৰ প্ৰত্যেকেই ঈশ-উপলব্ধিৰ একোটি বাট; কিন্তু তাৰ ভিতৰত বৈষ্ণৱসকলে কীৰ্ত্তন বা নামধৰ্ম্মকে ঈশ্বৰ-লাভৰ ৰাজবাট স্বৰূপে নিৰ্দ্দেশ কৰা দেখা যায়। কবি চণ্ডীদাসে শ্ৰৱণ ধৰ্ম্মৰ কাৰ্য্যকৰী শক্তিৰ আদৰ্শ স্বৰূপে ৰাধিকাৰ পূৰ্ব্বৰাগৰ কথাত এঠাইত লিখিছে,—ৰাধিকাই তেতিয়ালৈকে কৃষ্ণক চকুৰে দেখা নাই, কিন্তু তেওঁৰ নাম শুনিয়ে শ্ৰৱণ ভৰি গৈ প্ৰাণ আকুল হৈ উঠিল:—

"সই! কে বা শুনাইল শ্যাম নাম?
কাণেৰ ভিতৰ দিয়া মৰমে পশিয়া গো
আকুল কৰিল মোৰ প্ৰাণ।"

সঁচাকৈয়ে আমাৰ মনৰ ভিতৰত কোনো বায়ু চলাচল কৰিব নোৱাৰা কুঠৰী ( air-tight compartment ) নাই; গতিকে শব্দই কোন তলকত কাণৰ ভিতৰে গৈ মৰ্ম্মস্থল চুই প্ৰাণ আকুল কৰিব পাৰে, তাক আমি গম নাপাওঁ সঁচা, কিন্তু কামত দেখা হয়। তেতিয়া "নাজানি কতেক মধু শ্যাম নামে আছে গো," বুলি ৰাধিকা কৃষ্ণময়প্ৰাণ হৈ উঠিল!

মৈথিলী কবি বিদ্যাপতিয়েও অবিকল সেইদৰে স্মৰণ-ধৰ্ম্মৰ কাৰ্য্যকৰী শক্তিৰ এটি চানেকি দিছে—

"অনুখন মাধৱ মাধৱ সুমৰইতে
সুন্দৰি ভেলি মধাই।
ও নিজ ভাব সো ভাবহি বিসৰল
আপন গুণ লুবধাই॥"

'সদায়ে মাধৱক সুমৰি থাকোঁতে থাকোঁতে সুন্দৰী নিজেই মাধৱ হৈ পৰিল। নিজৰ গুণতে লুব্ধ হৈ আৰু নিজৰ ভাৱতে মোহিত হৈ গৈ তেওঁ নিজকে পাহৰিলে।'—এনে উদাহৰণো বিৰল নহয়।

কিন্তু কীৰ্ত্তন বা নামধৰ্ম্মৰ বিশেষ উপযোগিতা এইখিনিতে যে, ইয়াতে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, পদ-সেৱন আদি কেউবিধ ভক্তিৰ মিলন হয়; অৰ্থাৎ স্মৰণ, অৰ্চ্চনা, শ্ৰৱণ আদি এৰি কীৰ্ত্তন হব নোৱাৰে। গতিকে এইবিধ ভক্তি স্বভাৱতে আটাইতকৈ বিশেষ ফলৱতী হবই।

শ্ৰীশঙ্কৰদেৱে "কীৰ্ত্তন"ৰ "নামাপৰাধ" অধ্যায়ত এই নাম ধৰ্ম্মৰ সাতোটি ফলৰ কথা এইদৰে বৰ্ণাইছে—

"প্ৰথমে দহিবে পাতক চয়।
কৰিবে মহাপুণ্য অভ্যুদয়॥
কৰাবে বিষয়ত বিৰকতি।
কৃষ্ণত বাঢ়িবে প্ৰেম ভকতি॥ ৬৫।
উপজাইবে অতি বৈষ্ণৱ জ্ঞান।
মায়াক কৰিবে দহি নিৰ্ব্বান॥"
"চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
সেৱেক তেন্তে এড়ে একে কৰি॥ ৬৬।

হৰিনামৰ এই সাত গুণকে বৈষ্ণৱ কবি ৰত্নাকৰ কন্দলি ওৰফে মহাপুৰুষ অনন্ত কন্দলিয়ে "কীৰ্ত্তন"ৰ "সহস্ৰ নাম বৃত্তান্ত" অধ্যায়ত এইদৰে বৰ্ণাইছে—

"শুনিয়ো হৰি নাম কেন ভাল।
সম্যকে পাতকৰ যমকাল॥
যতেক ব্ৰত দান যজ্ঞ কৰ্ম্ম।
সিদ্ধান্তে হৰিনামে সৱধৰ্ম্ম॥ ২০৩১।
কৰান্ত বিষয়ত বিৰকতি।
দিলান্ত কৃষ্ণত দৃঢ় ভকতি॥
মায়াৰ বন্ধ চুলি জ্ঞান দেন্ত।
অন্তকালে বিষ্ণু-পদক নেন্ত॥ ২০৩২।
কৃষ্ণত নৰ যেবে গৈল লীন
তেৱেসে হৰিনাম উদাসীন॥"

এই বৰ্ণনাৰ ক্ৰম অতি সুন্দৰ, আৰু মনোবিজ্ঞান-মূলক। একাগ্ৰচিত্তে যেতিয়া এজনে হৰিনাম মুখত লয়, তেতিয়া পাপৰ ভাৰৰ ঋাতৰি নগৈ থাকে ক'ত! আৰু যেই ভাৰৰ ঋাতৰিল, সেই পুণ্যৰ চিকুণ জোনে মুখ দেখুৱালে। ইয়াৰ লগে লগে বিষয়ৰ বিষ- কমিল, আৰু ভক্তিৰ অমৃত পাত্ৰত মুখ দিলে। তাৰ লগে লগে তেওঁ নিজে অমৃত অৰ্থাৎ বৈষ্ণৱ হ'ল আৰু মায়াৰ আৱৰণ তেওঁৰ গাৰ পৰা খহি পৰিল। এই ছয় অৱস্থাৰ ভিতৰেদি গৈ সপ্তম অৱস্থাত নিজে ব্ৰহ্ম হৈ ব্ৰহ্মাত লীন গ'ল, ("ব্ৰহ্মবিদ্ ব্ৰহ্মৈৱ ভৱতি"); আৰু তাৰ লগে লগে হৰিনামৰ কাৰ্য্য সুসিদ্ধ হল।

হৰিনাম বিষয়-ৰোগৰ অব্যৰ্থ ঔষধ, সন্দেহ নাই; যি ইয়াক বিধিমতে সেৱন কৰে, তেওঁ তাৰ ফল পাবই পাব। কিন্তু কোনোৱে যদি তাৰ বিধি মানি নচলে, তাৰ বাবে ঔষধক মিছা বোলা নিতান্ত অন্যায় ( Exception proves the rule ).

এতিয়া ইমানলৈকে বৈষ্ণৱধৰ্ম্মৰ বিশেষ লক্ষণ বোৰৰ মাথোন চিনাকি দিয়া হ'ল। এতিয়া চাব লগা বিষয় হৈছে বৈষ্ণৱ ধৰ্ম্মৰ এই অমৰ আলোক শ্ৰীমাধৱদেৱৰূপী নক্ষত্ৰত লাগি কেনে ভাৱে প্ৰতিভাত হৈছে। তাকে কৰিবলৈ হলে আমি শ্ৰীমাধৱৰ কৰ্ম্মজীৱন আৰু সাহিত্যৰ ফালে চকু নিদি নোৱাৰোঁ।

শ্ৰীমাধৱদেৱ-ৰচিত অমূল্য পুথিবোৰৰ ভিতৰত "নামঘোষা", "ভক্তি-ৰত্নাৱলী", "নাম-মালিকা", "জন্ম-ৰহস্য", "আদিকাণ্ড ৰামায়ন", "চোৰধৰা" আৰু "পিপড়া গুচুৱা" আদি কেবাখনো অঙ্কীয়া নাট, আৰু বৰগীত আৰু গুৰু-ভটিমা আদি অনেক ৰচনা আছে। তাৰ ভিতৰত "নাম ঘোষা"ই যে নিঃসন্দেহে প্ৰধান এই কথাত বাদ দেখা নাযায়। অকল তেওঁৰ ৰচনা বুলিয়েই নহয়, গোটেই অসমীয়া বৈষ্ণৱ ধৰ্ম্ম আৰু সাহিত্যৰে ইয়াক এখনি আদি আৰু অন্ত ( alpha and omega ) গ্ৰন্থ বুলিলে বঢ়াই কোৱা নহব যেন লাগে। অসমীয়া বৈষ্ণৱ কবিসকলে ধৰ্ম্মগ্ৰন্থ বা ধৰ্ম্ম-সাহিত্য বুলি কেৱল "নামঘোষা"খনকে থৈ যোৱা হলেও এই ধৰ্ম্ম আৰু সাহিত্যৰ পোহৰ অসমীয়া জাতিৰ ওপৰৰ পৰা সহজে অন্তৰ্হিত নহলহেঁতেন বুলি ভাবিব পাৰি। দাৰ্শনিক সাহিত্য স্বৰূপেও ই এখনি অতি উপাদেয় গ্ৰন্থ। সাহিত্য স্বৰূপেও অনেক ঠাইত ইয়াৰ মোল দিবলৈ নাই। এনে এখনি আচৰিত গ্ৰন্থ যি জাতিৰ সম্পত্তি, সঁচাকৈয়ে তাৰ কি পৰম সৌভাগ্য!

'নামঘোষা'ত এহেজাৰ ঘোষা আছে বুলি লোকে ইয়াক "হাজাৰী ঘোষা"ও বোলে। ইয়াৰ ভিতৰৰ ভালেমান "ঘোষা"ই গীতা ভাগৱত আদি মূল গ্ৰন্থবোৰৰ সংস্কৃত শ্লোকৰ ভাঙনী। এই ভাঙনী ঘোষাবোৰে শ্ৰীমাধৱদেৱৰ জ্ঞানৰ গভীৰতা আৰু সংস্কৃত ভাষাত বিচক্ষণ পাণ্ডিত্যৰ আভাষ দিয়ে। সঁচাকৈয়ে "নামঘোষা"ত জ্ঞান-সূৰ্য্যৰ প্ৰখৰতাই ভক্তি-চন্দ্ৰমাৰ মৃদুল হাঁহিৰ কাৰণে সৰহ ঠাই এৰা নাই বুলিও কোনো কোনোৱে আশঙ্কা কৰিব খোজেহে; কিন্তু এই আশঙ্কা যে অমূলক প্ৰথম ঘোষাটিয়েই তাৰ প্ৰমাণ।—

"মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোঁহো ভকতি।"—

এই এটাকি কথাৰেই যেন ৰসিকে জন্ম-জন্মান্তৰ সাঁচি অহা হৃদয়ৰ আটাইখিনি ভক্তিৰস আৰাধ্য জনৰ পাৱত একেবাৰে উবুৰিয়াই দিলে, আৰু সেয়ে বৈ গৈ যেন গোটেই জগততে ডোঙা বান্ধি বল,—"ৰসময়ী মাগোঁহো ভকতি!"

শ্ৰীমাধৱদেৱৰ নিজ জীৱনৰ অভিজ্ঞতাৰ ফালৰ পৰা চালে, প্ৰাৰ্থনাটি আৰু ভাৱব্যঞ্জক হৈ জিলিকি উঠে। তেওঁ আদিতে আছিল ঘোৰ শাক্ত; বৈনায়েক গয়াপাণিয়ে শ্ৰীশঙ্কৰদেৱৰ কথা শুনি বলিৰ ছাগলি আনি নিদিয়াত তেওঁৰ যি ক্ৰোধ হৈছিল তাক থবলৈ ঠাই নাছিল; শাস্ত্ৰ-জ্ঞান বা পাণ্ডিত্য বিষয়তো তেওঁ শঙ্কৰদেৱতকৈ বিশেষ হীন আছিল বুলি কব নোৱাৰি; তথাপি দিনটীয়া তৰ্কৰ শেহত ইজনে যেতিয়া, "যথা তৰোৰ্মূলঃ নিষেচনেন" বুলি বৈষ্ণৱ শাস্ত্ৰৰ শ্লোক ফাঁকি মাতিলে সেই মুহূৰ্ত্ততে তেওঁ ইহকাল পৰকালৰ বাবে শিষ্যত্বত আত্ম সমৰ্পণ কৰি শ্ৰীশঙ্কৰদেৱৰ চৰণত পৰম ভক্তি-শৰণত হৈ সুৰ সোৱালে। ই শ্ৰীমাধৱদেৱৰ পক্ষে কম উদাৰ আৰু ঐকান্তিক স্বভাৱৰ চিনাকি নহয়!

শ্ৰীমাধৱদেৱে নিজ ধৰ্ম্ম-অভিজ্ঞতাৰে দেখিছিল, 'পুত্ৰং দেহি', 'ধনং দেহি', 'জয়ং দেহি', এনে সাধনাত মানুহ কষ্মিন কালেও 'তৃপ্ত' হব নোৱাৰে; কিয়নো, কামনাৰ অন্ত নাই, বিৰাম নাই! সংসাৰত থাকিবলৈ হলে মানুহক পুত্ৰ, ধন, জয় সকলো লাগে সঁচা; কিন্তু সেইবোৰ সংসাৰৰ বাবেহে, সিহঁত আমাৰ প্ৰাণৰ আকাঙ্ক্ষাৰ ধন হব নোৱাৰে, বৰং তাতেই আমাৰ যত অশান্তি, অতৃপ্তি আৰু অসিদ্ধিৰ বীজাণুৱে বাহ লৈছে। কলহৰ ভিতৰত জীৱৰ প্ৰকৃত ভোগ্য, প্ৰাণৰ বাঞ্ছিত বস্তু অমৃত ভৰি আছে; সংসাৰিক জীৱই কলহটোৰ বাহিৰ ভাগকে চেলেকি সেই ভোগৰ বাঞ্ছা পূৰাব খোজে, কিন্তু সি পূৰ হওক ছাৰি হাজাৰ গুণে বাঢ়িহে উঠে।—"শুধু চোখেৰ দেখায় আশ মিটে না, প্ৰাণেৰ দেখা চাই!" যুগৰ পাছত যুগ যায়, প্ৰাণৰ এই ভোক-পিয়াহ নমৰে, হৃদয় জুৰ নপৰে;—"লাখ লাখ যুগ হিয়ে হিয়ে ৰাখনু হৃদয় জুৰণ নাহি গে'ল!" সঁচাকৈয়ে—"নাহি গে'ল।"

হৃদয় জুৰ পৰেই বা কেনেকৈ? আমি যে, মৃগ-তৃষ্ণা মৰীচিকা খেদি ব্যাকুল! "We look before and after, and pine for what is naught." ( Shelley )। কিন্তু "দুধেৰ সাধ ঘোলে মিটে না।" গাখীৰ আৰু ঘোল দুটা সুকীয়া বস্তু। ভোকৰ বেলিকা এগাল শিল গুটি চপাই ল'লে ভোক গুচে জানো? ইফালে, এইদৰে থাকোঁতেই কালমূৰ্ত্তি ধৰি মৃত্যুৰ ছাঁয়া আমাৰ সন্মুখত ঠিয় হয়হি। তেতিয়া আমাৰ থৰ-যুগুতি হেৰায় আৰু কেতিয়াবা হৃদয়ৰ অন্তস্থল ভেদি এনে এটি হুমুনীয়া ফুটি উঠে—

"কি কৰিলোঁ কি কৰিলোঁ, ভকতি নকৰি।
অন্তক পাইলেক আসি ৰক্ষা কৰা হৰি॥"
—১৬৭ সঃ নাঃ ঘোঃ।

গতিকে, আকৌ শ্ৰীমাধৱদেৱৰ ভাষাৰে
"ৰসময়ী মাগোঁহো ভকতি।"



এইখিনিতে আমি ভক্তি-মাৰ্গৰ মূৰত ওলাওঁহি। এই ভক্তি-মাৰ্গৰ প্ৰাধান্য কিহত? কৰ্ম্ম, জ্ঞান আৰু যোগতকৈ ভক্তি শ্ৰেষ্ঠ; কিয়নো ভক্তিয়েই সেইবোৰৰ ফল। সেইবোৰৰ বলত ভগৱত-অনুভূতি, জ্ঞান বা দৰ্শন লাভো হব পাৰে, কিন্তু প্ৰেম বা ভক্তিৰ বিহনে এই সকলো বঁজা। বজাৰ ঘৰ দেখিলেই যেনেকৈ বজাক দেখা নহয়, খোৱাৰ উপকৰণ আগত থাকিলেই যেনেকৈ পেটৰ পোৰণি নমৰে, সেইদৰে ভক্তিহীন কৰ্ম্ম, জ্ঞান আৰু যোগেৰেও ঈশ্বৰ লাভ নহয়। সেই দেখিয়েই ৰসৰ সাগৰ নাৰদ মুনিয়ে চিঞৰি উঠিছিল,—"ওঁ ত্ৰিসত্যস্য ভক্তিৰেৱ গৰীয়সী, ভক্তিৰেৱ গৰীয়সী।" ( নাৰদীয় ভক্তিসূত্ৰ )।

গতিকে দেখা গ'ল, ভক্তি নিজে পন্থা হৈও লক্ষ্য ( a means to an end, and an end in itself )। ভক্তি থাকিলেই ভগৱানক পাব পাৰি; অধিক কি, পৰম ভক্তজন অৰ্থাৎ বৈষ্ণৱেই বিষ্ণু:—"বৈষ্ণৱেসে বিষ্ণু আৰু জানা সাৰোত্তৰ।" ( দীপিকাছন্দ )। ভক্তি নিজেই সম্পূৰ্ণ ( self Contained ); ভক্তিয়ে ভক্তিহে বিচাৰে ( love for love's sake ), আন একো নিবিচাৰে। সেইদেখি বৈষ্ণৱজন "মুক্তিতো নিস্পৃহ" আৰু "মুকুতি সুখকো তুচ্ছ কৰি হৰিনাম আনন্দত নাচে।" ( নামঘোষা )। এয়ে "ৰসময়ী ভক্তি"।

ভালপোৱাত যেতিয়া এটা লক্ষ্য থাকে তেতিয়া স্বভাৱতে সেই লক্ষ্য আৰু ভালপোৱাৰ পাত্ৰৰ ভিতৰত সি আপুনি বিভক্ত হৈ পৰে; গতিকে সেই ভালপোৱা অসম্পূৰ্ণ আৰু ত্ৰুটী মূলক হ'ল। সাধাৰণ এটা উদাহৰণ দিলে কথাটো বুজিবলৈ সহজ হব। "মাকে চায় মুখলৈ, তিৰোতাই চায় হাতলৈ।" হাতলৈ চাওঁতে মুখলৈ চাবলৈ সময় নহয় আৰু কেতিয়াবা মুখলৈ একেবাৰে চোৱা হৈ নুঠিবও পাৰে; কিন্তু হাজাৰো হওক মাকৰ পেট লৰালৈ সুপুৰি নোৱাৰে, আৰু সকলো প্ৰতিকূল অৱস্থাৰ ভিতৰেদি মাতৃ-স্নেহ জুইত সোণৰ দৰে উজ্জ্বলতৰহে হৈ উঠে। এয়ে সকাম আৰু নিষ্কাম সেৱাৰ চানেকি। সকামৰ অদূৰত এটা সীমা বা শেষ আছে, নিষ্কামৰ সীমা বা শেষ নাই; ই ক্ৰমে বাঢ়িহে যায়। বৈষ্ণৱ ধৰ্ম্মৰ "ৰসময়ী ভক্তি" ও এনে অহৈতুকী।

কোনোৱে তৰ্ক কৰে শ্ৰীমাধৱদেৱে ঈশ্বৰৰ ওচৰত সাংসাৰিক ভোগ বাসনা একো নিবিচাৰিলে, আনকি মুক্তিও নালাগে বুলি ক'লে, কিন্তু তেওঁ ভক্তি বিচাৰিলে; ভক্তি তেওঁৰ কামনা হ'ল, গতিকে তেওঁৰ ধৰ্ম্মৰ নিষ্কামতা ৰ'ল ক'ত?

এই তৰ্কমতে ভক্তি এটা উদ্দেশ্য হব পাৰে সঁচা, কিন্তু এই উদ্দেশ্যৰ এটা সীমা দেখা নাযায়; ভক্তিত এবাৰ মজিলে আনফালে মুখ ঘূৰাবৰ সাধ্য নাই, আৰু ইয়াত ক্ৰমাৎ সেৱী, সেৱা আৰু সেৱ্য এক হোৱাৰ ফালে ঢাল লয়। গতিকে ভক্তি তেওঁৰ লক্ষ্য হব পাৰে, কিন্তু এই ভক্তিৰ উদ্দেশ্য নাই; এতেকে ই নিষ্কাম নহৈ কি হব? আৰু এই ভক্তি ৰসময়ী; কিয়নো, এই ভক্তিৰ ৰস নিজৰাৰ দৰে আপোনাৰ ভিতৰৰ পৰাই আপুনি নিজৰি ওলাই থাকে, আৰু পুখুৰীৰ দৰে ই আনলৈ বাট নাচায়।

শ্ৰীমাধৱদেৱৰ আদৰ্শ সৰ্ব্ব-ব্যাপী নিৰাকাৰ নিৰ্গুণ ব্ৰহ্ম, যি "অবাঙ্মনসগোচৰঃ"—

"অব্যক্ত ঈশ্বৰ হৰি কিমতে পূজিব তাঙ্ক
ব্যাপকত কিবা বিসৰ্জ্জন।
এতাৱন্ত মূৰ্ত্তি শূন্য কেনমতে চিন্তিবাহা
ৰাম বুলি শুদ্ধ কৰা মন॥" ৫।
নাঃ ঘোঃ।

কিন্তু এনে অব্যক্ত অৱস্থাৰ ত্ৰিগুণাতীত ভগৱান আৰাধনাৰ অযোগ্য, অৰ্থাৎ ভক্তৰ ভগৱান সদায় সগুণ, সেইদেখি ভক্ত শ্ৰীমাধৱদেৱৰ নিত্য সেৱাৰ থলি ভগৱান শ্ৰীকৃষ্ণৰ সেই পদ-যুগল,—

যাক ভক্তিযোগত সুসিদ্ধা ব্ৰজগোপীসকলে সপোনে-সচিতে অৰ্চ্চনা কৰিছিল—সেই পদ-যুগল পূৰ্ণ আনন্দৰ মহাসমুদ্ৰৰূপ, য'ত ব্ৰাহ্মণ, ক্ষত্ৰিয়, বৈশ্য, শূদ্ৰ আদি চাৰি জাতিৰ বিচাৰ নাই; ব্ৰহ্মচৰ্য্য, গাৰ্হস্থ্য, বাণপ্ৰস্থ, যতী আদি চাৰি আশ্ৰমৰ ভেদা-ভেদ নাই, আৰু ধৰ্ম্ম কৰ্ম্মকাৰীৰ লগত আনৰ বিভেদ বুদ্ধি নাই, কিন্তু য'ত সকলোৰে ভক্তিৰ সোণথটোৱা চ'ৰা নাওবোৰৰ অপূৰ্ব্ব মিলন হয়হি! কি হিয়া ঢলা ভক্তিৰ অমৃত ৰসেৰে জুকলি জুপুৰি এই ধোৱা ফাঁকি! যেন ধোৱাটিৰ প্ৰতিস্তৰৰ ভাব আৰু ছন্দই মূৰ্ত্তি ধৰি ঢৌৰূপে নাচি-বাগি সেই "গোপীভৰ্ত্তা-পদকমল"ত ঢলি ঢলি পৰিছেহি!

"নোহো জানা আমি চাৰি জাতি,
চাৰিও আশ্ৰমী নোহো আতি,
নোহো ধৰ্ম্মশীল দান ব্ৰত তীৰ্থগামী।
কিন্তু পূৰ্ণানন্দ সমুদ্ৰৰ গোপীভৰ্ত্তা-পদকমলৰ,
দাসৰ দাসৰ তান দাস ভৈলো আমি॥" ৬৬৯।
নাঃ ঘোঃ।

ইয়াৰ কাৰণে শ্ৰীমাধৱদেৱৰ ভক্তি-অৰ্ঘ্যৰ অন্যতম স্থান "সৰ্ব্বগুণাকৰ" শ্ৰীশঙ্কৰৰ চৰণ দুটি; কিয়নো এই পৰম বৈষ্ণৱেই তেওঁক আৰু জগতক নিৰ্ম্মল ভক্তি-অমৃত পান কৰাইছে—

"হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলা
বহে ব্ৰহ্মাণ্ডক ভেদি॥" ৩৭১।
নাঃ ঘোঃ।

"নামঘোষা"ত জয়ে জয়ে সেইদেখি "মুক্তিত নিস্পৃহ যিটো সেহি ভকতক নমো" বুলি শ্ৰীমাধৱদেৱে পোনতে শ্ৰীশঙ্কৰদেৱৰ ওচৰত আঁঠু লৈ, তাৰ পিচে "ৰসময়ী" ভক্তিৰ কৰ-পচা লৈহে, শেহত "সমস্তমস্তকমণি নিজ ভকতৰ বশ্য" "যদুপতি"ৰ ওচৰ পাইছেগৈ বুলি কব পাৰি!

আধ্যাত্মিক জগতৰ কৰ্ণধাৰ গুৰুৱে শিষ্যৰ হিয়াত কি ঠাই অধিকাৰ কৰে তাৰ নিৰ্ণয় কৰা সহজ নহয়; তথাপি শ্ৰীশঙ্কৰ আৰু শ্ৰীমাধৱ যে বিভিন্ন আত্মা আছিল অনেক কাৰণৰ পৰা এই কথা ক'ব পাৰি! সেই দেখিয়েই বৈষ্ণৱজনে গাইছে—

"শঙ্কৰ স্বৰূপে আসি নিজ অংশে অৱতৰি
ভকতি-প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে আসি তৈতে তৈল দিয়া ৰাকি
অজ্ঞান আন্ধাৰ দূৰ কৈলা॥"

শ্ৰীশঙ্কৰদেৱেও নিজে শ্ৰীমাধৱদেৱক "বান্ধৱ মাধৱ" বুলিয়েই মাতিছিল, আৰু বৈকুণ্ঠ-গামী হোৱাৰ কালতো শ্ৰীশঙ্কৰদেৱে নিজ "তাল, মালা, শক্তি, ভক্তি, যশ, বীৰ্য্য, পৰাক্ৰম" সকলোকে শ্ৰীমাধৱত অৰ্পণ কৰা বুলি জানিব পাৰি।

এদিন মাধৱদেৱে গুৰুৰ চৰণত প্ৰণাম কৰি ক'লে "বাপ, আমাকো আপুনি যেন আপোনাৰ পুত্ৰসকলৰ ভিতৰৰে এজন বুলি মানিব।" এই কথা শুনি শঙ্কৰদেৱে প্ৰেমাকুল হৈ ক'লে, "শুনা বড়াৰ পো, পুত্ৰ-ভাৰ্য্যা, ধন-জন সকলো অনিত্য, সকলো কালে হৰি নিয়ে; অনিত্যৰ সমান তুমি কিয় হ'বা? তুমি আমাৰ প্ৰাণ-বান্ধৱ বুলি জানিলা।" এইবুলি তেওঁ মাধৱদেৱক আলিঙ্গন কৰি, তেওঁৰ মূৰ শুঙি প্ৰেমাকুল হৈ তেওঁক বিদায় দি নাও মেলি দিলে।" (বেজবৰুৱা, শ্ৰীশঃ আৰু শ্ৰীমাঃ, ২০৪ পিঠি)।

"বিষয় সম্বন্ধ সুখ সমস্ত যোণিত পায়
হৰি সেৱা একো স্থানে নাই" ২৮।
নাঃ ঘোঃ।

এই হৰি সেৱা-ৰূপ বৰ নাৱেৰে ভৱ-বৈতৰণী পাৰ কৰি দিয়া কৰ্ণধাৰ গুৰুৰ প্ৰতি প্ৰগাঢ় ভক্তি অবিহনে ধৰ্ম্ম-সিদ্ধি নহয়। "বিনে গুৰু চৰণ ভকতি-বকতি মুকুতি কবহু নহোই"-(ভটিমা)। শ্ৰীমাধৱদেৱৰ এই গুৰু-ভক্তি অতি আদৰ্শনীয় আৰু তেওঁ



এজন আদৰ্শ শিষ্য। এই শিষ্যত্ব গ্ৰহণ কৰাৰ আগতে তেওঁৰ বিয়াৰ বাবে কন্যা আদি সকলো থিৰ হৈছিল, কিন্তু পাচত আৰু তেওঁ বিয়া নকৰালে—বিষয়ী জীৱনৰ সীমাত ভৰি দিলেই জানোচা তেওঁৰ গুৰু-সেৱা আৰু কৰ্ত্তব্যৰ কিবা হানি ঘটে! কোনো ত্ৰুটী নোহোৱাকৈ তেওঁ গুৰুক সকলোপ্ৰকাৰে আমৰণ সেৱা কৰিছিল। শ্ৰীমাধৱদেৱৰ মানত শ্ৰীশঙ্কৰদেৱ যে শ্ৰীকৃষ্ণৰ প্ৰতিনিধি স্বৰূপ মাথোন, তাক সহজে অনুমান কৰিব পাৰি।—

"ত্ৰিভুৱন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংশ।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ॥
* * *
কি কহব শঙ্কৰ দেৱৰ মহিমা
জানি অন্ত নপাই।
যাকেৰি চৰণক ৰেণু শিৰে পৰশি
মুকুতি সুখে সুখ পাই॥"

শ্ৰীশঙ্কৰদেৱে যি আদৰ্শক বাস্তৱত পৰিণত কৰিছিল, শ্ৰীমাধৱদেৱে সেই বাস্তৱকে আকৌ আদৰ্শ স্বৰূপে দাঙি ধৰিছিল; শ্ৰীশঙ্কৰদেৱ একাধাৰে গৃহী আৰু সন্ন্যাসী আছিল, কিন্তু শ্ৰীমাধৱদেৱে গুৰুৰ এই আদৰ্শ প্ৰচাৰ কৰিবৰ কাৰণেই আজীৱন জ্ঞান-যোগী ব্ৰহ্মচাৰী ৰূপে কাল কটাইছিল। সেইদেখি আমি ক'ব পাৰোঁ, শ্ৰীশঙ্কৰে realised the ideal আৰু শ্ৰীমাধৱে idealised the real; শ্ৰীশঙ্কৰৰ আদৰ্শ—

"Type of the wise who soar but never roam'
"True to the kindred points of heaven and home" (—Words worth )

—আৰু শ্ৰীমাধৱদেৱৰ আদৰ্শ—"Singing still doth soar, and soaring ever singest." ( Shelley )। দুয়োটাৰ মূলত পাৰ্থক্য একো নাই।

দুইৰো কৰ্ম্ম-জীৱনৰ গতি-বিধি আলোচনা কৰি চালে ক'ব পাৰি, শ্ৰীশঙ্কৰ তেজোময় সূৰ্য্য, শ্ৰীমাধৱ তাৰ কিৰণমালা; শ্ৰীশঙ্কৰ মূৰ্ত্ত শক্তি, শ্ৰীমাধৱ তাৰ গতি। শ্ৰীশঙ্কৰদেৱে শ্ৰীমাধৱক কোনো উপায়েই বিয়া কৰাবলৈ সৈমান কৰাব নোৱাৰি এবাৰ এই মৰ্ম্মে কৈছিল—'বড়াৰ পো! যুদ্ধ জিকিবলৈ হলেও নিজ ঠাই কেউফালে গড় মাৰি থৈৰি লব লাগে, গতিকে তুমি বিয়া কৰোৱাঁ।' শ্ৰীমাধৱদেৱে ক'লে, 'বাপ! গড় মাৰি লৈ যুদ্ধ কৰি যি জিকে তেওঁ ৰথী; কিন্তু গড় নমৰাকৈ যুদ্ধ কৰি যি জিকে তেওঁ মহাৰথী।' শ্ৰীশঙ্কৰদেৱে এই উত্তৰত অলপ অপ্ৰস্তুত হোৱাৰ দৰে হৈ থওৰ ভাওজুৰি ক'লে, 'বড়াৰ পো, কি সাহত তুমি এনে উত্তৰ দিব পাৰিলা? শ্ৰীমাধৱদেৱে প্ৰণাম জনাই হাঁহি মুখে ক'লে, 'মোৰ গুৰু শ্ৰীশঙ্কৰৰ দুটি পাৱৰ সাহত।'

প্ৰকৃততে শ্ৰীমাধৱদেৱ এজন পৰম আদৰ্শ বৈষ্ণৱ; বৈষ্ণৱধৰ্ম্মৰ পৱিত্ৰ জেউতি তেওঁৰ জীৱনত সকলো ভাৱে প্ৰতিভাত হোৱা দেখা যায়। "তৃণাদপি সুনীচেন, তৰোৰিব সহিষ্ণুনা" আদি বৈষ্ণৱৰ সকলো লক্ষণ তেওঁৰ আছিল। তেওঁৰ জীৱনটোৱেই ত্যাগ আৰু দাস্য ভক্তিৰ এটি অতি জ্বলন্ত চানেকি। বৈষ্ণৱধৰ্ম্মৰ বাহিৰেও খৃষ্টান আৰু ইছলাম আদি ধৰ্ম্মতো এই দাস্য ভক্তিৰ আত্ম সমৰ্পণৰ আহি পোৱা যায়। শ্ৰীমাধৱৰ জীৱন সকলো প্ৰকাৰে এই এক শৰণ আৰু ঐকান্তিকা ভক্তিৰ মূৰ্ত্তিস্বৰূপ। তেওঁ পোনতে যেনেকৈ ঘোৰ শাক্ত, পাচতো সেইদৰে অতি নৈষ্ঠিক বৈষ্ণৱ!

তেওঁৰ লিখাত যদি তেওঁৰ মতত দীক্ষিত নোহোৱা সকলৰ প্ৰতি কঠোৰ বাক্য-বাণ নিক্ষেপ কৰা ক'ৰবাত দেখা যায়, তেনেহলে তাৰ কাৰণ

তেওঁৰ অত্যন্ত ঐকান্তিকতাই। তেওঁ ভাবিছিল, যি ধৰ্ম্ম বা সত্য গ্ৰহণ কৰি সমাজৰ এশৰ ভিতৰত এজনো উপকৃত হৈছে, সেই ধৰ্ম্ম বা সত্যকে সাৰটি বাকী ৯৯ জনো উপকৃত নহয় কিয়? শ্ৰীমাধৱদেৱে, নিজৰ সম্পূৰ্ণ বিশ্বাস নজন্মাইলৈকে কোনো সত্য গ্ৰহণ নকৰিছিল, আৰু এবাৰ তাত ভাল বিশ্বাস জন্মিলে অকপটভাবে সেই বিশ্বাস তেওঁ সকলোৰে মাজত প্ৰচাৰ কৰিবলৈ প্ৰাণপণে যত্ন কৰিছিল।

এই ক্ষণজন্মা পুৰুষসকলে মানুহৰ মাজত জন্ম ধৰি মানুহ স্বৰূপে বিচৰণ কৰিলেও সাধাৰণ লোকতকৈ এওঁলোকৰ শক্তি আৰু বুদ্ধি বল ইমান বঢ়া যে আমি তেওঁলোকৰ কাষ চাপিব খুজিলেই নিজক সকলোপ্ৰকাৰে বাওনা আৰু থিহিৰা লগা বুলি অনুভৱ কৰোঁ। সেইদেখিয়েই আমি তেওঁলোকৰ পৰা সদায় আঁতৰি থাকিবলৈ ইচ্ছা কৰি তেওঁলোকক ঈশ্বৰ-অৱতাৰ, অতিমানৱ, মহামানৱ, মহাপুৰুষ আদি নামে অভিহিত কৰোঁ; কিয়নো, সেয়ে নহলে তেওঁলোকক 'মানুহ' বুলি আমাৰ 'মানুহ' নাম কোনোমতে ন্যায়সঙ্গত বুলি ভাবিব নোৱাৰোঁ। মহাপুৰুষ শ্ৰীমাধৱদেৱৰ মন আৰু ধৰ্ম্মমত প্ৰশান্ত মহাসাগৰৰ দৰে গভীৰ; আমাৰ সাধাৰণ বিদ্যা বুদ্ধিৰে তাৰ পৰিমাণ লবলৈ যোৱা, বাঁহৰ কাঠি এডালেৰে সাগৰ জুখিবলৈ যোৱাৰ দৰেই হাঁহি উঠা হব পাৰে। তথাপি সেই চেষ্টা নিন্দনীয় নহয়, কিয়নো তাত জ্ঞান-বুদ্ধিৰ হীনতা থাকিব পাৰে, কিন্তু শ্ৰদ্ধা-ভক্তিৰ দীনতা নাই; আৰু অকপট ভক্তি থাকিলে কিমানখিনি কাম সিজে, তাক মহাপুৰুষসকলে নিজৰ জীৱনৰ আদৰ্শ আৰু শিকনিৰে আমাক শিকাই গৈছে। সেই মহাপুৰুষ শ্ৰীমাধৱদেৱৰ শ্ৰীচৰণত আজি তেওঁৰ পৱিত্ৰ তিৰোভাৱ তিথি উপলক্ষে এই দীনহীন সেৱকৰ হিয়াভৰা শতকোটি নমস্কাৰ !!—

"ওহি পৰম তত্ত্ব বেদকো বাণী,
জানি নৰ নকৰ বিৰাম।
ধৰমক কৰমক গৰবক ছোৰি
ডাকি বোলহু ৰাম ৰাম॥"

শ্ৰীমাধৱদেৱৰ তিথি,
ভাদ, ১৮৫২;
উত্তৰ লখীমপুৰ।
} শ্ৰীডিম্বেশ্বৰ নেওগ।

---

## শিশু আৰু বসন্ত

অ' বসন্ত অ' বসন্ত
কোচত সেয়া কি?
ৰঙা নীলা ফুলৰ মালা
লৈ আহিছোঁ সি।
পিন্ধাই দেচোন লতাৰ থোপাত
কুঁহি পাতৰ কোমল থোপাত
চাওঁ আমি চকু ভৰি ৰূপহ ছবিটি॥

অ' বসন্ত অ' বসন্ত
সজাত সেয়া কি?
মিঠা মাতৰ মৌ সৰোৱা
কুলি কেতেকী।
এৰি দেচোন গছৰ ডালত
ঢেও ধৰি নাচক তালত
আমিও নাচোঁ ছেৱে ছেৱে হাত চাপৰি দি॥




অ' বসন্ত অ' বসন্ত
হাতত সেয়া কি?
ৰমক্ জমক্ তৰা ৰচা
সোণ পখিলাটি।
দে দেচোন ফুলৰ মেলত
সানক ৰেণু চিকুণ গালত;
ফুলে ফুলে ফুলৰ চুমা কৰক নিয়া-নি॥

অ' বসন্ত অ' বসন্ত
মুঠিত সেয়া কি?
সোণৰ টেমাত ভৰাই অনা
স্বৰ্গৰ হাঁহিটি।
বিলাই দেচোন প্ৰাণে প্ৰাণে
হাঁহোঁ আমিও আনে-বানে;
হাঁহিৰ আজি উজান উঠক
চুপাৰ বুৰাই দি॥ —মিত্ৰদেৱ

---

## বোৱা-কটা


সভ্য জগতৰ সকলো দেশত লজ্জা নিবাৰণ কৰিবলৈ কাপোৰ বৈ-কাটি লোৱা প্ৰথা আছে। আমাৰ আসাম প্ৰদেশতো অতীজৰ পৰা সেই প্ৰথা চলি আহিছে, এনেকি আসামৰ পৰ্ব্বতীয়া জাতিবিলাকৰ ভিতৰতো যে বোৱা-কটা ঘৰুৱা শিল্পৰ বিশেষ আদৰ আছে তাৰ প্ৰমাণ "আবৰ-জীন" আৰু "মিৰি-জীন" ইত্যাদি মোৰৰ কাপোৰেই জাউতি-যুগীয়াকৈ দি আহিছে। কিন্তু বৰ্ত্তমান যুগৰ উন্নতি-সোঁতৰ লগে লগে সকলো দেশতেই সেই প্ৰণালীৰ সাল-সলনি হবলৈ ধৰিছে। এই খিনিতেই কবলৈ হ'লে আমাৰ দেশত আজিলৈকে সেই সোঁত বোৱা নাই। আগেয়ে যি আছিল সেয়েই চলি আছে। আমি আগৰ পৰা চলি থকা প্ৰণালীৰে কাপোৰ বৈ আমাৰ অভাৱ দূৰ কৰা সম্পূৰ্ণ অসম্ভৱ। সেইবাবে বোৱা-কটা শিল্পৰ উন্নতি সাধন কৰাও আমাৰ এটি প্ৰধান জাতীয় কৰ্ত্তব্য। উন্নতি বোলোঁতে আমি যি কাপোৰ বওঁ তাকেই খৰকৈ বব পৰা হব লাগিব। আমাৰ যি অসমীয়া শালখন আছে তাৰ সকলো সঁজুলি বাঁহ বা তামোলৰ খুঁটি, ছালি-মাৰি, সাঁকো-মাৰি, টোলোঠা, চিৰি, 'ৰ' কাণ-মাৰি আৰু পুতল ইত্যাদি ৰাখি কেৱল অসমীয়া দোৰ্পাতিখনৰ ঠাইত উন্নত ধৰণৰ একোচটা দোৰ্পাতি সজাই লোৱা উচিত। তলত তাৰ এটা চিত্ৰ দিয়া হ'ল :—



উন্নত প্ৰণালীৰ দোৰ্পাতি ( Slay )

ই সম্পূৰ্ণ কাঠৰ তৈয়াৰী। ২॥'।৩' ফুট ওখ। তিনি ফুট ওখ হলে সকলো বিধ সক ডাঙৰ শালত লগাব পাৰি। দোৰ্পতিখন আঁৰিবলৈ ৩"×১" ছচটা দিয় কাঠ থাকে। ই ৩' ফুট ওখ, ওপৰৰ ফালে আধা ইঞ্চি অন্তৰত সৰু লোৰ বা বাঁহৰ শলা সোমাব পৰা বিন্ধা কৰা থাকে। সেই শলা বা গজালৰ ঠাই ছয়োফালে সলনি কৰি দোৰ্পতিখন উঠা-নমা কৰাব পাৰি। এই দোৰ্পতিৰ তলফালে এডাল পোন আৰু গধুৰ কাঠ থাকে; ই ৩" ইঞ্চি বহল কিন্তু সমান শকত নহয়। সমুখৰ ফালে শকত আৰু পিচৰ ফালে চাল খোৱা হৈ কিছু পাতল। সমুখৰ ফালে ২" ইঞ্চি আৰু পিচৰ ফালে ১॥" ওখ। ইয়াৰ ওপৰেদি মাকো চলাচল কৰে বুলি ইয়াক দোৰ্পতি-কাঠ ( Slay race ) বোলে। দিয় কাঠ ছচটাৰ মাজত বঁাচ বহুৱায়। ইয়াৰ ভিতৰত যিমান ইঞ্চি ফাঁক থাকে সেই দোৰ্পতিখন সিমান ইঞ্চিৰ। ৬০" ইঞ্চি তাঁত-শাল মানে ৬০" ইঞ্চি দীঘল বঁাচ বহুৱাব পৰা তাঁত-শাল ( 60" reed space loom ). বঁাচ বহুৱাবলৈ দোৰ্পতি-কাঠৰ সমুখৰ পৰা ২" ইঞ্চি অঁাতৰত বাচৰ কাঠিৰ বাহুলৈকে সোমাই যাব পৰা এটা আধা ইঞ্চিৰ খাল দীঘে দীঘে কটা থাকে। বঁাচখনৰ ওপৰৰ ফালেও ২"।২॥" ইঞ্চি বহল, তল ফালে দীঘে দীঘে খাল কটা বেলেগ এচটা কাঠ বহুৱাই লয়। সেই কাঠ চটাক মুঠি-কাঠ ( reed cap ) বোলে।

মুঠি কাঠ চটাৰ দুয়োমূৰে ঘাট কটা থাকে। সেই ঘাট দোৰ্পতি অঁৰা কাঠ ছচটাত লগোৱা থাকে। বঁাচখনৰ এফাল দোৰ্পতি-কাঠৰ খালত আৰু আনফালে মুঠি-কাঠৰ খালত সুমাই দিয়ে। দোৰ্পতিখনৰ দুয়োমূৰে দুটা বাকচ থাকে। ইয়াত হাতেৰে মাকো মাৰি বব নালাগে; কেৱল জৰিত সোঁহাতে ধৰি টানিলেই মাকোটো এটা বাকচৰ পৰা সূতাৰ জাল বা জাকীৰ ( Shed ) ভিতৰেদি লৰ মাৰি আনটো বাকচ পায়গৈ। তেতিয়া বাওঁহাতে দোৰ্পতিখন ধৰি তাৰি দিয়ে। এতেকে জাৰ যিমান সোনকালে টনা যায় মাকো সিমান সোনকালে চলাচল কৰে; আৰু ইফালে কাপোৰো খৰকৈ বোৱা হয়। হাতেৰে মাকো চলাই মিনিটত ৮।১০ টা মোৰ দিব পাৰি, কিন্তু ওপৰত দেখুৱা দোৰ্পতিৰে মিনিটত ৮০।৯০ লৈকে দিব পাৰি। এতেকে আমাৰ প্ৰতিখন অসমীয়া শালতেই একোখনকৈ উন্নত প্ৰণালীৰ দোৰ্পতি লগোৱা উচিত।



অসমীয়া শালত উন্নত দোৰ্পতি।



ওপৰৰ ছবিত যি দেখিছে, ই এখন অসমীয়া শাল। তাৰ সকলো আহিলা-পাতি সম্পূৰ্ণ অসমীয়া ধৰণৰ; কেৱল অসমীয়া দোৰ্পতি চটাৰ সলনি এখন উন্নত দোৰ্পতি সলাই লৈ এজনী ১০ বছৰীয়া ছোৱালীয়ে তিনি হাত বহলৰ জাৰ-কাপোৰ বৈছে। হাতেৰে মাকো চলাই ববলৈ হলে ১॥।২ হাত বহলৰ কাপোৰখনত যিমান সময় আৰু পৰিশ্ৰম লাগে, তিনি হাতৰ খনত তাতকৈ বেচি সময় আৰু বেচি পৰিশ্ৰম লাগে। কাৰণ ২ হাতৰ খনতকৈ ৩ হাতৰ খনত শিপিনীয়ে বহা ঠাইৰ পৰা গাটো বেচিকৈ কাতি কৰি বলেহে মাকো মাৰি পঠালেহে আনফাললৈ আহে। নহলে সূতাৰ জালৰ মাজতেই থাকিব পাৰে। কিন্তু উন্নত দোৰ্পতিত জৰিত ধৰি টান মাৰি মাকো চলাবলৈ হলে ২ হাতৰ খনত যিমান ৩ হাতৰ খনতো সিমানেই বল লাগে। তদুপৰি শিপিনীয়ে গা কাটি নকৰাকৈ এঠাইতে বহি যিমান ইচ্ছা কৰে সিমান খৰকৈ বব পাৰে।

উৰা-মাকো অসমীয়া মাকোতকৈ কিছু ওখ; সেইবাবে জাল ( Shed ) ডাঙৰ হোৱা উচিত। সেই অনুসৰি বঁাচ আৰু ব-ৰ ঘৰ ডাঙৰ কৰি লব লাগে। বঁাচৰ ঘৰ অতি কম ৪।৫ আঙুলি আৰু ব-চুডাৰ বেৰ ( Circumference ) ৭।৮ ইঞ্চি হোৱা উচিত।

আমালোকৰ হাতে তোলা 'ব'-ৰ সলনি যদি এজুটী ( ৪ খন ) বন্ধা ব কিনি লব পৰা হয়, তেন্তে তাৰ পৰা নানা মোৰৰ কাপোৰ বব পাৰি আৰু ইফালে ববলৈও বৰ উজু হয়। তলত বিশেষ লাগতিয়াল সঁজুলিবোৰৰ অসমীয়া আৰু ইংৰাজী নামেৰে সৈতে দাম দিয়া হ'ল :—

(১) ৬০" ইঞ্চি দোৰ্পতি ( Slay ) দাম—৭॥০
(২) মাকো ( Shuttle ) " —১৶০
(৩) মহুৰা ১২টা ( Pirn ) " —॥৵০
(৪) "ব" এজুটী ( One set heald " —৫৲
(৫) বঁাচ ( Reed ) " ২৲, ৫৲
( দুটকাৰ পৰা পাঁচ টকালৈকে )
(৬) নাচনি ( Pulley ) ৪টা প্ৰতিটো " —॥৵০

শ্ৰী ডি. মেধি এ, জি, ডবলিউ, আই।

---

# চকীয়ালৰ বুৰঞ্জী।

আমাৰ "আহোমৰ দিন" লিখিবলৈ, পুৰণি বুৰঞ্জী আদি সংগ্ৰহ কৰোঁতে আমাৰ হাতত এখনি সৰু বুৰঞ্জী পুথি পৰেহি। বুৰঞ্জীখনিত বিশেষকৈ বৰচকী সম্বন্ধীয় কথা আছে,—আৰু তাক "চকীয়ালৰ বুৰঞ্জী" বুলি জানে। পুথিখনি বেচি পুৰণি নহয়,—১৭৩৩ শকত লিখা; লিখকজনৰ নাম লম্বোনাথ। পুথিখনিৰ বৰ্ণিত বিষয় আগা-ডেৰা,—কথাবিলাকৰো বিশেষ শৃঙ্খলতা নাই। পুৰণি তথ্য অনুসন্ধান কৰোঁতাসকলে জানিবলগীয়া কিন্তু অনেক কথা আছে, সেইবুলি "পত্ৰিকা"ত প্ৰকাশ কৰা গ'ল।

—(১)—

## "শ্রীশ্রীকৃষ্ণায় নমঃ।"

"শ্রীশ্রীস্বৰ্গনাৰায়ণ দেৱ ঈশ্বৰ ৰাজাধিৰাজা ৰাজেশ্বৰ ৰাজেন্দ্ৰীয় নৰানাং নৰেশ্বৰ ঈশ্বৰ।"

"শ্রীশ্রীদেশ বিভাগি" * জনা ডাঙ্গৰীয়া শ্রীযুত ৰবাগী বৰবৰুৱা দেশৰ বৰ নবাব।

৺দেৱৰ মধ্য † ভাতৃ, ৰহাৰ বৰুৱা, কটকী বড়া, মনাই টেকেলা, চকীয়ালৰ বড়াইত। এই পাঞ্চ ৰজা বিগুমানে ৺দেৱৰ আজ্ঞাই শোধে।

'অ' আগিয়াচুৰাং,—তুমি যেথনে আহা, তেথনে তোৰ শ্রীশ্রীহিবিম্বা হিৰিম্বেশ্বৰ মহাৰাজা মহাৰাণী পাত্ৰ মন্ত্ৰী গো-ব্ৰাহ্মণ কুশল?" আগিয়াস্তবাং—"অ ৺দেৱ,—আমি যেথনে আহো তেথনে কুশ।" আমাৰ পাঞ্চ—"আৰু তোৰ হিৰিম্বেশ্বৰ মহাৰাজাৰ চতুৰ পাশে অনেক শত্ৰু আছে, সেইবা কোনো পৰাভাৱ আচৰিছেনা?" আঃ স্ত :— ‡ "অ ৺দেৱ,—দেৱৰ কৃপাত গোসাই গোসানীৰ বলত কোনো শত্ৰুৰ পৰাভাৱ আচৰিবে পাৰিবেনা। নিৰ্ভয়ে গো-ব্ৰাহ্মণক প্ৰতিপাল কৰি মহাৰাজা কুশলে আছে,—আৰু পথশ্ৰমে হাবি আসন্তে কিছু ভয়ভ্ৰান্তি পাইলাম না। নিৰ্ভয়ে পৌছিলাম। অ ৺দেৱ,—৺দেৱৰ তেজ শক্তিৰ বলত কিছু শ্ৰম ভয় পাইলাম না।" আঃ পাঃ— § "আৰু পূৰ্ব্বে তোৰ হিৰিম্বেশ্বৰ মহাৰাজা ৺দেৱৰ চৰণত যিৰূপে সেৱা জনাই আছে, সেয়ে আহিছে বা নাই?" আঃ স্ত :—"অ ৺দেৱ,—

"ভগা ৰাজ্যৰ ভগা দেশ কিছু নাই; যি পাৰি গাছৰ ফুল মাঠাৰ চুল, এয়েৰে সেৱা জনাইবাৰ নিমিত্তে আহিছোঁ।" আঃ পাঃ—"তামোল পান, ফুল চন্দন দেগৈ,—ভাত, মাছ খাই বাছা ঘৰে জুৰাই থাকগৈ। আৰ সমাছাৰ পৰে দিয়া যাব। এই সমাছাৰ ৰহাৰ বৰুৱাক কৰিবি। আৰু সন্দেশ-পত্ৰ নাহিলে দাই ধৰিব পাই। অ আগিয়াস্তবাং,—তই যে হাতি, ঘোৰা সন্দেশপত্ৰ নাই বুলি কৱ এনে অনিবন্ধ কৱ নাপাৱ। পূৰ্ব্বে ৰাম-অৱতাৰত শ্রীৰাম গোসাই বনত ভ্ৰমি ফুৰন্তে সীতা দেৱীক মায়া-ছলে ৰাৱণে হৰি নিলে,—লঙ্কাপুৰত থলেগৈ। পুনৰ শ্রীৰাম গোসাই অনেক সৈন্য-সেনা দি সাগৰত সেতু বান্ধি লঙ্কাপুৰ চন কৰি সীতা দেৱীক উদ্ধাৰি আনি শ্রীৰামৰ চৰণত সমৰ্পিলেহি। তেমন প্ৰকাৰে পূৰ্ব্বে ৰুদ্ৰসিংহ স্বৰ্গদেৱতা অনেক লোকৰ সৈন্য-সেনা দি, ৰবাগী বৰবৰুৱাক সন্তোষ কৰি পঠাই, জয়ান্তপুৰ চন্ কৰি ৰাজা তাম্ৰধ্বজক উদ্ধাৰি আনি, ৰামসিং ৰজাক ধৰি আনি, বিশ্বনাথ ক্ষেত্ৰত শৰ্ণাপন্ন কৰালেহি। তেতিয়াই তোৰ ৰজা কবুল কৰি আছে,—বছৰ—সেৱা ২টা হাতি, ২টা ঘোৰা, ৪০টা মানুহ ২টা বৰুৱা,—আৰু মাণিকী মাধৱাং পৰা ভূমি উছৰ্গি দিছোঁ,—আতে গজ-মুক্তা বহু পোৱাল যি উপজে স্বৰ্গী বোপা ৰজাৰ,—আৰু যমুনাৰ পাৰহৈ হাতি ঘোৰা মৰিলে ৺দেৱৰ ঠাইলৈ মানুহ দাস্ত ফান্দ দিব,—আৰু যমুনাৰ সিপাৰে হাতি ঘোৰা মৰিলে আমাৰ ঠাইলৈ দাম ফান্দ দিব,—পুনৰ হাতি, ঘোৰা দিয়া যাব। হিৰিম্বেশ্বৰ মহাৰাজাৰ কবুল। আৰু শুনিয়াছো শাস্ত্ৰৰ সম্মত ত্ৰিসায়ে গজিন্দ্ৰে স্নান পান কৰিবাৰ নিমিত্তে সৰোবৰে নামিলেগৈ। তাতে আসি দুষ্ট গ্ৰাহে ধৰিলে। দশ হাজাৰ বছৰ যুদ্ধ কৰি এড়াইতে নাপাৰে। ভগৱন্ত আসি গজিন্দ্ৰৰ পাশে মিলিল। তেথনে পদ্ম গোটা শুন্দে ধৰি উপৰক তুলি গজিন্দ্ৰে শৰণা লৈলে ত্ৰাহি ত্ৰাহি জগন্নাথ বুলি। এতেকে গোবিন্দে গৰুড় স্কন্ধে চৰি, হাতে চক্ৰ ধৰি, গ্ৰাহসমে তৰক তুলি চিড়িলন্ত গ্ৰাহমুখ। গজিন্দ্ৰক উদ্ধাৰ কৰিলে। এতেকে গজিন্দ্ৰে মুকুতি লভিলা। সেই পদ্ম কৃষ্ণৰ চৰণৰবিন্দ পুজিয়া আছে ইতি। আজি ঘোৰা, হাতী সন্দেশ-পত্ৰ নাই বুলি কৱ নাপাৱ।

"আৰু শুনিয়াছো শাস্ত্ৰৰ সম্মত,—দশৰথৰ পুত্ৰ ৰাম লক্ষ্মণক মহিৰাৱণে হৰি নিয়া পাতাল-পুৰত বন্দি কৰি থৈলে। বেতাল চন্দিৰ পুজাৰ বলি দিবাৰ নিমিত্তে। বায়ুসুত কপিয়ে অনেক শ্ৰমে বিছাৰ কৰি মংসৰাঙা পক্ষীৰ সমে বাত্ৰা পায়া, তাৰ সঙ্গে মক্ষিকাৰূপে পক্ষীৰ পাখীতলে ৰহি এক বুৰ দিয়া সাগৰ তৰিল। বৃদ্ধ ব্ৰাহ্মণ-ৰূপে নগৰ পশিলা। দেশস্থলৰ ভবিষ্যত বুজিয়া তেক্ষণে মক্ষিকাৰূপে কৰ্ণ-পথে প্ৰৱেশ কৰিলা। তেমন প্ৰকাৰে ভকত ধুলি সাগৰ দুই বৈৰাগীয়ে দেশান্তৰ হৈয়া ৰাজা তাম্ৰধ্বজক প্ৰৱেশ কৰাইলা।

"আৰু শুনিয়াছো,—ভাৰতৰ কথা, কৌৰৱ-পাণ্ডৱৰ সংবাদ। মুঢ়মন্ত্ৰী শকুনি কূট-পাশা খেলি দোৰ্য্যোধন ৰাজা কৌৰৱে পাণ্ডৱক দ্ৰোপদী সমে বনবাসে পাঠাইলা। গছৰ বাকল পৰিধান কৰি, অনেক নিকাৰ ভুঞ্জি, বহু শ্ৰম পাইলা। কৃষ্ণৰ চৰণৰবিন্দত ভক্তিভাৱে ভজিলা। এতেকে কৃষ্ণ প্ৰসন্ন হৈলা। ভীম, অৰ্জ্জুন, নকুল, সহদেৱ, ধৰ্ম্ম যুধিষ্ঠিৰ দ্ৰোপদী সমে নাৰীগণ যত আছে, গ্ৰাম ভূমি সমে নিবেদিলা কৃষ্ণৰ চৰণৰবিন্দত। এতেকে ভগৱান প্ৰসন্ন হৈলা। দোৰ্য্যোধন সমে উনশত কৌৰৱক সংগ্ৰামে মাৰিয়া পাণ্ডৱক ৰাজ্য দিলা। সেই শ্রীকৃষ্ণ আসিয়া শ্রীভীমসেন আসিয়া ৰুদ্ৰসিংহ ৺দেৱতা ৰবাগী বৰবৰুৱাদেৱ এই অংশে জন্ম হইয়া, তোৰ ৰাজাক ৰাক্ষসৰ গৰ্ভৰ পৰা উদ্ধাৰি আনি ৺দেৱৰ চৰণত জাত কৰালেহি। এতে-কেহে পিতা-পুত্ৰ সম্বন্ধ ঘটি আছে। এতেকে তুৱাবে এই সংবাদ দিব নাপাৱ।

"পূৰ্ব্বে ৰাজা তাম্ৰধ্বজে কেনে ৰূপাৰ আলি কৰিয়াছে,—তাতে অনেক পুৰুষে প্ৰবৰ্ত্তিয়া গৈছে। অদ্যাপিও সেই আলি জ্বলি আছে। পূৰ্ব্বে ৰাজা তাম্ৰধ্বজ পাণ্ডৱবংশী ৰাজা,—দেৱ ঈশ্বৰ ইন্দ্ৰৰ সন্তান,—৺দেৱৰ চৰণৰবিন্দত শৰ্ণাপন্নে কবুল কৰি আছে। আৰু ৺দেৱ ঈশ্বৰ জয়ধ্বজ ৰাজাৰ দিনত মোমাই তামুলীৰ দিনত বৰবৰুৱা নাম হৈছে। আগেয়ে বড়বৰা নাম। ইতে তিলকুশ ধুপ-দীপ দুৰ্ব্বা লৈ বিশ্বনাথ ক্ষেত্ৰত হাত জুবুৰিয়াই কবুল কৰি আছে। এতেকে তুৱাবে হাতী ঘোৰা সন্দেশ পত্ৰ নাই, ক'ব নাপাৱ। আৰু লাও তল যাব,—শিল ওপঙিব, কোৱা বগা হ'ব, ব্ৰহ্মপুত্ৰ উলটি গতি কৰিব, বগ ক'লা হ'ব, তবে কি মোৰ কবুল চাৰিবে,—না। তোৰ ৰজাৰ কবুল গজ-দন্ত। ৺দেৱৰ চৰণলৈ চাই মই কি মুখে জনাম,—আৰু তই বা কি সন্তোষ পাবি। আৰু তোৰ মহাৰাজা গো-ব্ৰাহ্মণ নৰ-নাৰী প্ৰজা কিৰূপে ৰক্ষা পাব। এইৰূপে ৰহাৰ বৰুৱাৰ জবান সমাচাৰ কৰিবি, আৰু পূৰ্ব্বে ৺দেৱ ঈশ্বৰে আজ্ঞা কৰিছে।"

—(২)—

চেকনিয়ালৰ বৰদলৈ, ডাবলো মাজি শিলপনিয়াৰ তৌৰা, কমৰা মুদৈ, এই চাৰি ঘৰ আহম ৺দেৱ খোৰা ৰজাৰ সাতো কুঁৱৰীৰ বাৰ পাতি গাওঁ তোলা। ৺দেৱে ভাতৃ লাঙি গোহাইদেৱ। খোৰা ৰজাৰ অবিহনে ভাতৃক নাম দিলে জয়ধ্বজ ৰজা।

মোমাই তামুলী বৰবৰুৱা দেৱেনো কি কি কাম কৰিলে:—অভয়পুৰীয়া মানুহ গোৱাহাটী আনিলে, গোৱাহাটীৰ মানুহ গড়গাঁয়া কৰিলে,—আৰু তেলি,

---

* ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত ৰবাগী বৰবৰুৱাই দেশবিলাক ভাগ ভাগকৈ পাতে, সেইবুলি এইজনা বৰবৰুৱাক "দেশ বিভাগী" বুলিছে।

† "৺দেৱৰ মধ্য-ভাতৃ"—অৰ্থাৎ ৰুদ্ৰসিংহ ৰজাৰ মধ্য-ভ্ৰাতৃ,—কাক বুলিছে বুজিব পৰা নগ'ল। বুৰঞ্জীয়ে তেখেতৰ একমাত্ৰ ভ্ৰাতৃ লেচাই গোঁহাইৰ নামহে কয়!

‡ আগিয়াস্তবাং।

§ আমাৰ পাঞ্চ।

মালি, ধোবা, নাপিত, চমাৰ, কমাৰ, তাঁতী, সোণাৰী, সকলো জাতিৰ মানুহ ঘৰ ফালি আনি, দেশ বঢ়াই পাতিলে, নবাব ছদীমাৰ পৰা বঙ্গালৰ ছুই সীমাৰলৈকে। আৰু ৺দেৱ ঈশ্বৰে অতি দয়াতৰে বাঘৰ গাঁৱ পাতিলে। কছাৰীয়ে পুৰণি মায়ংবংত থাকি মাৰি নিলে। তেতিয়াহে ৺দেৱে বিছাৰ কৰি, দায় ধৰি পাত্ৰ-মন্ত্ৰীক সুধিলে,—বাঘৰ গাঁৱ যে কছাৰীয়ে মাৰিলে, মোকনো বাত্ৰা কিয় নজনালে? চকী পাতিনো আছেনে নাই? পাত্ৰ-মন্ত্ৰী বোলে—৺দেৱ,—চকী পাতি নাই; এতেকে বাত্ৰা জনাব নোৱাৰিলে। স্বৰ্গদেৱে বোলে, বকৰাক চকী দেগৈ?

চতুৰ পাশে চাৰে এটকা চকী পাতিলে। তাতে কাড়ী বাকৰতীৰ মানুহ ফালি দিলে। বহা জাগীলৈ মানুহ নাতিলে। টঙাদলৈ পৰমানি বাইলুং। কুকুৰাঠেং চাই পালে টেলেকাই সন্দিকৈক। ৺দেৱে চালে বাকৰে সন্দিকৈজনক বকৰা পাতিলে—বোলে তেও মই শহৰৰ লগত মোৰ দাগৰ মানুহ চাৰিঘৰ (চেনীয়াল, ডাবলু, শিল-পনীয়া আৰু কোমোৰা গধা) দিছো,—চাৰিৰ লগত চাৰি কুৰি মানুহ দেগৈ। স্বৰ্গদেৱৰ আজ্ঞায় মোমাই তামুলী বৰবকৰা দেৱে ঘৰফলা মানুহ চাৰি কুৰি দি, বড়া পাতিলে। শনিবাৰে যাত্ৰা কৰি, ভটিয়াই আহি কাজলীমুখত ৰৈ, বহা কৰি ছমাহ বেট-বাঁহ কাটি, কপিলি মুখত কুকুৰাঠেং মাৰি চকী পাতিলে। শৃগাল কোৱা সিও নাই। চাংঘৰ পাছোটা। এইৰূপে চকী পাতি প্ৰবৰ্ত্তি আছিলে। তাতে ৺দেৱে আজ্ঞা কৰিলে জয়ৰাম কটকীক,—তই যা,—সন্দিকৈ শহৰক যে বহাৰ চকী পাতিব দিছিলো, কিৰূপে প্ৰবৰ্ত্তি আছেগৈ। কটকীয়ে যায় দেখিলেগৈ চকীৰ বন্দ-ব্যৱস্থা সকলো আছে। বকৰা বড়া পাচৰো একো ভেদ নাই, চিনিব নোৱাৰি। বৰপিৰা পাৰিছে পাচখান,—তাতে বহিছে পাচোটা, মাজতে বেড়া কাহী-বাতি। তাওকিন্ চৰিয়া লৈ একেলগে খাই, চিনিব নোৱাৰি ৺দেৱৰ শহৰ টেলেকাই সন্দিকৈনো কোন জনা। পাছে দলৈয়ে দেখালে বোলে এই জনা। আৰু খোৱা লোৱা চকী পাতি বন্দব্যৱস্থা সকলো ৺দেৱৰ চৰণত কটকীয়ে জনালেগৈ।

তেতিয়া তলমূৰ কৰি লোটক জৰি পৃথিবীত পৰিলে;—৺দেৱে বোলে, ভালৰূপে প্ৰবৰ্ত্তিছেগৈ—এইৰূপে একে শৰীল হৈ থাকিলেহে শত্ৰুক জিনিব পাৰিব,—ভাল। তেৱে জয়ৰাম, যাগৈ; লৰাইতক কৰিগৈ,—সন্দিকৈ শহৰৰ মৰ্য্যাদা নহয়, মোৰহে মৰ্য্যাদা ৰাখে ✓ পাগটি একেলগে হক, পাতখনি বেলেগ লক। এইৰূপে কটকীয়ে আজ্ঞা শুনাই কাহী-বাতি তাওকিনত খোৱা বোৱাটো গুছালে। আমাৰ কাঠৰ শৰাই কঠালৰ,—এইৰূপে প্ৰবৰ্ত্তি আছিলে।

তাতে বকৰাই বোলে,—বড়াইত!—দাতিৰ পৰ্ব্বতত নিতে জুই দেখো,—তাতো গাঁৱ মানুহ আছে,—চাবলৈ যাগৈ। এইৰূপে আজ্ঞা কৰিলে। বড়াতে মানুহ লৈ, কুৰি দিন বাট কাটি চহৰী পালেগৈ। দাতিয়ালে ৰণুৱা বুলি ভাগি পলালে। তাৰে হাত ভৰি ভঙা বুঢ়া মেঠা আছিলে; সিইঁতক বোলে, তই ভয় নকৰিবি; কপিলীমুখতে ৺দেৱৰ আজ্ঞায় ৺ৰ মন্ত্ৰী এজনা আছে তাৰেকে তইতে অহা যোৱা কৰি থাকিবি; আমি এৰে সৈতে একে মিত্ৰতা হৈ থাকিম। তাৰ মানুহ সকলে চাপি আমাৰ দেশৰ কথা শুধিলে বোলে—বোপাহত, তোমালোকৰ নো দেশ কেনে? আমি বোলো,—৺দেৱ ঈশ্বৰ ইন্দ্ৰৰ সন্তান; পৃথিবীত আহি নৱ ৰূপে নৰোঙ্কাৰ, আৰু ৺দেৱৰ দেশ সন্মানি ৰজাৰ পো ৰজা,—মন্ত্ৰীৰ পো মন্ত্ৰী,—সাধুৰ পো সাধু,—গাও-বাৰিকাৰ পো গাও-বাৰিকা, এইৰূপে সন্মানি ৺দেৱৰ দেশ। আমাৰ বোলে,—তহতৰ নো কেনে? সিবোৰে বোলে,—আমাৰ দেশত ৰাজাৰ পো ৰাজা হ'ব নেপায়,—জীয়ৰীৰ পোহে ৰাজা হব পায়। ৰাজাৰ পো হলে চাকৰ খাটিব পায়। আমাৰ বোলে,—তইঁতৰ দেশ ভাল নহয়—আমাৰ দেশলৈ যাবি,—তইঁতৰ ৰাজাৰ পোক ৺দেৱত জনাই ৰাজা পাতিম। এই বোলমাত কৰি মিকিৰ বাৰে ঘৰ, লালুং বাৰে ঘৰ আনি পাৰ কৰি পাতিলেহি। তাৰে মিকিৰৰ ৰথাং পোক ৰজা পাতিলে। তাৰে দা পাচখন, ৰাক পাচোখন লৈ ৺দেৱক জনালেগৈ। ৺দেৱে বোলে—মোৰ শহৰে, বড়াইতে মোৰ বৰ আপাহ কৰিলে;—মইনো ইহঁতক কি বটা দিম। জয়ৰাম কটকী আজ্ঞা দিলে,—তই যা, দোপদুৱাৰতে ভেটি বান্ধিবি, তাতে নাই খুটা পুতিবি,—তাতে টেলেকাই সন্দিকৈ বহিব, আৰু চকীয়ালৰ বড়াইত বহিব চাল পাৰি,—এই চুলিলগা দা চাৰিখন আগত পৰ। এই বটা চন্দ্ৰ-দিবাকৰলৈ থাকিব, সোণা ৰূপাৰ অলঙ্কাৰ অন্নকালে ঢুকাব;—যাবতজীয়স্তি বটা দিছো। আৰু বড়াইতৰ বাব কটকী; সিইঁতে পৰদেশীলোক আনি মোৰ সেৱকী কৰি দেশ পাতি দিছে। মিকিৰৰ ৰজাক দিবিগৈ এই চাঙ্গি,—কণ্ঠা, কালী, দোল, চুলিলগা দা। পৰে বাৰপুজিয়া ৰজাক খোলাৰ পৰা আনিহে পাতিছে। পৰে টোপাকুছিয়া ৰাজা। এই ক্ৰমে তিনিও ৰাজাৰ সন্মান। আৰু ৺দেৱৰ বছৰি সেৱা খৰ্গ এটা,—ছাল বাব খন, শিং বাব জোৰ,—তোলা তিনটা মৌ তেল,—এই বাব ক্ষতি নাই।

—(৩)—

ৰুদ্ৰসিংহ মহাৰাজাৰ দিনত বৰাগী বৰবৰুৱা দেৱে জয়ন্তা কছাৰীক আনি বিশ্বনাথ ক্ষেত্ৰত শৰ্ণাপন্ন কৰালেহি। ৺দেৱে আপাহ পাই বহা জাগী চকী দোখান বৰাগী বৰবৰুৱা দেৱক দিলে। তেতিয়াৰ পৰাহে আমি বৰবৰুৱা দেৱৰ মানুহ। পূৰ্ব্বে ৺দেৱেহে বিষয়া ভঙা পতা কৰিছিল। এতিয়া বৰবৰুৱা দেৱে ভাঙেও পাতেও। পূৰ্ব্বে সলালৰ মানুহ চাৰি শ আমাৰ চকীত আছিল; আৰু দা ধৰা এটা ৺দেৱৰ সঁজাতি আছিল। তাকে গুছাই বৰ টেকেলাটো দিলে। আৰু সলালৰ মানুহটো গুছিলত, খামোনৰ পৰা ফালি আনি জুগী চুটীয়া ৪০ ঘৰ মানুহ দিলে। আৰু তিনি ৰজাৰ তিনি কুৰি মানুহ তেতিয়াহে দিলে। আৰু পূৰ্ব্বে দিহিঙ্গিয়াৰ ঠোলোকায়ে কৰত বকৰাক কছাৰীক ধৰিবলৈ দিলে। কছাৰীয়ে ৰণ নকৰি, পুৰণী মায়ংৰ পৰা ভাগি খাছপুৰত সোমালেগৈ।

খাছপুৰত ৰজা নাই, ৰাৰেও জীয়ৰীৰ দেশ সোমালেগৈ। ৰাৰেও জীয়ৰীয়ে বোলে, তুমি আমাৰ দেশত ৰজা হৈ থাকা। এই বুলি ঘৰ বাৰী দি ৰজা পাতিলে। এতৰ্থে জয়ন্তা ৰজা ৰামসিংহয়ে বাত্ৰা পালে বোলে অসমৰ খেদাত কছাৰী ৰজাটো ভাগি আহি খাছপুৰত আছেহি। তাৰে যি দেৱী জনী আহিছে মহা সুন্দৰী। চন্দ্ৰ সূৰ্য্যতো মলি আছে, তেও দেৱীত মলি নাই। এই শব্দ শুনি কটকী ইষ্ট মিত্ৰ কৰিলে। আৰু লুইতে উজাই আহি [illegible]পুৰত থাকি কছাৰী ৰজাটো ময়ুৰধ্বজক নিয়ালে। মিত্ৰ সাক্ষাৎ হও বুলি, চৰানাৰত তুলি ভাটী মাৰি নি জয়ন্তাপুৰত উলিয়ালেগৈ। মাক্কিৰ গৰ্ত্তত তুলি বন্দি কৰি থলেগৈ। দেৱীয়ে শুনি মহা অসন্তোষ কৰি আছে। আত অনন্তৰে আমাৰ ভকতধূলি সাগৰ ছয়ো বৰাগীয়ে দেশান্তৰি হৈ খাছপুৰ পশিলে। দেৱীয়ে ছপাই নি সুধিলে বোলে, তোমালোকনো কোন দেশৰ বৰাগী? তেতিয়াই বুজি জ্ঞাত হৈ বোলে এই অসমৰ খেদাত আমি খাছপুৰ পালোহি,—পুনৰো আহি অসমে পালেহি, আমিও আতে শৰণাপন্ন হও। এই বুলি অনেক স্তুতি প্ৰাৰ্থনা কাৰপণ্য নিবেদন কৰি, পত্ৰৰ মাজে লেখি, ছুই বৰাগীলৈ সোনাৰ টেমাত ভৰি কছাৰীৰ বলোৰামক লগে দি পঠালে। মৰঙ্গিয়ে ওলাই আহি, বৰবৰুৱা দেৱক সেই পত্ৰ দিলেগৈ। সেই পত্ৰকে পাই, কছাৰী ৰজাৰ প্ৰতি প্ৰসন্ন হ'ল।

পাত্ৰ-মন্ত্ৰীক ছপাই সুধিলে, ৰুদ্ৰসিংহ দেৱতাই

বোলে শৰণীয়া কৰণীয়া এৰিব নেপাই ; কছাৰী ৰজাটো কোনে আনি দিবহি ? বৰাগী বৰবৰুৱা দেওৱে বোলে, ৺দেৱ দেৱতাৰ বন্দী আছোঁ ; মই জয়ন্তা কছাৰী দুয়ো ৰজাক শৰ্ণাপন্ন কৰাই দিম। পাছে অনেক লোক লস্কৰ সৈন্ধ-সেনা লৈ চাপা-নালাই সোমাই লুচনচৰাত ওলালগৈ। ৰুদ্ৰসিংহ দেৱতা মিছামুখত বাহৰ কৰি আছিলে। তেতিয়াহে পূৰণ ৰজাক কাণ কাটি হাতিৰ ফয়ৰে বান্ধি মিছামুখত থলেহি। আৰু পুনৰ চকীয়ালৰ বুলন বড়াই নি থাছপুৰত উলিয়ালেগৈ। উদাবৰনতে জয়ন্তা দেশৰ স্ত্ৰী এটি পালে। তায়ে কয় বোলে, অসমৰ বৰ মন্ত্ৰী আহিছে হয়,—জয়ন্তা ৰজা মহা মন্দো। সিধা সামগ্ৰিহে দিব, তাতে বিনা অন্নে ভোজন নকৰিব। সেই যে বগা পৰ্ব্বত দেখিবা, সকলো মনিষৰ মুণ্ড। আকে বুজি বৰ মন্ত্ৰী জ্ঞাত হইল। নৰতঙ্গত লেজুপৰা কোঠ কৰিলেগৈ। সাত দিন সাত ৰাতি হিচৈল ভঁায় কৰি কোঠৰ আগত মাটিৰ ডিল কৰি, সুবৰ্ণৰ পত্ৰ আঁৰি, কোঠৰ আগত কাপোৰৰ ঘৰ কৰি, বেই বাহ পুতি, সোণাৰ কলচি দি নোয়নি ঘৰ কৰি, কলপুলি, আমডালি, ঘট-টেকেলি দি, বিয়াৰ সম্ভাও কৰি, বাহৰৰীয়া কটকীক পঠালে জয়ন্তা ৰজাৰ ঠাইলৈ :

কটকীৰ জবান :—

শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ দেৱ ঈশ্বৰ ৰাজাধিৰাজা ৰায় ৰাজেশ্বৰ ৰাজেন্দ্ৰিয় নৰানাং নৰেশ্বৰ বা ঈশ্বৰ।

শ্ৰীশ্ৰীতিনিজনা ডাঙ্গৰীয়া, দেশ বিভাগী শ্ৰীযুত ৰবৰুৱা বৰ নবাব মন্ত্ৰী বৰস্থ।

৺দেও ঈশ্বৰৰ দুৱাৰে দিব্য ৰত্নময় কন্যাখানি জন্ম পালে ; দেশান্তৰি হৈয়া বৰ বেছাৰি পোৱা নাই। জয়ন্তী কুঁৱৰীৰ গৰ্ভে জয়ন্তাচাহাৰ জন্ম ধৰিছে। মহা ধৰ্ম্মবন্ত বুলি শুনিয়াছো। এই দুৱাৰে বৰ মন্ত্ৰীয়ে ৰত্নময় কন্যা লগে আনি নৰতাঙ্গত বহি আছে। পত্ৰতো এই সমাচাৰ,—আকে বুজি ৰামসিং জ্ঞাত হৈল। সৈন্য সমনীতে আহি সিধা-সমুগ্ৰহ দি ৰহিলেহি। পত্ৰ সমনীতে, তাৰ পাত্ৰ মন্ত্ৰী সমনীতে বটা ৰঙ্গময় কৰি দিলে। কো ছখান বগালে, তেতিয়াহিযে সৈন্য ঢুকালে। তিনিখান কোঠত মানুহ ৰাখিলে,—ৰামসিংহে, তাম্ৰধ্বজে, বৰকোঁৱৰে এই তিনিহে থাকিলে। তেতিয়াই চকীয়ালৰ বুলন বৰায়ে ছাৰ মাৰি ধৰি নি পহি দোলাত তুলি, ধোঁদে শৰকাই, চৰাত তুলি কিলিংয়ে আনি জাগীত উলিয়ালেহি বৰাগী বৰবৰুৱাৰ কোঠ খান হৈতে। তেতিয়াহে ৰামসিংহে বাছৰ মাংস কামুৰি খালে, আৰু তাৰ লোকে সৰকোতে বাক্তা পালে বোলে অসমে আমাৰ ৰজাক ধৰি নিলে। তেতিয়াই আমাৰ কোঠ ছখান কাটিলে। জনেকো এৰাব নোৱাৰিলে। তাৰে নগীয়া খৰঙ্গিৰ বাকৰতী ডুটা গড় এৰাই আহি, মিছামুখত বাত্ৰা কলেহি, বোলে, ৺দেৱ, বৰাগী বৰবৰুৱা দেও সমনীতে সাত খন কোঠ কাটিলে। এই বুলি কলেগৈ।

ৰুদ্ৰসিংহ দেৱতা মিছামুখৰ পৰা বিশ্বনাথলৈ উজাই গ'ল। তাতে যায় বাহৰৰিয়া কটকীয়ে বাত্ৰা জনালেগৈ,—৺দেও—বৰাগী বৰবৰুৱা দেও ওলাই আহি, জাগীতে হৈছেহি। জয়ন্তা কছাৰী দুই ৰাজাক উলিয়াই আনিছে। ৺দেওৱে বোলে, বাহৰৰীয়া, তই শীঘ্ৰে যা আনগৈ। পাছে বিশ্বনাথত আনি ৺দেওক সাক্ষাৎ কৰালেহি। তাতে কছাৰী ৰজায়ে স্তুতি প্ৰাৰ্থনা নিবেদন কৰিলে। ৺দেও,—মই এটা মনিষৰ হস্তে যতখানি সৈন্য হানী পালে, ততখানি সৈন্য মোৰ দেশত না॰ চুত ৰাজাচুাত ৰজা। আৰু সেই সৈন্য খানিক মই পৰলা চাউলকেটা দি সুধিব নোৱাৰিলো। পাছ পাত খাই যক্ষৰ গৰ্ভৰ পৰা উদ্ধাৰি আনি ৺দেওৰ গৰ্ভত জাত কৰালেহি। আজি ধৰি ৺দেৱৰ ঋণী হলো। এই ঋণ কোনকালে সুজিম। আজো মই সুজিতে নোৱাৰো। আৰু মই মাণিকি মাঙ্গৰ পৰা ভূমি উছগি দিছোঁ। আতে গজমুকুতা যি উপজে স্বৰ্গী বোপা ৰজাৰ, আৰু বছৰ



বছৰ সেৱা ২টা হাতি, ২টা ঘোৰা, ৪০টা মানুহ, ২টা ৰুৱা পালসেৱা কৰি থাকিব। এই বুলি তিল, কুশ, ধুপ, দীপ লৈ বিশ্বনাথ ক্ষেত্ৰত হাত জুৰিয়াই কবুল কৰি আছে। লাও তল যাব, শিল উপঙ্গিব, কোৱা বগা হ'ব, বগ ক'লা হব আৰু ব্ৰহ্মপুত্ৰ উলটি গতি কৰিব, তবো মোৰ কবুল ছাৰিব না। আৰু ৺দেৱে শিবসিংহকে তাম্ৰধ্বজকে দুয়োকো মাঠাত হস্তে পৰশি পুত্ৰ পালিলো হেন বুলিলে। আৰু জয়ন্তা কছাৰী দুয়ো ৰজাক উজাই নি দিমৌৰ বালিত থৈছিলে গৈ। তাতে বসন্ত ওলালে। আৰু ৺দেৱৰ উৰালৰ কাপোৰ জাপি দিলে। ই ঠাইতে ৰাজা ৰামসিং হানী পালে। তাৰে বৰ কোঁৱৰকে দোলা আৰোৱান ছত্ৰ দি থৈ গুছি গ'ল। তাকে তলাকোস বোলে। পাছে জয়ন্তা বোলে অসমৰ কবুল আতে এৰিলো, আমাৰ ৰজাটি বিষ কাপোৰ থাকি মাৰিলে। সেইকাল ধৰি জয়ন্তা কেৰেচা, সন্দেশপত্ৰ দিয়ে, হাতি ঘোৰা নাই।

আৰু বৰাগী বৰবৰুৱাক ৺দেৱে আজ্ঞা কৰিলে, তাম্ৰধ্বজক নি থাছপুৰত নগৰ কৰি দিবিগৈ,—নগৰ কৰি পাতিথৈ আহগৈ। বৰবৰুৱাই অনেক লোক-লস্কৰ সৈন্য-সেনা লৈ গুৱাবাৰীত থাকি পাতি থৈ আহি পুনৰ ৺দেৱক সেৱা কৰিলেহি। সেই আগচতে বৰবৰুৱাক বহা জাগী চকী দুখনি দিলে। তামোল পান খাবা বুলি তেতিয়াৰ পৰাহে আনি লগোৱা বুলি *কুৰিত দি ও ৰজাহাত দিয়ে,—লিকচৈৰ বাৰে গৰু দিয়ে। আৰু পূৰ্ব্বে বৰফুকনৰ গৰৰাৰ থাকোতে গোভাৰ দুৱৰীয়া লতা লেছেতী জছিলে ;—আৰু বৰবৰুৱা দেউএ চকী পালত ৰৰফুকনে গুছাই দিলে। বৰবৰুৱা দেৱে নতুনকৈ দুৱৰীয়া দিলে, সেইহে ধন তুলিব নোৱাৰিলে। পুনৰবাৰ ৺দেওলৈ জনালত ৰামজীৱন, ৰত্নকন্দলী এই দুই কটকীক বৰফুকনৰ ঠাইৰ পৰা ওহাল কাটি আনি দিলে ; তেতিয়াৰ পৰাহে ৺দেৱৰ চাউৰ ধন তুলি সোধালে। আৰু পুনৰ পাতৰ বৰফুকনে ৺দেৱৰ চৰণলৈ প্ৰাৰ্থনা কৰি জনালে, বোলে জাগীৰ ওছৰতে কুলৈৰ পৰা খাগৰিজানলৈকে বৰবৰুৱাৰ দেশ ; নগাও খৰঙ্গী মোৰ দেশ ; তালৈকে টা-টেকেলাটো পঠালে, খুটি মাৰি চাউল খাবৰ ঠাই নাই। দন্দুৱাতে চাৰিটি ঠাকুৰী আছে, তাত পাণবৰীয়াৰ ডেকা এটি ৰজা পাতি থৈছে। সেই মানুহ কেইঘৰ পালে খুটি মাৰিবলৈ ঠাই হয়। তেতিয়াই ৺দেৱে ৰামজীৱন, ৰত্নকন্দলীক দুই কটকীক পঠাই সীমা কৰি দিলে। মুৰত মলা দিলে। আশতৰ গুৰি, গৰুঘাট, কালিকাজাৰি এইয়ে সীমা। ৺দেৱৰ আজ্ঞা। ৰুদ্ৰসিংহ স্বৰ্গদেৱতা, বৰাগী বৰবৰুৱা, পাতৰ বৰফুকন, বুঢ়া বৰবৰুৱা, পৰে ৰূপচন্দ্ৰ বৰবৰুৱা, পৰে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা।

—(৪)—

( কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা ) তেওঁনো কি কি কাম কৰিলে।—লাইৰ নামৰ শিল ধৰ্ম্মপুৰ কচুৱাহাটিৰ, আৰে পৰা মানুহ ধৰি আনিলে। গাঁও ভাঙ্গি কছাৰীৰে দুৱাৰ মাৰিলে। পৰে কপলীয়ালৰ কনচেঙ্গক পঠাই কছাৰী ৰজাৰ পৰা হাতি ঘোৰা সন্দেশপত্ৰ আনি দুৱাৰ মুকলি কৰিলে। তেতিয়াহে চকধৰাৰ কাৰী টেকেলা ১০টা দি কটকীবড়া পাতিলে। তেতিয়াৰে পৰা কটকীবড়া থাছপুৰলৈ অহা যোৱা বাৰ হৈছে, পূৰ্ব্বে কটকী চকীয়ালৰ। বড়া শলালধৰা মচাৰি দাতি কাটিলে। খলা, গোভা, নেলী, চহৰী ভাগি আহি, অসম পাৰত আছিলহি। ৺দেৱত জনালত, অনেক সঁজাতি দি ১২ হাজাৰ দাতিয়াল ধৰি নিবুক্ত পাতিলেগৈ।

*"কুৰিত দি ও ৰজাহাত দিয়ে"—ইয়াৰ অৰ্থ বুজা নগল। বোধ হয় "ৰজাহাত" শব্দ "ৰাজহস্ত"ৰ পৰিবৰ্ত্তে ব্যৱহাৰ কৰা হৈছে। "কুৰিত দি ও"ৰ মানে কোনেও জনা থাকিলে অনুগ্ৰহ কৰি যেন "সাহিত্য সভা পত্ৰিকা"লৈ লিখে।

পুনৰ বকতিয়ালৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা গোভা দুৱাৰ কৰিবৰ নিমিত্তে জাগীত থাকি কামদেৱ কটকীক পঠাই জয়ন্তা ৰজাক উলিয়াই আনি গোভাৰ কুলগুৰিত পাতিলেগৈ। তাৰে পৰা উলটিলেগৈ পিতৃৰ শ্ৰাৰ্দ্ধ কৰি আহোঁ বুলি,—পুনৰ নাহিলে। পুনৰ কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱাদেৱে ৰহালৈ উজাই গ'ল। ৰহাত থাকি বেবেজিয়া ন কৰি পাতিলে। ৰহাতে হাট পাতি, পৰে বেবেজিয়া একুৰি লাক-লেঙ্গিয়া কৰি দিলে। হাটৰ সীমা পূবে—গড়ৰ চকী, পশ্চিমে—গোগ, উত্তৰে—ব্ৰহ্মপুত্ৰ, দক্ষিণে—যমুনামুখ। আত সেহা কৰে সকলো দানি পাকু ৰজাৰ ঢেকেৰী,—চকীয়াল আদানি কৰালে। কন-চেঙ্গে কথা শুনাই চকীয়াল বড়া কৃষ্ণগতিক হাত-খোৱা পাতিলে। আৰে ধন তুলি ৺দেৱৰ চাউলৈ শোধাব,—কড়ি আঘেৰ কুৰি মিকিৰ কছাৰীক খৰচ দিব। তিনি কুৰি কড়ি আৰু মণিপুৰীয়া কছাৰী দুই ৰজাক উলিয়াই আনি ৺দেৱক সেৱা কৰালেহি। আৰু ৰাজেশ্বৰ সিংহ ৺দেৱে বোলে পুত্ৰে আহি মোক সেৱা কৰিলেহি। মইনো পুত্ৰক কি দিম, সোণা ৰূপা বস্ত্ৰ অলঙ্কাৰ দিম,—অন্ন-কালে ঢুকাব। বৰুৱা, ৰহাতে যে হাটখনি পাতিছা তাৰে একালি ধন পুত্ৰৰ ঠাইলৈ দিব। বৰবৰুৱা দেওৱে লন বড়াক পঠাই আজ্ঞা শুনাই,—কছাৰী ৰজালৈ আঘেৰ কুৰি কৰি শোধাব, চকীয়াল বড়া-ইত এই আঘেৰ কুৰি কড়িৰ বাব। আৰু পুনৰ মণিপুৰীয়া কুঁৱৰী আনি বিবাহ দিলেহি ৰাজেশ্বৰ সিংহ ৺দেৱতাক; আৰু ১৮ হাজাৰ মিকিৰক আনি কৰতলীয়া কৰিলে। তাক বিল ৰহতা সকলো দিলে। আগলৈ মিকিৰ কছাৰী তেহে বংশগোট গোটাই থাকিব। তেতিয়াৰে পৰা বাব বুলি কপাহ, গোমধান, আদা, সৰিহ, কচু, কোমোৰা বছৰ সেৱা ৺দেৱৰ চৰণত জনাইছে। আৰু পূৰ্ব্বে তিনি ৰজাৰ মাটিৰ সীমা দলাইগৰ-জানে, কাঁৰমৰা শিমলু, কেঁঠাই জৰীয়ে কোমাৰজানে, উত্তৰে বাৰ ভূঞাঁৰ আলি, তাতে শেলচতে সুতা, পূৰ্ব্বে পশ্চিমে জান,—মাজতে মেটেকা থাট।—গাঁওখনি চমুৱা গেনা বৰুবাবৰুৱা, তাৰে পৰা টোপাকুছিয়াৰ সীমা। হাতী বন্ধাৰ দক্ষিণে চাকুলী আশতে সুতা বাৰপুজীয়া সীমা। পুথুৰীৰ মাজতে সুতা মিকিৰৰ সীমা। বাসুতিয়ে হাতিচুঁউীয়াক পাতিলে কীৰ্ত্তিচন্দ্ৰ বৰবৰুৱা। আয়শোদা ফুকনে থামোনৰ বড়াক পঠাই থাইগড়ৰ পৰা আনি সুগী মানুহ চাৰি ঘৰ, লালুং তিনি ঘৰ। তাকে আনি পাতিলেহি ৰজা টোপাকুছিয়াৰ কুঁৱৰীৰ পো দাবীয়াৰজা। সৰা বিলৰ কোমত পাতিলে ৰকৰা ৰকৰা। আৰু পূৰ্ব্বে ৰহাত কমাৰ নাই, আহিলা পৰা লাচিত বৰফুকনক কৈ ৰকৰা ৰকৰা কমাৰ এঘৰ আনিলে, ভৰীয়া নাম।

—(৫)—

দন্দুৱা ৰজাৰ দুই ভাই। শ্ৰীজয়ন্তা ৰজা দেশৰ নিৰ্ব্বন্ধ। ৰজাৰ পো ৰজা হ'ব নেপাই,—ৰজাৰ জীয়ৰীৰ পোহে ৰজা হ'ব পাই। ৰজাৰ পো চাকৰ থাটিব পাই। ৰজাৰ জীয়কলৈ কোঁৱৰ খুজি আনিব পাই। আৰু ৰজাৰ দেশত দলৈহে মন্ত্ৰী। ৪ দলৈয়ে ৰজাৰ মাদৈৰ কাহীখন চুৰ কৰি আনে,—সেই কাহীত ৰজাৰ কোঁৱৰক ভাত খুৱাই, সেইটি কোঁৱৰ ৰজা হ'ব নেপাই।

—(৬)—

শ্ৰীযাদৱবাইৰ দাস,—লম্বোনাথ প্ৰখ্যাত লেখক মনাই বড়াৰ নাতি, দৈত্যকুলে জাত—মোমাই-তামুলী বৰবৰুৱা দেৱে পতা চকী, কমলেশ্বৰ সিংহত দশ পুৰুষ শ্ৰীশ্ৰী৺দেৱৰ শ্ৰীচৰণৰবিন্দত যুগে যুগে শুদ্ধ সেৱা। বড়া-টুটা অপৰাধ ক্ষমা কৰা। পৰে বৈষ্ণৱত নমস্কাৰ। যথা দৃষ্টং তথা লিখিতং।*

*আমিও যেনেদৰে পাইছোঁ, তেনেকৈয়ে ছাপি ধৰিলোঁ। বৰ্ণাশুদ্ধি আৰু ভাষাৰ ফালে চকু দিয়া নাই।



লেখকে নাস্তি দূষণং। ভীমে চাপি ৰণে ভঙ্গ মুনিনাঞ্চ মতিভ্ৰম। শ্ৰীশ্ৰী৺দেৱৰ চৰণাবিন্দত শতকোটী বাৰ কৰো নমস্কাৰ। ১৭৩৩ শকত আহিন মাহৰ ৪ দিন যোৱাত বৃহস্পতিবাৰে বুৰঞ্জী পুস্তক সমাপতি। ইতি

শ্ৰীহিতেশ্বৰ বৰবৰুৱা

৯|১২|১০

# চিন্তা কিহৰ ?

তুমি কৰা মোক কৰা যতমানে পাৰা
অপমান-লাঞ্ছনা।
সহিছোঁ যেতিয়া সহিয়ে থাকিম
এনেবোৰ যন্ত্ৰণা।
ইমান নিৰ্দ্দয় তুমি হলা বুলি
মই কিয় যাম সকলোটি ভুলি
কিয়বা নিদিম মোৰ প্ৰাণ খুলি
তিয়াগিম বাসনা?
অন্তৰতে থক গুজৰি-গুমৰি
অন্তৰৰ বেদনা।

(২)

মই এই জীৱনত সহিছোঁ অনেক
আৰু বা কত বাকী?
হিয়াৰ মাজৰ ক'লা দাগবোৰ
হাঁহিৰে থম ঢাকি।
বিষাদ-ডাৱৰে আৱৰি ধৰিলে
চকুপানী ধাৰি বাগৰি আহিলে
দুঃসহ দুখত বিননি উঠিলে
ভাবিম সি যে ফাঁকি।
অতীত পাহৰি দূৰ ভবিষ্যৰ
ছবিটি লম আঁকি।

(৩)

তুমি কঠুৱা হলা বা যাতনা দিলা বা
একো নকৰো কাণ।
মোৰেই কাৰণে কত যে আকুল
আছে সিফেৰি জ্ঞান।
ওঁঠত লাহেৰে ওঁঠটি লগাই
অমৃতৰ ঢল আনিব বোৱাই
দুখ-ব্যথা যত নিবাহি উটাই
সপি দিবহি প্ৰাণ।
শীত অন্ত হলে আহিব বসন্ত
গাব কুলিয়ে গান।

শ্ৰীলক্ষ্মীনাথ ফুকন।

# মালতী-মাধব নাটকৰ টোকা ।

এই নাটকৰ কাল খৃঃ ৮ম শতাব্দী । ইয়াৰ লেখক কবি শিৰোমণি ৺ভবভূতি । এই কাব্য পঢ়ি সামাজিক আৰু ঐতিহাসিক হিচাপে তলত দিয়া কথাখিনি পোৱা যায় ।

১ । সেই সময়ত বৌদ্ধধৰ্ম্ম আৰু হিন্দুধৰ্ম্মৰ মানুহৰ মাজত হিংসা ভাব নাছিল । বৌদ্ধধৰ্ম্মৰ মানুহেও হিন্দুৰ কাব্য কলাপত সহায় কৰিছিল, আন কি ধৰ্ম্ম-সম্পৰ্কীয় কাৰ্য্যতো যোগ দিছিল ; এই নাটকৰ কামন্দকীয়েই তাৰ এটা উদাহৰণ ।

২ । তিৰোতাৰ মাজত অৱৰোধ প্ৰথা পুৰা মাত্ৰাই নাছিল । তেওঁলোকেও গোট খাই উৎসৱ আদি পাতিব পাৰিছিল ; মদন উদ্যানৰ মহোৎসৱেই তাৰ প্ৰমাণ দিয়ে ।

৩ । তিৰোতা মানুহেও হাতীত উঠি অলৈ-তলৈ অহা-যোৱা কৰিছিল ; মালতী আদিয়ে হাতীত উঠি উৎসৱ চাবলৈ যোৱাই তাৰ আহি ।

৪ । হিন্দুৰ ভিতৰত আন কি বামুণৰো ডাঙৰ ছোৱালী বিয়া দিয়া প্ৰথা আছিল । এই নাটকৰ নায়িকা মালতী আৰু নায়ক মাধৱ বামুণ আছিল । প্ৰতিনায়িকা মদয়ন্তিকাও বামুণৰ ছোৱালী । এওঁলোকৰ বিয়া কম বয়সত হোৱা নাছিল । আন ঠাইত বামুণ বুলি উল্লেখ নাথাকিলেও ৫ম অঙ্কত * "হেৰ বামুণৰ পোৱালি!" এই কথা অতি স্পষ্ট ।

৫ । সেই কালত তিৰোতা মানুহেও লেখা-পঢ়া শিকিছিল ; ঘৰত পঢ়াৰ সুবিধা নাথাকিলে দূৰত গৈও গুৰুঘৰত থাকি বিদ্যা শিক্ষা কৰিছিল । একেজন গুৰুৰে লৰা আৰু ছোৱালীক শিকোৱাৰো উল্লেখ আছে ।

৬ । কাপালিকহঁতৰ কোনো কোনোৱে নৰবলিও দিছিল ।

৭ । পদ্মাবতী নগৰ দক্ষিণ ভাৰতত । ইয়াৰ চাৰিও ফালে নহলেও প্ৰায় বেচি ভাগ সীমা পাৰা আৰু সিন্ধু নৈয়ে বেৰি আছিল । এই নগৰৰ ওচৰতে ছুৱোখন নৈ লগ লাগিছিল ।

৮ । বিদৰ্ভপুৰ দক্ষিণ ভাৰতৰ এখন প্ৰদেশ । ইয়াৰে এটা ভাগ পদ্মাবতী নগৰ । বিদৰ্ভত ন্যায়-দৰ্শনৰ শিক্ষা ভালদৰে হৈছিল । বহু দূৰণিৰ পৰাও নানা ছাত্ৰ ছাত্ৰী আহি ইয়াত দৰ্শন শিক্ষা কৰিছিল ।

৯ । (১) পাৰ (২) সিন্ধু (৩) লৱণা (৪) গোদাবৰী (৫) মধুমতী আৰু (৬) পাটলাবতী । এই কেইখন নৈ দক্ষিণ ভাৰতৰ বিদৰ্ভপুৰ প্ৰদেশত আছিল । মধুমতী নৈ সিন্ধু নদীত পৰিছিল ।

১০ । কুণ্ডিন নগৰত মাধৱৰ জন্ম হয় । ই বিদৰ্ভপুৰৰ পৰা বহু আঁতৰত আছিল ; তথাপি দক্ষিণ ভাৰতৰ এখন নগৰ বুলি অনুমান হয় ।

১১ । শ্ৰীপৰ্ব্বত,--ই এখন তান্ত্ৰিকসকলৰ প্ৰসিদ্ধ ঠাই । ইয়াত বহুত যোগী আৰু যোগিনীয়ে আৰাধনা কৰি সিদ্ধি লাভ কৰিছিল ।

১২ । (ক) কালপ্ৰিয়নাথ—এখন শৈৱ দেৱালয় ।

(খ) কৰালায়তন—ই চামুণ্ডা দেবীৰ মন্দিৰ । ইয়াত নানা প্ৰকাৰ বলি বিধান চলে । কোনো কোনো কাপালিকে নৰ-বলিও দিয়ে ।

(গ) সুবৰ্ণবিন্দু—ইয়ো এখন শৈৱ দেৱালয় । এই সকলোখিনি বিদৰ্ভ নগৰৰ ভিতৰত । ইতি—

পণ্ডিত—শ্ৰীউমাকান্ত মিশ্ৰ ।

* 'অৰে ! ব্ৰাহ্মণডিম্ভ !' ৫ম অঙ্ক । মালতী-মাধৱ ।



# শ আৰু স ৰ অসমীয়া উচ্চাৰণ ।

এই দুটা আখৰৰ অসমীয়া উচ্চাৰণ উত্তৰ ভাৰতৰ আন আন প্ৰাদেশিক ভাষাতকৈ একেবাৰে সুকীয়া । মুঠতে কবলৈ গলে এই দুটা আখৰৰ অসমীয়া উচ্চাৰণ অসমীয়াৰ বিশেষত্ব । উচ্চাৰণটো 'স্য'ও নহয় 'হ'ও নহয় দৰকৈ তাৰ মাজা-মাজি । 'শ' আৰু 'স'ৰ বেলেগ উচ্চাৰণৰ ভিতৰত ইমান সূক্ষ্ম পাৰ্থক্য বা তাৰতম্য যে তাক আঁক ফালি দেখুৱা টানেই । 'স'ৰ উচ্চাৰণ পূৰ্ব্ববঙ্গত বহুতে বহুত ঠাইত 'হ' কয় । যেনে 'আসেন'ৰ উচ্চাৰণ 'আহেন' 'বসেন'ৰ উচ্চাৰণ 'বহেন' 'সকল'ৰ উচ্চাৰণ 'হকল' কৰে । সেইদৰে 'শ'ৰ উচ্চাৰণো 'শিয়াল'ৰ ঠাইত 'হিয়াল' কৰে ; 'শিং'ৰ ঠাইত 'হিং' কৰে ইত্যাদি । ঢাকা, মৈমনসিং, বগুৰা, নোৱাখালি, চট্টগ্ৰাম আদি জিলাত কোনো কোনো শব্দত 'শ' আৰু 'স'ৰ উচ্চাৰণ ইংৰাজী Sha ঠাইত h ৰ উচ্চাৰণ কৰে । 'শ' আৰু 'স'ৰ প্ৰকৃত বঙ্গালী বা সংস্কৃত উচ্চাৰণত জিভা তালু আৰু দাঁতত লাগো লাগো হয়, কিন্তু 'হ'ৰ উচ্চাৰণৰ স্থান কণ্ঠহে । ইপিনে 'শ' আৰু 'স'ৰ প্ৰকৃত অসমীয়া উচ্চাৰণ জিহ্বা-মূলীয় । এই ৰকম বিশেষ উচ্চাৰণৰ আদি বা মূল কি তাক বোধ কৰো আজিলৈকে কোনেও উলিওৱা নাই বা উলিয়াবৰ চেষ্টাও কৰা নাই । সংস্কৃত ভাষাতো কিজানি ইয়াৰ আঁতি-গুৰি পোৱা টান হব । আন আৰ্য্য ( Aryan ) ভাষাত জানো ইয়াৰ সাদৃশ্য আছে ? ইৰাণী অৰ্থাৎ পাৰস্য ভাষাৰ 'খে' আখৰৰ উচ্চাৰণৰ লগত ইয়াৰ প্ৰায় মিল দেখা যায় । অৱশ্যে এইটো ভাষাতত্ত্ববিদ ( Philologist ) সকলৰ কাম । কিন্তু এই তথ্য উলিয়াবৰ বিশেষ প্ৰয়োজন হৈছে যেন পাওঁ ।

আজি ৪ কি ৫ বছৰমান হল ঢাকা বিশ্ববিদ্যালয়ৰ একজন অধ্যাপক ডাক্তৰ চহিদুল্লা চাহাবে যোৰহাটৰ সন্মিলনত এবাৰ ভাষাতত্ত্ব (Philology) সম্বন্ধে এটি বক্তৃতা দিছিল । তেখেত কলিকতা বিশ্ববিদ্যালয়ৰ সেই বিষয়ৰ এম, এ, উপাধিধাৰী । তেখেতে প্ৰাকৃত ভাষা সম্বন্ধে অনেক কথা কওঁতে লগতে এইটোও কলে যে অসমীয়া ভাষাৰ 'শ' আৰু 'স'ৰ উচ্চাৰণ যেতিয়া আন প্ৰাদেশিক ভাষাতকৈ একেবাৰে সুকীয়া তেন্তে এই নতুন ধৰণৰ উচ্চাৰণটো নিশ্চয় দাতিকাষৰৰ পৰ্ব্বতীয়া মাতৰ পৰাই আহিছে বুলি তেওঁৰ অনুমান । সেই সভাত অনেক জনা-শুনা লোক থকাতো কোনেও প্ৰতিবাদ স্বৰূপে এক আষাৰো নামাতিলে । সম্ভৱতঃ তেখেতে যেতিয়া Philology ৰ মুখা পিন্ধি এই কথা কৈছিল অন্য সকলোৱেই তাত প্ৰৱেশ নিষেধ বুলি বোধ কৰোঁ ধৰি লৈছিল । কিয়নো কাৰো সেই বিষয়ে অভিজ্ঞতা বা ব্যুৎপত্তি নাছিল । লিখকৰ মনটো কেনেবা কেনেবা যেন লাগিল । ভাষাতত্ত্ববিদসকলৰ যথেষ্ট সন্মানৰ শৰাই আগবঢ়াই অতি বিনীতভাৱেৰে কওঁ যে ভাষাতত্ত্ববিদ একজনে এটা ভাষা সম্পূৰ্ণ নজনাকৈ তেওঁবিলাকৰ পৰিভাষাত আনে বুজ নোপোৱা কেইটামান শব্দ মাতি যি কোনো অনুমান কৰিব তাকেই আমি বেদ-বাক্য বুলি মানি লব লাগিবনে ? প্ৰকৃত কথাৰ মাপকাঠিৰে জানো আমি তাক জুখি চাব নোৱাৰোঁ ? সত্যৰ তুলাচনিত জানো আমি তাক পেলাই চাব নোৱাৰোঁ ? বিজ্ঞানেও সকলোবিলাক সজুলি গোটাই লৈহে চৰ্চ্চা কৰিব । পাচলিনা পুৰাই মৰসাহ দি উক্ত পণ্ডিতৰ কাষ পালোঁগৈ । তেওঁক কলো যে 'শ' আৰু সৰ অসমীয়া উচ্চাৰণ সম্বন্ধে মোৰ অলপ কব লগীয়া আছে । তেখেত শুনিবলৈ মান্তি হোৱাত কলোঁ । 'শ' আৰু 'স' ৰ অসমীয়া বিশেষ উচ্চাৰণটো আমাৰ উচ্চজাতি কেইটাৰ মুখতহে খুব ভালকৈ

স্মৃতি ওলায়—যেনে ব্ৰাহ্মণ আৰু কলিতা । এই দুটা জাতি আৰ্য্যবংশীয় আৰু আন জাতিৰ লগত মিশ্ৰিত নোহোৱা । পৰ্ব্বতীয়া জাতিবিলাকে অসমীয়া ভাষা শিকি অসমীয়া কথা কলেও এই দুটা আখৰৰ অসমীয়া উচ্চাৰণ কৰিব নোৱাৰে । 'হ' বুলিহে উচ্চাৰণ কৰিব । যদি আপোনাৰ অনুমান মতে প্ৰকৃত অসমীয়া উচ্চাৰণ পৰ্ব্বতীয়া জাতিৰ পৰা আহিছে তেন্তে এই পৰ্ব্বতীয়া জাতিবিলাকে এই উচ্চাৰণ ভাল মতে কৰিব পাৰিলেহেতেন । কিন্তু কোনোটো পাৰ্ব্বত্য জাতীয়ে এই উচ্চাৰণ কৰিব নোৱাৰে । আনকি আসামত দুশ সাতশ বছৰ ধৰি থকা আহোম আৰু মুছলমান সম্প্ৰদায়ৰ ভিতৰৰ অশিক্ষিত মানুহবিলাকেও আজি পৰ্য্যন্ত এই দুটা আখৰৰ প্ৰকৃত অসমীয়া উচ্চাৰণ কৰিব নোৱাৰে ।" তেখেতে তেতিয়া উত্তৰ দিলে যে ইয়াৰ তেন্তে অন্য কোনো কাৰণ থাকিব পাৰে ।

'স্ব'ৰ উচ্চাৰণ বঙ্গালী ভাষাত নাই । সেই ভাষাত এই আখৰেই নাই । অন্য কোনো প্ৰাদেশিক ভাষাত এই উচ্চাৰণ আছেনে নাই কব নোৱাৰোঁ । কিন্তু এই বুলি জানো কোনো এজন বঙ্গালীয়ে কব পাৰিবনে যে আসাম যেতিয়া পৰ্ব্বতৰ ওচৰত আছে এই উচ্চাৰণ পাৰ্ব্বত্য জাতিৰ পৰাই আহিছে ? সংস্কৃততো এই আখৰ আৰু উচ্চাৰণ আছে । পাৰস্য আৰু আৰবী ভাষাতো অবিকল 'স্ব'ৰ উচ্চাৰণ আছে । সেই আখৰৰ নাম হৈছে "স্বাও-আদুস্সা" । অসমীয়া ভাষা সংস্কৃত মূলক । কিন্তু আৰবী ভাষা 'চেমিটিক' ( Semitic ) । এই দুটা ভাষাৰ সামঞ্জস্য কৰাটো টান কথা । কিন্তু পাৰস্য ( ইৰাণী ) আৰু সংস্কৃত ভাষা দুয়োটা আৰ্য্য-জাতীয় ( Aryan ) । এই দুয়োটাৰ ভিতৰত অনায়াসে সামঞ্জস্য থাকিব পাৰে । কিয়নো দুয়োৰো মূল এক । সেইহে কৰ্ত্ত বঙ্গালী ভাষাত উচ্চাৰণ নোহোৱা আৰ্য্য ভাষাত উচ্চাৰণ হোৱা কোনো আখৰতহে 'শ' আৰু 'স'ৰ অসমীয়া উচ্চাৰণৰ উদাহৰণ পোৱা যাব ।

মুঠ কথা এইবোৰ বিষয়ে মাত মাতিবলৈ প্ৰথমে টিকট কিনি অধিকাৰ আৰ্জ্জি লব লাগিব ; নহলে সকলো বৃথা । অৰ্থাৎ কোনো এজন নিঃস্বাৰ্থ অসমীয়া ডেকাই philology ত প্ৰথমে M. A পাছ কৰিব লাগিব । ( বোধ কৰো আজিলৈকে এনে এজনো নাই ) । তাৰ পাছত তেওঁ ভাৰতবৰ্ষৰ গোটেই সংস্কৃতমূলক প্ৰাদেশিক ভাষাবিলাক শিকি বুজি অসমীয়া ভাষাৰ ঠাই ক'ত ক'ত জগতক দেখাব পাৰিব । মাতৃভাষাৰ সেৱাৰ কাৰণে এজন এই বিষয়ে অচিৰে আগবঢ়া নিতান্ত প্ৰয়োজন । তেওঁ এই নাঙ্গনীত দেশবাসীৰ শ্ৰদ্ধাৰ পাত্ৰ হব নিশ্চয় ।

অসমীয়া ভাষাৰ যে বঙ্গালী ভাষাৰ লগত মিল নাই বৰঞ্চ অন্য প্ৰাদেশিক ভাষাবিলাকৰ লগতহে ইয়াৰ বেছি মিল এই কথা সকলোৱে জানে । বঙ্গালী ভাষা আমাৰ স্কুল—আদালতত স্বৰূপ দিনলৈ চলোৱাৰ বাবে পুৰণি অসমীয়া আখৰৰ পৰিবৰ্ত্তে বঙ্গালী আখৰ লোৱা হল । সেয়েই হৈছে সকলো আউকালৰ মূল । বঙ্গালী মাত্ৰেই ভাবিব খোজে যে পূৰ্ব্ববঙ্গৰ দৰে অসমীয়া ভাষাটো বঙ্গালী ভাষাৰ অপভ্ৰংশ । যদি কোনো অমিল দেখা যায় তেন্তে পৰ্ব্বতীয়া জাতিৰ ওচৰত থকা বাবে সিহঁতৰ পৰা অনুকৰণ কৰিছে বুলি কলেই হব । মাতৃভাষাৰ ওপৰত সিদ্ধান্ত এনে অপবাদ সহ্য হয়নে ? অসমীয়া ভাষাৰ অন্য প্ৰাদেশিক ভাষাৰ লগত সামঞ্জস্য বিষয়ে তলত যৎকিঞ্চিৎ আভাস দিয়া হল ।

অসমীয়া, উৰিয়া, হিন্দী, পঞ্জাবী, বোম্বাই, গুজৰাটী আৰু মহাৰাষ্ট্ৰী ভাষাত ক্ৰিয়াৰ আগত 'নঞ' ( negative ) ব্যৱহৃত হয় ; কিন্তু বঙ্গভাষাত হে ক্ৰিয়াৰ পাছত ব্যৱহৃত হয় । যেনে 'নাযাওঁ', 'নাখাওঁ', 'নিদিওঁ' ইত্যাদি । হিন্দী হৈছে 'নেই যাওঁগা', 'নেই খাওঁগা', 'নেই দিওঁগা' । সেই দৰেই বাকী সকলো সংস্কৃত মূলক প্ৰাদেশিক ভাষাত । কিন্তু বঙ্গ ভাষাত হলে 'যাবনা', 'খাবনা', 'দিবনা' । তদুপৰি কিছুমান সদায় ব্যৱহাৰ হোৱা শব্দ চাওক । অসমীয়া ও অন্য সকলো প্ৰাদেশিক ভাষাত একে, কেৱল বঙ্গালীত বেলেগ ।

অসমীয়া, উৰিয়া,
হিন্দী, পঞ্জাবী, বোম্বাই,
গুজৰাটী, মহাৰাষ্ট্ৰী । বঙ্গালী ।

মই ............................ আমি
পানী ............................ জল
ঘৰ ............................ বাড়ী ।

এইদৰে অনেক শব্দৰ মিল পোৱা যাব । মাকক অসমীয়াই 'আই' বুলি মাতে । সুদূৰ বোম্বাই প্ৰদেশতো আই বোলে । অসমীয়াই খবৰক 'বাতৰি' বোলে, বোম্বাইতো 'বাতৰি' বোলে । অসমীয়াই 'বগৰি' কয়, বোম্বাইৰ মানুহে 'বদৰি' কয় ; সংস্কৃতো 'বদৰি' । আন আন প্ৰাদেশিক ভাষাৰ লগত যে কত মিল ওলাব তাক ভালৰূপে তথ্য কৰোতাইহে পাৰিব । অসমীয়াই নিজৰ জাতিগুৱি নাজানি আত্মহাৰা হৈছে ; আৰু ই হেতুকে আনেও বিদ্ৰূপ কৰিবলৈ চেনু পাইছে । শ্ৰীমফিজুৰ ৰহমান ।



# দুৰ্লভনাৰায়ণ আৰু ধৰ্ম্মপাল ।

"গুৰুচৰিত্ৰ" পুথিত পোৱা যায় চণ্ডীৱৰ আদি ভূঞাসকল কানাকুব্জৰ পৰা আহি ৰজা দুৰ্লভনাৰায়ণৰ ওচৰত থাকে আৰু পাচত কমতাৰাজ ধৰ্ম্মনাৰায়ণ বা ধৰ্ম্মপালৰ ওচৰলৈ যায় । এই দুৰ্লভনাৰায়ণ আৰু ধৰ্ম্মপাল কোন, তেওঁলোকে কেতিয়া ক'ত ৰাজত্ব কৰিছিল, এই সম্বন্ধে আমাৰ বুৰঞ্জী এক প্ৰকাৰ নিমাত ।

ৰায়চাহাব শ্ৰীযুত পদ্মনাথ গোহাঁই বৰুৱাদেৱে দুৰ্লভনাৰায়ণক খেন বংশীয় ৰজা বুলি উল্লেখ কৰিছে ; আৰু ইয়াকে কবিবলৈকে তেখেতে বোধ কৰোঁ খেনবংশক ১২১০ খ্ৰীঃ অব্দলৈ আগ বঢ়াই দিছে । তাৰ ফলত এই বংশৰ মাজ-ছোৱাত কেইজনমান ৰজাৰ অভাৱ হৈ উঠিছে । চাৰ, এ. গেইট চাহাবে খেনবংশীয় কেৱল তিনিজন ৰজাৰ হে নাম উল্লেখ কৰিছে । শ্ৰীযুত ৰজনীকান্ত চক্ৰৱৰ্ত্তী মহাশয়েও তেখেতৰ গৌড়-ইতিহাসত খেনবংশৰ তিনিজন ৰজাৰ মাত্ৰ নাম দিছে ; আৰু ১৩২৮ খ্ৰীঃ অব্দৰ পৰা খেনবংশৰ ৰাজত্ব আৰম্ভ হোৱা দেখুৱাইছে । এই দুয়োজন লিখকে দুৰ্লভনাৰায়ণ আৰু ধৰ্ম্মনাৰায়ণক খেন-বংশৰ আগৰ ৰজা বুলি উল্লেখ কৰিছে ।

গুৰুচৰিতত দুৰ্লভনাৰায়ণৰ বংশাৱলী এনে—

"সন্ধ্যাত জন্মিলা পাচে ভৈলা সন্ধ্যা নাম ।
পাইলা মনোনিত বৰ সিদ্ধ ভৈল কাম ॥
যিহেতু বৰত ভৈলা, তাতে একেশ্বৰ ।
পৰম ধৰ্ম্মিষ্ঠ সিজে ভৈলা গৌৰেশ্বৰ ।

তাহান তনয় পাচে ভৈলা সিন্ধু ৰায়।
ইলাবতী গৰ্ভে পাচে জন্মিলন্ত যাই॥
ভৈলা সিন্ধুপতি পাচে ৰাজ ৰাজেশ্বৰ।
ৰূপ নামে ভৈলা পাচে সিন্ধুৰ পুত্ৰৰ॥
ৰূপৰ যশস্যা দ্বীপ দ্বীপান্তৰে গৈলা।
সিংহধ্বজ নামে তান তনয় যে ভৈলা॥
প্ৰতাপধ্বজ নামে তান মহামন্ত্ৰী॥
লাহাবিয়া নামে তান আছিলেক পিতৃ॥ ৬০
কায়স্থকুলত তেহে মহা বুদ্ধিমন্ত।
সিংহধ্বজে মাৰি তান ৰাজ্যক লৈলন্ত।
প্ৰতাপধ্বজ যে ভৈল সিতো নগৰৰ ৰাজা।
মহা ধৰ্ম্ম প্ৰতিপাল কৰে সিতে প্ৰজা॥
পাৰ্ব্বতী নামে আছে প্ৰতাপৰ ভাৰ্য্যা।
দুৰ্লভনাৰায়ণ ভৈল তান গৰ্ভে ৰাজা॥
সাতজন ভাৰ্য্যা ভৈল মুখ্য পটেশ্বৰী।
ৰূপে গুণে একোজনী যেন বিদ্যাধৰী॥
ইন্দুমতী ইন্দুমণি আৰো বিহাদই।
টগৰি জানকী আৰো জানিবা তিলোই॥
সেৱতী সহিতে এহি কন্যা সাতজন।
দুৰ্লভনাৰায়ণ সেৱা কৰে অনুক্ষণ॥
গৰেশ্বৰে ৰাজ্য পাচে পাটীলা কতো দিন।
ধৰিলন্ত সিতো মহা নৃপতিৰ চিন॥
তান পাশে থাটে চণ্ডীবৰ মহামতি।
দুৰ্লভনাৰায়ণে দায়া কৰন্ত সম্প্ৰতি॥ ৬৪

ৰামচৰণ ঠাকুৰ।

ওপৰৰ কথাৰ পৰা তলত দিয়া বংশাৱলী লিখিব পাৰি :—

সন্ধ্যা ( গৌড়েশ্বৰ )
ভাঃ—ইলাবতী
|
সিন্ধু ৰায় ৰাজৰাজেশ্বৰ
|
ৰূপ লাহাবিয়া
| |
সিংহধ্বজ ৰজা, এওঁৰ মন্ত্ৰী প্ৰতাপধ্বজ
( কায়স্থ )
ভাঃ—পাৰ্ব্বতী
|
দুৰ্লভনাৰায়ণ
ভাঃ—ইন্দুমতী, ইন্দুমণি,
বিহাদই, টগৰী,
জানকী, তিলোই, সেৱতী।

গুৰুচৰিত মতে এই দুৰ্লভনাৰায়ণ খেনবংশীয় হব নোৱাৰে; গেইট আৰু গৌড়-ইতিহাসতো এওঁক খেনবংশীয় বুলি ধৰা নাই। ৰামচৰণ ঠাকুৰে ধৰ্ম্মপাল বা ধৰ্ম্মনাৰায়ণ সম্বন্ধে লিখিছে :—

"ধৰ্ম্মপাল ৰাজা আছিলেক কামেশ্বৰ।
তাহান্তে থাটয় যত ভূঞা নিৰন্তৰ॥
কামাখ্যা দেৱীয়ে যেবে তাঙ্ক শাপ দিলা।
আপুনাৰ ৰাজ্য এৰি বিদেশক গৈলা॥
দেখিলেক লোক যেবে ভৈলেক অৰাজ।
গাৱে গাৱে ভৈল তেবে সবে ভূঞাৰাজ॥
দুৰ্লভনাৰায়ণ তাৰ বেলেগিয়া ভাই।
সিয়ো কতো দিনে ৰাজা ভৈল এক ঠাই॥
বেহাৰৰ পৰা তিনি প্ৰহৰৰ বাট।
গৰিয়া নগৰৰ ৰাজ দুৰ্লভৰ পাট॥" ২৫২৮।

দুৰ্লভনাৰায়ণে ধৰ্ম্মপালৰ ৰাজ্যৰ এক অংশ অধিকাৰ কৰে। এওঁ বেহাৰৰ পৰা তিনি পৰৰ বাটত ৰাজধানী পাতে; ৰাজধানীৰ নাম গৰিয়া নগৰ।

এই ঘটনাৰ আগতে ধৰ্ম্মপাল আৰু দুৰ্লভ-নাৰায়ণৰ ভিতৰত ৰণ হৈছিল, পাচত সন্ধি কৰি মিত্ৰতা কৰে। এই কথা লিখোঁতে ঠাকুৰে কেৱল গৌৰেশ্বৰ আৰু কামেশ্বৰ বুলিহে উল্লেখ কৰিছে। অন্যান্য চৰিতৰ মতে এই কামেশ্বৰ ধৰ্ম্মনাৰায়ণ আৰু গৌৰেশ্বৰ দুৰ্লভনাৰায়ণ; গতিকে ঠাকুৰে নাম উল্লেখ নকৰিলেও এই দুজনকে আমি ধৰ্ম্মপাল আৰু দুৰ্লভনাৰায়ণ বুলি ধৰিলে ভুল কৰা নহব।



ধৰ্ম্মপালে দুৰ্লভনাৰায়ণৰ লগত সন্ধি কৰি নিজ ৰাজ্যলৈ ঘূৰি অহা সম্বন্ধে ঠাকুৰে লিখিছে :—

"নৌকাত চৰিয়া ব্ৰহ্মপুত্ৰে উজাইলন্ত।
কতো দিনে আপুনাৰ ৰাজ্যক পাইলন্ত॥
ধৰঘাটে গিয়া পাচে নৌকা চপাইলন্ত।
তাম্ৰধ্বজে শুনিলেক পিতৃ আসিলন্ত॥"

যোৰাঘাটকেই ধৰঘাট বুলিছে; ই ৰংপুৰ জিলাত। ধৰ্ম্মপালৰ পুত্ৰ তাম্ৰধ্বজ। ধৰ্ম্মপালৰ ৰাজধানী ৰংপুৰৰ জিলাত আছিল বুলি অনুমান হয়। খ্ৰীষ্টীয় একাদশ, দ্বাদশ আৰু ত্ৰয়োদশ শতিকাত ৰংপুৰ, মৈমনসিংহ আৰু চিলেটৰ কিছু অংশকো গৌড় বুলিছিল। সেই কাৰণে কোনো কোনে বুৰঞ্জী-লিখকে ধৰ্ম্মপালক গৌড় ৰজাও বুলিছিল। এই সময়ত গৌড় নামৰ কেইবাখনো ৰাজ্য আছিল, আমি পাচত এই বিষয়ে কম।

চণ্ডীবৰ আদি ভূঞাসকল গৌৰেশ্বৰ দুৰ্লভ নাৰায়ণৰ আশ্ৰয়ত "গোগৰিয়া" নগৰত থাকে। এই নগৰ ব্ৰহ্মপুত্ৰৰ ওচৰত। ভূঞাসকল থকা ঠাই পাচত কনৌজপুৰ নামে খ্যাত হয়। গোগৰিয়াই সম্ভৱতঃ গৰিয়া নগৰ—দুৰ্লভ নাৰা-য়ণৰ ৰাজধানী। গঙ্গা যি ঠাইত বঙ্গদেশত সোমাইছে সেই ঠাইৰ প্ৰাচীন নাম "গৰিয়া" বুলি—গৌড়—ইতিহাস লিখকে উল্লেখ কৰিছে। গৰিয়া গৌড়ৰ অপভ্ৰংশ। দুৰ্লভ নাৰায়ণে সেই কাৰণে বোধ কৰোঁ ব্ৰহ্মপুত্ৰৰ ওচৰত "গৰিয়া" বা গগৰীয়া নামে ৰাজধানী পাতিছিল।

দুৰ্লভনাৰায়ণৰ সময়ত গৌড় আৰু বঙ্গ বিভিন্ন আছিল; যেনে—"চণ্ডীবৰ খ্যাতি পাচে গৈল গৌড়—বঙ্গ।" দ্বাদশ-ত্ৰয়োদশ শতিকাত গঙ্গাৰ দক্ষিণ অঞ্চলক বঙ্গ আৰু উত্তৰ অঞ্চলৰ কেইবা খণ্ডক গৌড় বুলিছিল। * প্ৰাচীন গৌড় ৰাজ্য ভাগি কেইবাখনো সৰু সৰু ৰাজ্য হৈছিল, আৰু তাক পঞ্চগৌড় বুলিছিল।

ৰজা দুৰ্লভনাৰায়ণ সম্বন্ধে কবিৰত্ন সৰস্বতীয়ে জয়দ্ৰথবধত লিখিছে :—

"নৃপ শিৰোমণি, দেৱ মহামাণি, দুৰ্লভনাৰায়ণ ৰাজা।
নিতে পুত্ৰৱতে, পালিয়া সততে, পৃথিৱীৰ যত প্ৰজা॥
তাহান তনয়, ভৈল ধৰ্ম্মময়, ইন্দ্ৰনাৰায়ণ দেৱ।
মহাবীৰ ধীৰ, স্বভাৱে গম্ভীৰ, নিতে কৃত্য হৰি সেৱ।
নিজ বাহুবলে, পাইল অবিকলে, অখণ্ড মহীমণ্ডল।
যাত থাটে নাগি, সততে প্ৰণামি, বিপক্ষ নৃপসকল।
যত সৰ্ব্বক্ষণ, ইন্দ্ৰনাৰায়ণ, বৰ দেন্ত সদাশিৱ।
হোক নৰেশ্বৰ, পাঞ্চগৌৰেশ্বৰ, পিতৃ-পুত্ৰে চিৰঞ্জীৱ॥
ছোটশিলা নাম, আছে এক গ্ৰাম, যত গ্ৰাম মধ্যে সাৰ
আছিল তথাত, জগত প্ৰখ্যাত, চক্ৰপানি সীকদাৰ॥
পটু নৰবৰ, কায়স্থ প্ৰৱৰ, ধৰ্ম্মৱন্ত মহাযশী।
পণ্ডিততিলক, কুলপ্ৰকাশক, নিষ্কলঙ্ক যেন শশী॥
দেৱদ্বিজগণ, কৰিলা পূজন, সঘনে ধৰ্ম্ম প্ৰসঙ্গ।
নিত্য উপগত, যাৰ অভ্যাগত, নভৈলেক আশাভঙ্গ॥
নিজ গুণবলে, লভিল সকলে, ধনধান সতকাৰ।
নৃপতি প্ৰধান, দুৰ্লভনাৰায়ণ, প্ৰশংসয় বাৰে বাৰ॥
তানে পৰলোক, ভৈল সৰ্ব্বশোক, নিজ তনু ভঙ্গ ৰণে।
মেৰু শৃঙ্গ ভঙ্গ, সিন্ধু ভৈলা পঙ্ক, মাণিক বিন্ধিলা ঘুণে॥
তাহান তনয়, অতি শুভনয়, কবিৰত্ন সৰস্বতী।
দ্ৰোণ পৰ্ব্ব পদ, জয়দ্ৰথ বধ, কৌতুহল নিগদতি॥ ৯২৫

দুৰ্লভনাৰায়ণৰ পুত্ৰৰ নাম ইন্দ্ৰ নাৰায়ণ; এওঁলোক শৈৱ। দুয়ো ৰজাই "পাঞ্চত গৌড়েশ্বৰ" উপাধি লৈছিল। লিখক কবিৰত্ন সৰস্বতী চক্ৰপাণি সীকদাৰৰ পুত্ৰ। চক্ৰপাণীৰ জাতি কায়স্থ আৰু বিষয় 'সীকদাৰ' আছিল। 'সীকদাৰ' বোধ হয় পাৰ্চী শব্দ। সিবিলাকে এটা বিভাগৰ খাজনা আদায় কৰিছিল ( তহচিলদাৰৰ দৰে ) আৰু আৱশ্যকমতে ৰজাক ৰণত সহায় কৰিছিল সেইবিলাককেই আফগান আমোলত সীকদাৰ বুলিছিল। ইয়াৰ পৰা অনুমান হয় এই উপাধিটো আফগান ৰাজ্যৰ পৰা আমদানী। ইয়াৰ আগেয়ে এনে কৰ্ম্মচাৰীক মহামাণ্ডলিক বুলিছিল।

* গৌড় ইতিহাস ১ম ভাগ—ৰজনীকান্ত চক্ৰবৰ্ত্তী

ইয়াৰ পৰা অনুমান হয়—দুৰ্লভনাৰায়ণ ত্ৰয়োদশ বা চতুৰ্দ্দশ শতিকাৰ ৰজা।

কবিৰত্ন সৰস্বতীৰ ঘৰ ছোটশিলাত। এই শিলা গাওঁ বৰপেটাৰ ৫ মাইল দক্ষিণ-পূবে। চক্ৰপাণি দুৰ্লভনাৰায়ণৰ সীকদাৰ; গতিকে কামৰূপ অঞ্চল দুৰ্লভনাৰায়ণৰ অধীনত আছিল। চক্ৰপাণি সম্ভবতঃ বৰপেটা অঞ্চলৰ সীকদাৰ আছিল; এওঁ কাৰবাৰ লগত ৰণ কৰি মৰা পৰে।

ৰাজা গণেশ বা কংশৰায় চতুৰ্দ্দশ শতিকাৰ বঙ্গৰ এজন ডাঙৰ জমিদাৰ; এওঁ ১৪০৫ খ্ৰীঃ অব্দত মুছলমানৰ হাতৰ পৰা গৌড় (বঙ্গ) অধিকাৰ কৰি ৰজা হয়। ৰজা হোৱাৰ আগতে তেওঁৰ যি "ভাতুৰিয়া" নামৰ জমিদাৰী আছিল, সি মুছলমান অধিকৃত গৌড়ৰ পূব-উত্তৰ অংশত আছিল অৰ্থাৎ তেওঁৰ জমিদাৰীৰ পূব-উত্তৰে মুছলমান অধিকৃত গৌড়ৰ আৰু ৰাজ্য নাছিল। ভাতুৰিয়া জমিদাৰী আজিকালি ৰাজচাহী জিলাৰ ভিতৰত। এই জমিদাৰীৰ সীমা গৌড়-ইতিহাসত এইদৰে আছে—উত্তৰে দিনাজপুৰ আৰু ঘোৰা ঘাট, পশ্চিমে মহানন্দ আৰু পুনৰ্ভৰা নদী, পূবে কৰতোয়া...।• ইয়াৰ পৰা জনা যায় ত্ৰয়োদশ শতিকাৰ কামৰূপ বা কমতাৰ পশ্চিম সীমা কৰতোয়া আছিল;-- জলপাইগুৰি, কোচবেহাৰ দিনাজপুৰ, ৰংপুৰ, আৰু বগুৰাৰ কিছু অংশ (যিখিনি আজিকালি বঙ্গদেশৰ ভিতৰত) কামৰূপৰ ভিতৰত আছিল। তেনেহলে আমি ত্ৰয়োদশ শতি-কামৰূপ বা কমতাৰ সীমা এইদৰে নিৰ্ণয় কৰিব পাৰোঁ:— উত্তৰে ভোট, পূবে বৰনদী, দক্ষিণে খাচিয়া আৰু গাৰোপাহাৰ আৰু পশ্চিমে কৰতোয়া নদী; ইয়াৰ ভিতৰত বৰ্ত্তমান সময়ৰ কামৰূপ, গোৱালপাৰা, জলপাইগুৰি, কোচবিহাৰ, ৰংপুৰ, দিনাজপুৰ, বগুৰাৰ কিছু অংশ আৰু মৈমনসিংহৰ কিছু অংশ পৰিব।

চণ্ডীবৰৰ লগৰ কিছুমান ভূঞাৰ বংশধৰসকলৰ উপাধি খাঁ আছিল; যেনেবুঢ়খাঁ, ৰামখাঁ, কেতেখাঁ, হৰিখাঁ, যশচন্দ্ৰখাঁ আদি। গৌড়-ইতিহাস পঢ়িলে জনা যায় গৌড়ৰ মুছলমান ৰজাসকলে তেওঁলোকৰ প্ৰাদেশিক শাসনকৰ্ত্তাৰ কোনো কোনো জনক "খাঁ" বা "খান" উপাধিৰে ভূষিত কৰিছিল। খাঁ উপাধিৰ কোনো কোনো লোকে উজীৰ বা মন্ত্ৰীৰ কামো কৰিছিল।†

ভূঞাসকলৰ এই খাঁ উপাধি দেখি অনুমান হয়—এওঁলোক কান্যকুব্জৰ পৰা আহি পোনতে গৌড়ৰ পালৰজাৰ অধীনত আছিল; পাচত দেশ মুছলমানৰ হাতলৈ যোৱাত কিছুদিন মুছলমানৰ অধীনত প্ৰাদেশিক শাসনকৰ্ত্তাৰূপে থাকে, পাচত কোনোবা মুছলমান ৰজাৰ দিনত ধৰ্ম্মবিপ্লব ঘটাত পূবত থকা হিন্দু ৰজা দুৰ্লভনাৰায়ণৰ আশ্ৰয়ত থাকেহি।

দুৰ্লভনাৰায়ণে এওঁলোকক পাই চণ্ডীবৰ-পিতৃ লণ্ডাদেৱ আদি কেইজনমানক সেনাপতিৰ ৰাব দিয়ে। আৰু এই সময়তে তেওঁলোকে ভৌমিক বা ভূঞা উপাধি পায়। লণ্ডাৰৰ আদিয়ে দুৰ্লভনাৰায়ণৰ ৰাজ্য বৃদ্ধি কৰা সম্বন্ধে ঠাকুৰে লিখিছে—

"ৰঙ্গাল মাৰিবে গৌড়েশ্বৰে পাকি দিল।
সমস্ত ৰাজ্যক জিনি একত্ৰ কৰিল।" ৫১।

দুৰ্লভ আৰু ধৰ্ম্মপালৰ ভিতৰত হোৱা ৰণতো চণ্ডীবৰ আদিৰ বীৰত্ব বোধ হয় ফুটি উঠিছিল; সেই কাৰণেই ধৰ্ম্মপালে দুৰ্লভনাৰায়ণক খুজি এওঁলোকক নৈছিল।

ধৰ্ম্মপালে চণ্ডীবৰ আদিক পূবৰ সীমান্ত ৰাজ্য ৰক্ষা কৰিবলৈ "ভূঞা" উপাধি দি পঠাইছিল। এওঁলোক আহি লেঙামাগুৰিত বাস কৰিছিল। লেঙামাগুৰি কামৰূপৰ হাজো আৰু বৰনদীৰ মাজত। শ্ৰীযুত নগেন্দ্ৰনাথ বসু প্ৰাচ্য বিদ্যা মহাৰ্ণব মহা-

• ৬৩ পৃঃ গৌড়েৰ ইতিহাস—ৰজনীকান্ত চক্ৰবৰ্ত্তী।

† যেনে শ্ৰীৰাম খান ৫৩ পৃঃ গৌঃ ইঃ ১মভ াগ। গুণৰাজ খাঁ ১১৯ পৃঃ গৌঃ ইঃ ১ম গভা।



শয়ে ধৰ্ম্মপালৰ ৰাজধানী পাণ্ডুত আছিল বুলি উল্লেখ কৰিছে।• পাণ্ডু ধৰ্ম্মপালৰ ৰাজ্যৰ ভিতৰত থাকিব পাৰে আৰু সি এখন সীমান্তৰ নগৰো হব পাৰে কিন্তু ধৰ্ম্মপালৰ সি ৰাজধানী নহয়। ওপৰত উল্লেখ কৰি অহা গুৰুচৰিতৰ পদত ঠাকুৰে উল্লেখ কৰিছে—ঘোৰাঘাটত নামি ধৰ্ম্মপাল ৰাজধানীলৈ যায়। গতিকে ধৰ্ম্মপালৰ ৰাজধানী ৰংপুৰ জিলাতহে† আছিল।

ধৰ্ম্মপাল শ্ৰীহীন হোৱাত দুৰ্লভনাৰায়ণ প্ৰতাপী হৈ উঠে আৰু তেওঁৰ ৰাজ্যৰ বেচি অংশ দুৰ্লভে অধিকাৰ কৰে। দুৰ্লভনাৰায়ণ ধৰ্ম্মপালৰ ৰাজ্যৰ অধিকাৰী হৈ উঠাত লেঙামাগুৰিত থকা চণ্ডীবৰ আদি ভূঞাসকল তেওঁৰ প্ৰাদেশিক বিষয়া হৈ পৰে। সম্ভবতঃ সেই সময়ত এই ভূঞাসকল ক্ষমতাশালী হৈ উঠিছিল, সেই কাৰণে দুৰ্লভনাৰায়ণে তেওঁৰ সেনাপতিৰ হতুৱাই চক্ৰান্ত কৰি চণ্ডীবৰক ধৰাই নি বন্দী কৰি ৰাখে। চণ্ডীবৰ পাচত মুক্ত হৈ ৰজাৰ অন্যায় বিচাৰৰ বাবে কষ্টবোধ কৰি লেঙামাগুৰি অৰ্থাৎ দুৰ্লভৰ ৰাজ্য ত্যাগ কৰি পূবলৈ আহে।

দুৰ্লভনাৰায়ণৰ পাচত তেওঁৰ পুতেক ইন্দ্ৰনাৰায়ণ কামৰূপ-কমতাৰ ৰজা হয়, এওঁ সম্ভবতঃ দুৰ্ব্বল আছিল, এওঁৰ সময়তেই খেনবংশৰ অভ্যুদয় হয়। খেনবংশৰ ৰাজধানী কমতাপুৰত আছিল; কমতাপুৰ কোচবিহাৰ নগৰৰ ১৪ মাইল দক্ষিণত। চতুৰ্দ্দশ শতিকাৰ শেষ ভাগত খেনবংশৰ অভ্যুদয় হোৱা যেন অনুমান হয়।

খেনবংশৰ তিনিজন ৰজাৰ নাম পোৱা যায়—নীলধ্বজ, চক্ৰধ্বজ আৰু নীলাম্বৰ। ১৪৯৮ খ্ৰীঃ অব্দত গৌড়ৰ হুচেনচাহে এই ৰাজ্য অধিকাৰ কৰে। তাৰ পাচতেই কোচৰাজবংশৰ অভ্যুদয় হয় (১৫১৫)।

আমি ওপৰত উল্লেখ কৰা গুৰুচৰিতৰ কথা মতে দুৰ্লভ, ধৰ্ম্মপালৰ "বেলেগিয়া" ভাই। তাৰ পৰা আমি বুজিব পাৰো দুই জনা ৰজাৰ বংশ একেই। কবিৰত্ন সৰস্বতীৰ মতে দুৰ্লভনাৰায়ণ কায়স্থ; গতিকে দুয়োজন ৰজা কায়স্থ আৰু এক বংশৰ।

গৌড়ৰাজ্যৰ নাম খৃঃ পূৰ্ব্ব ৮ম শতিকাৰ পৰা পোৱা যায়; ই প্ৰাচীন পৌণ্ড্ৰবৰ্দ্ধনৰ একাংশ। ৩০০ খ্ৰীঃ পূঃ অব্দৰ মেগেস্থেনিচৰ ইণ্ডিকা নামৰ গ্ৰন্থৰ মানচিত্ৰত কামৰূৰ ৰাজ্যৰ যি সীমা দেখুৱাইছে তাৰ পৰা বুজা যায়—সমুদায় পূৰ্ব্ব-বঙ্গৰ সৈতে পশ্চিমোত্তৰ মিথিলা আৰু দক্ষিণ-পশ্চিম মগধলৈকে কামৰূপ ৰাজ্যৰ বিস্তৃতি আছিল অৰ্থাৎ এই সময়তেই গৌড় আৰু পৌণ্ড্ৰবৰ্দ্ধন প্ৰায় কামৰূপ ৰাজ্যৰ ভিতৰত সোমাইছিল।

হিউএনচাঙৰ সময়ত (৭ম শতিকাত) কামৰূপৰ পশ্চিম সীমা কৰতোয়া বুলি অনুমান হয়। ইয়াৰ পৰা ভাবিব পাৰি ভাস্কৰবৰ্ম্মণৰ সময়ৰ আগত গৌড় স্বাধীন হৈ উঠে। কিন্তু ৭৩১ খ্ৰীঃ অব্দত ভগদত্ত বংশীয় হৰ্ষদেৱে গৌড় অধিকাৰ কৰে।*

আদিশূৰ ৮ম শতিকাত গৌড়ৰ ৰজা হয়; এওঁৰ আন নাম জয়ন্ত। এওঁ ৰজা হোৱাৰ সময়ত আগৰ গৌড় ৰাজ্য পাঁচ ভাগত বিভক্ত হয়; যেনে পৌণ্ড্ৰবৰ্দ্ধন বা গৌড়, দেৱকোট, মহাস্থান, সন্তোষ আৰু ৰংপুৰ। প্ৰত্যেক ভাগতে একোজন স্বাধীন ৰজা আছিল। ৰাজতৰঙ্গিনীৰ মতে জয়ন্ত বা আদিশূৰে জোঁৱায়েক কাশ্মীৰ ৰজা জয়াপীড়ৰ সহায়ত ৭৬৫ খ্ৰীঃ অব্দত গৌড় অধিকাৰ কৰি "পঞ্চ-গৌড়েশ্বৰ" উপাধি লয়। আদিশূৰৰ আগত গৌড়ৰ বৌদ্ধধৰ্ম্মৰ প্ৰভাৱত বৈদিক ক্ৰিয়া প্ৰায় লোপ হোৱাৰ দৰে হৈছিল; আদিশূৰে "বেদবাণাঙ্ক শাকে তু গৌড়ে বিপ্ৰাঃ সমাগতাঃ" অৰ্থাৎ ৬৫৪ শকাব্দাত বা ৭৩২ খ্ৰীঃ অব্দত গৌড়লৈ বৈদিক ব্ৰাহ্মণ আনে।

• Social History of Kamrup Vol I.

† গুৰুচৰিত—ৰামচৰণ ঠাকুৰ।

*গৌড়-ইতিহাস ১ম ভাগ ৬৭ পৃঃ।

কিন্তু শূৰবংশে গৌড়ত বেচি দিন ৰাজত্ব কৰিবলৈ নাপালে ; ৭৭৫ খ্ৰীঃ অব্দত বেহাৰৰ পালবংশৰ গোপাল দেৱে আহি গৌড় জয় কৰে। তেতিয়াৰ পৰা গৌড়ত পালবংশই ৰাজত্ব কৰিবলৈ ধৰে আৰু শূৰবংশৰ ৰজাসকল দক্ষিণলৈ হুঁহকি হুগলীজিলাৰ পাণ্ডুৱাত ৰাজধানী পাতি ১০১৫ খ্ৰীঃ অব্দলৈকে ৰাজত্ব কৰে।

পালবংশই উত্তৰৰ গৌড়ত লানি—নিছিগাকৈ ১১৩০ খ্ৰীঃ অব্দলৈকে ৰাজত্ব কৰে। পালবংশৰ ওপৰৰ ৰজা সকলে বৌদ্ধধৰ্ম্মৰ উন্নতিৰ নিমিত্তে আৰু শেষৰ সকলে বৈদিক ধৰ্ম্মৰ উন্নতিৰ অৰ্থে যত্ন কৰিছিল ; ইয়াৰ পৰা অনুমান হয় ঊৰ্দ্ধতন পাল ৰজাসকল বৌদ্ধ আৰু পাচৰ পাল ৰজাসকল হিন্দু আছিল।

পালবংশৰ শেষৰ ৰজাসকল দুৰ্ব্বল আছিল ; আৰু একাদশ শতিকাৰ শেষত আৰু দ্বাদশ শতিকাৰ আগ ভাগত গৌড় ৰাজ্যত তলত নাম দিয়া ৰাজ্যবোৰ গঠিত হৈছিল—উত্তৰৰাঢ় গৌড়, বাৰেন্দ্ৰ, গৌড়মণ্ডল, দক্ষিণৰাঢ় গৌড় আৰু বঙ্গ। বোধ হয় আদিশূৰৰ আগৰ পঞ্চ-গৌড়েই এই পাঁচ নাম ধৰিছে ; অৱশ্যে পাচৰ ভাগবোৰত ওচৰ কাষৰৰ কিছু কিছু ঠাই যোগ হৈছে।

বাৰেন্দ্ৰৰ সীমা—পশ্চিমে মহানন্দা, পূবে ব্ৰহ্মপুত্ৰ, উত্তৰে কামৰূপ ৰাজ্য, দক্ষিণে গঙ্গানদী।* বাৰেন্দ্ৰৰ উত্তৰফালে থকা কামৰূপৰাজ্যাংশত বৰ্ত্তমান কোচবিহাৰ আৰু জলপাইগুৰি জিলা পৰিব। এই কামৰূপেই কমতা নাম পাইছিল। সম্ভৱতঃ এই খণ্ড ঠাইও ধৰ্ম্মপালৰ অধীনত আছিল। দুৰ্লভনাৰায়ণৰ প্ৰথম ৰাজ্য বাৰেন্দ্ৰ বুলি অনুমান কৰিব পাৰি। কিয়নো বাৰেন্দ্ৰৰ অন্য নাম গৌড়। †

১২০৩ খ্ৰীঃ অব্দত বখ্‌তিয়াৰ খিলিজিয়ে যেতিয়া গৌৰ বা লক্ষ্ণণাৱতী অধিকাৰ কৰে, সেই সময়ত তিব্বত ( ভোট ) আৰু গৌড়ৰ মাজত কোচ, মেচ আৰু থাৰু নামে তিনটা প্ৰধান জাতি আছিল ; আৰু এই খণ্ড ঠাইক কামৰূপ বুলিছিল, অৰ্থাৎ কামৰূপ বুলিলে তেতিয়া গৌড় বা বাৰেন্দ্ৰৰ উত্তৰ খণ্ড আৰু আসাম উপত্যকাৰ প্ৰায় আধাখিনিক বুজাইছিল।

পালবংশীয় ৰজাসকল আৰু তেওঁলোকৰ আত্মীয় স্বজন কায়স্থ জাতিৰ ভিতৰত সোমাইছে। এওঁলোকে নিজক ক্ষত্ৰিয় বুলি পৰিচয় দিছিল।* গুৰুচৰিতত ৰামচৰণ ঠাকুৰে আৰু জয়দ্ৰথৰদত্ত কবিৰত্ন সৰস্বতীয়ে দুৰ্লভনাৰায়ণক কায়স্থ বুলি উল্লেখ কৰিছে। ইয়াৰ পৰা অনুমান হয়—ধৰ্ম্মপাল বা ধৰ্ম্মনাৰায়ণ আৰু দুৰ্লভনাৰায়ণ পাল বংশৰেই ৰজা আছিল।

পাল, সেন আৰু আফগান ৰজাসকলৰ কোনো কোনোৱে "পঞ্চগৌড়েশ্বৰ" উপাধি লোৱা দেখা যায় ; যেনে —

১। "পঞ্চগৌড়ে তদা সম্রাট বিশ্বক্‌সেনো মহাব্ৰতঃ।"
বিশ্বক্‌সেন ওৰফে বিজয়সেন (১০৬৯-১১১৯ খৃঃ পঃ)
এড়ুমিশ্ৰৰ কাড়িকা।

২। কবীন্দ্ৰ পৰমেশ্বৰে ( ব্ৰাহ্মণ ) হোচেনচাৰ বিষয় লিখিছে :— (ক) "পঞ্চগৌড়েতে যাৰ পৰম সুখ্যাতি॥

৩। যশোৰাজ খাঁই লিখিছে—
(খ) "শ্ৰীযুত হুসন জগত ভূষণ, ···
পঞ্চগৌড়েশ্বৰ, ভোগ পুৰন্দৰ ······।"

গৌড়-ইতিহাস—লিখকে লিখিছে—"পঞ্চগৌড়েশ্বৰ" উপাধিটো পৰৱৰ্ত্তী কালত এনে সম্মানজনক হৈ উঠিছিল যে পাচলৈ ভূমি শূন্য ৰজাইয়ো নিজক "পঞ্চগৌড়েশ্বৰ" বুলি সম্মান বোধ কৰা হৈছিল।

এই কাৰণেই বোধ কৰোঁ আমাৰ দুৰ্লভনাৰায়ণেও গৌড়ৰ এক খণ্ডত ৰাজত্ব কৰিয়েই

*১৯৭ পৃঃ গৌড়-ইতিহাস ১ম ভাগ।
† গৌড় ইতিহাস ১ম ভাগ ৭৯ পৃঃ।
*১৮৩ পৃঃ গৌৰ-ইতিহাস ১ম ভাগৰজনী কান্ত চক্ৰবৰ্ত্তি।



"পঞ্চ-গৌড়েশ্বৰ" উপাধি লৈছিল॥

এতেকে ওপৰত লিখা কথাবোৰৰ পৰা এইটো সিদ্ধান্ত কৰিব পাৰি যে—

(১) ধৰ্ম্মপাল আৰু দুৰ্লভনাৰায়ণ পালৰজাৰ বংশধৰ।
(২) ধৰ্ম্মপাল বা ধৰ্ম্মনাৰায়ণ আৰু দুৰ্লভনাৰায়ণ ত্ৰয়োদশ শতিকাৰ ৰজা ; অৰ্থাৎ খেনবংশীয় ৰজাৰ আগতে এওঁলোকে ৰাজত্ব কৰিছিল।
(৩) কামৰূপ বা কমতাই সময়ে সময়ে গৌড় নাম লৈছিল।
(৪) ধৰ্ম্মপালৰ ৰাজ্য বৰনদীৰ পৰা বাৰেন্দ্ৰলৈকে আছিল
(৫) দুৰ্লভনাৰায়ণ প্ৰথমতে বাৰেন্দ্ৰৰ ৰজা হৈছিল ; পাচত ধৰ্ম্মপালৰ ৰাজ্য অধিকাৰ কৰি কৰতোয়াৰ পৰা বৰনদীলৈকে ৰাজ্য বিস্তাৰ কৰিছিল।
(৬) দুৰ্লভনাৰায়ণৰ পাচত খেনবংশৰ অভ্যুদয় হয় ; এওঁলোকে পোনতে কোচবিহাৰ জলপাইগুৰিত ৰাজত্ব কৰে ; পাচত দুৰ্লভৰ পুত্ৰ ইন্দ্ৰনাৰায়ণৰ হাতৰ পৰা দক্ষিণ আৰু পূব অঞ্চল অধিকাৰ কৰি বৰনদীৰ পৰা কৰতোয়ালৈকে ৰাজ্য বহলায়।

আশা কৰোঁ অনুসন্ধান-কাৰীসকলে আমাৰ সংগৃহীত কথাখিনি পঢ়ি ভুল-ভ্ৰান্তি আঙুলিয়াই দিব।

শ্ৰীহৰি নাৰায়ণ দত্ত বৰুৱা,
যোৰহাট
১২।১২।৩০।

---

## দেহাৰ প্ৰলয়ৰ সমিধান।*

প্ৰিয় সুহৃদ,

(১)

'দেহাৰ প্ৰলয়' পাই, ততালিকে মেলি চাই,
বন্ধু-বিচ্ছেদৰ ভাবে এনেহে কৰিলে :—
মই যেন মোত নাই, 'কিনো হ'ল ?' বুলি হায় !
দুধাৰি চকু-লো মোৰ বাগৰি পৰিলে।

(২)

ব্ৰজ-লীলা সাং কৰি, গোপীকুল পৰিহৰি,
যাবনেকি 'বেণুধৰ' মথুৰাৰ ফালে ?
সখাৰ অমিয়া মাত, যদিওবা আছে তাত,
আগাচ কি নাৰাখিব ব্ৰজ-মায়া-জালে ?

(৩)

কিছুপৰ কিছুপৰ ৰোৱঁা, প্ৰিয় বন্ধুবৰ !
কৰিব লগীয়া লীলা আৰু যি যি আছে,
কৰি লোৱঁা কৰি লোৱঁা,লেঠা ছিন্সি সাজু হোৱা ;
সমিধান দিয়া যদি দিকা বহু পাছে

(৪)

ব্ৰজ-লীলা সাং হলে, মথুৰালৈ গতি ললে,
"সালোক্য" "সামীপ্য" লভি গোলোকধামত,
এৰিবানে তুমি হায় ! মৰতলৈ ঘূৰি চাই
মৰমৰ এটি ভাব বন্ধুৰ নামত ?

( তোমাৰ )

ডিব্ৰুগড়
২৩।৪।৩০ } মৰতৰ অকপট বন্ধু,

'মফিজ'

---

*শ্ৰীযুত বেণুধৰ ৰাজখোৱাৰ "দেহাৰ প্ৰলয়"ৰ সমিধান স্বৰূপে মৌঃ মফিজুদ্দিন আহ্মদ হাজৰিকাই লিখা।

# অসমীয়া ভাষা

ভাষা কি বা ভাষা কাক বোলে ?—এনে এটা প্ৰশ্ন কৰিলে ইয়াৰ যথাৰ্থ উত্তৰ দিব পৰা অলপ কঠিন হৈ পৰে। তথাপি তাৰ এটা মীমাংসা কৰিবলৈ হলে কব লাগিব যে, ভাব প্ৰকাশৰ উপায়কে ভাষা বোলে। কেৱল মানুহৰ মাত টোৱেইহে ভাষা হ'ব পাৰে এনে নহয়। সাঙ্কেতিক চিন্, চকুৰ ঠাঁৰ, ফুলৰ শোভা আদিও ভাব প্ৰকাশক, এতেকে সেইবোৰো ভাষা। কিন্তু সৰ্ব্ব-সাধাৰণতে আমি ভাষা বুলিলে মানুহে কোৱা কথাখিনিহে বুজোঁ। সংস্কৃত শব্দ 'ভাষন্' অৰ্থাৎ কথাৰ পৰাই ভাষা শব্দ আহিছে। কথা কোৱাৰ গুৰি হৈছে জিভা। মানুহৰ কণ্ঠৰ পৰা শব্দ আৰম্ভ হয়। দাঁত, ওঁঠ, নাক তালুৰ সংযোগত জিভাৰ যি সম্বন্ধ সেইয়ে শব্দ বা ধ্বনিৰ সৃষ্টি। এই কাৰণেই বৰ্ণমালাৰ শ্ৰেণী বিভাগ।

এইখিনি ভাবি-চিন্তি ভাষাৰ বৰ্ণনা এটা দিবলৈ হলে ক'ব লাগিব যে' ভাব প্ৰকাশ কৰিবলৈ কোনো এটা জাতিয়ে বা কোনো এদল মানুহে স্বাভাৱিক উপায়ৰ সহায়লৈ যি পৰিমাৰ্জ্জিত ভাষণ বা কথা সৃষ্টি কৰিছে সেয়ে ভাষা। এই কাৰণেই কিছুমান অৰ্থ থকা আৰু অৰ্থ প্ৰকাশ কৰিব পৰা মাতকো ভাষা বুলি চোৱাল বোলা হৈছে। এইখিনিতে এটা প্ৰশ্ন আপোনা-আপুনি মনলৈ আহে। লিখা-ভাষা আৰু কোৱা-ভাষাৰ পাৰ্থক্য হ'ল কেনেকৈ ? অলপ গমি চালেই কথাটো ধৰিব পাৰি যে, উৎকৰ্ষ সাধনৰ উন্নতি হোৱাৰ লগে লগে গ্ৰাম্য-ভাষা অৰ্থাৎ সৰ্ব্ব-সাধাৰণতে কোৱা কথাবিলাক তল পৰে। সৰু লৰাই 'জিজি' বুলিলে যিটো বস্তু বুজে বা 'কেপে খাব' বুলিলে যেনেকৈ ভয় কৰে বয়সীয়া এজনে সেইখিনি শুনি হয়তো উপহাসৰ হাঁহি এটাও নেমাৰিব পাৰে। কিন্তু সেইবুলি এইটো বয়সিয়ালৰ দোষ নহয়। দোষ অকল শব্দৰহে।......

ভাৰতীয় সকলো ভাষাৰ মূল সংস্কৃত। অসমীয়া ভাষাৰ মূলো সংস্কৃতেই। টাই জাতিৰ শাসনত আদি অসমীয়া ভাষাত কিছুমান সেই জাতীয় শব্দ সোমাল। তাৰ পাচত কাছাঁৰ নিচিনা এটা ক্ষমতাশালী ভাষাৰ ছাঁও পৰাটো অতি স্বাভাৱিক। এই তিনি বিধ ভাষাৰ সানমিহলি হৈ অসমীয়া ভাষাৰ প্ৰতিষ্ঠা হ'ল। শঙ্কৰী যুগৰ পাচৰ পৰা আকৌ এটা নতুন ছাব পৰিল—মৈথিলী আৰু ব্ৰজবুলী ভাষাৰ; কিন্তু সেই দুটা ভাষাৰো গুৰি সংস্কৃতেই। বৰ্ত্তমান যুগৰ অসমীয়া ভাষাই আৰু এটা নতুন ৰূপ পালে ইংৰাজী সাহিত্যৰ সংমিশ্ৰনত। এতিয়াৰ অসমীয়া ভাষা আদি অসমীয়া ভাষাতকৈ অনেক প্ৰকাৰে বিলগ। এসময়ত সঁজুলি বুলিলে যিবোৰ বস্তু বুজিছিল আজিকালি সেইবোৰ হাঁঠিয়াৰ বা সৰঞ্জাম বুলিলেহে বুজা হয়। আনকি, কোনো কোনো ঠাইৰ গাৱলীয়া মিস্ত্ৰীৰ মুখতো ইংৰাজী শব্দ 'ইষ্টুমেণ্ট'ৰ ঠাইত ইনষ্ট্ৰুমেন্ বোলা শুনা হৈছে। কোনোৰ মতে এইখিনি হোৱাটো অমঙ্গলৰ চিন। আমি কওঁ ই শুভলক্ষণ হে—কাৰণ বিশ্ব-মিলনৰ পথত এনেকুৱা সংমিশ্ৰন অতি প্ৰয়োজনীয়। ইয়াক কোনোমতে বাধা দি ৰাখিব নোৱাৰি। মিছাতে মূৰ খুন্দিয়াই মৰা ৰক্ষন-শীলতাই একো কৰিব নোৱাৰে।

যেতিয়া বিদেশী শব্দ অশিক্ষিতৰ মাজত প্ৰচলিত হয় তেতিয়াই তাৰ অপভ্ৰংশৰ সৃষ্টি হয়। যি ভাষাত যিমান বেচি অপভ্ৰংশ শব্দ আছে সেই ভাষাৰ মানুহ সিমান বেচি অশিক্ষিত। আমাৰ দেশত এনে এদল সাহিত্যিক আছে যিসকলৰ



হাতত পৰিলে মূল শব্দবোৰে বিকৃত আকাৰ ধাৰণ কৰি 'অসমীয়া' নাম লয়। 'তৃপ্তি' শুচি 'তিৰিপিতি', 'মহীৰাৱণ'ৰ ঠাইত 'মৈৰাৱন' ইত্যাদি! যদি কিছুমান শব্দ ভাঙ্গি মোহাৰি পানী কৰি পেলালেই অসমীয়া হয়, যদি অসমীয়া মানুহৰ জিভা বৰকৈ দোবোল নাথায় তেন্তে অসমীয়া ব্যাকৰণৰ কোনো প্ৰয়োজন নাই। পৰোজন, পৰীখা, লখন, কৰম, ধৰম চলি যাওক—আৰু আমি সেয়ে অসমীয়া ভাষাৰ বিশিষ্টতা বুলি বহি থাকোঁ। এনেকুৱা অসমীয়াত্বই কিমানখিনি অপকাৰ কৰিছে ভাবি চাওক :—

প্ৰথমে উচ্চাৰণত ব্যাঘাত ঘটাইছে। তাহানি কানীয়া অসমীয়াই গেথো-গেথোকৈ মতা ধৰণটো আজিও উঠি যোৱা নাই। কোনোবাই হ্ৰস্ব-দীৰ্ঘ আৰু কঠিন কোমল শব্দৰ পাৰ্থক্য ৰাখি উচ্চাৰণ কৰিলে 'বঙলুৱা' বুলি হাঁহিয়াতৰ পাত্ৰ হ'ব লগা হয়। দ্বিতীয়তে অসমীয়া কবিতাত ছন্দৰ হিল্লোল নাথাকে। সংস্কৃতৰ ঠগত ছন্দৰ ঢৌ পেলি যোৱা কবিতা ৰচনা কৰিলে সমালোচকে ক'ব 'ৰবি ঠাকুৰৰ নকল'; হয়তো লিখকে ৰবি থাকুৰক চিনিও নাপায়। তৃতীয়তে ইয়াৰ পৰা আমি ব্যাকৰণৰ বেমেজালি ঘটাওঁ। শৃঙ্খলা নাইকিয়া এটা ভাষাত কি ভাল ফল আশা কৰিব পাৰি? ইংৰাজী শব্দ Match ( মেৎস্ ) ক অসমীয়া মেচ কৰি পেলোৱা যদি যুক্তিসঙ্গত হয়—তেন্তে Mess ক কি কৰা ভাল হ'ব? সেইদৰে Bridge আৰু Breeze কেনেকৈ লেখিব ? আজি কালি বহুত ৰাজনীতি বিষয়ক শব্দ আমাৰ ভাষাত সোমাইছে। সেইবোৰ শব্দ কোনোৱে অসমীয়া সাঁচত ঢালিবৰ চেষ্টা কৰিছে আৰু মূলৰ দৰেই ৰাখিছে। মূলৰ দৰে ৰাখিব পৰাটোৱেই সৰ্ব্বতোভাবে মঙ্গল। কাৰণ যদি এজন ইংৰাজে অসমীয়া পঢ়ে তেওঁ সেই ইংৰাজী শব্দটো পাই এটা ধাৰণা কৰিব পাৰিব। এতিয়া আমাৰ বিপত্তি আৰম্ভ হৈছে ইংৰাজীৰ পৰা ch, sh, ss, ce, tion, ssion, ish আদি উচ্চাৰণবিলাক অসমীয়াত লেখাত। ch অৰ ঠাইতো চ, sh, ss আৰু ce ইৰ ঠাইটো চ লেখা ভুল। হেমকোষৰ পাতনিত লেখিছে—"আমাৰ ভাষাত বৰ্ণবিন্যাস তিনি প্ৰকাৰে কৰা হয়। প্ৰথমে উচ্চাৰণ অনুসৰি, দ্বিতীয়ত মূল শব্দৰ দৰে, তৃতীয়ত জনালোকসকলে বহুদিন চলোৱা নিয়মমতে। কিন্তু বৰ্ণবিন্যাসৰ কথাত উচ্চাৰণেই ঘাই বাট-দেখাওঁতা"। যদি হেমচন্দ্ৰ বৰুৱাৰ এই কথা সত্য হয় আৰু আমি ব্যাকৰণ মানো তেন্তে ইংৰাজী শব্দ As-otiation অসমীয়াত এচোচিয়েচন লিখা তেনেই ভুল। আমাৰ বৰ্ণমালাটোৱে যদি কেৱল আদত অসমীয়া কথাখিনিকে লেখি থাকি আমি চলিব পাৰিলোহেঁতেন তেনেহলে চ আৰু ছ ৰ বিলগ বিলগ ব্যৱহাৰৰ প্ৰয়োজন নাছিল। কিন্তু যেতিয়া আমি সেইটো কৰিব নোৱাৰো তেতিয়া চ আৰু ছ ক উচ্চাৰণ অনুসৰি বিলগ কৰিবই লাগিব। তাকে নকৰিলে ধৰা পৰিব লাগিব। ধ্বনি-তত্ত্ব বিচাৰ কৰি চালে পোৱা হয় ch ৰ উচ্চাৰণত ত্ আৰু স্ সোমাই আছে। চ ৰ সমষ্টিও ত্ আৰু স্। গতিকে Match অৰ ঠাইত মেৎস্ নিলিখি মেচ লেখাই যুগুত। কিন্তু Association বোলোতে এছোছিয়েশ্চন লেখাহে শুদ্ধ। সেইদৰেই—tion ssion, = শ্চন আৰু son ছন, যেনেকৈ 'কম্পিটিশ্চন'। ষ্টেশ্চন, মিশ্চন, গুডমাৰছন ইত্যাদি।* sh শ্ব যেনেকৈ শ্বিলং। শ্বেক্স্পীয়েৰ ইত্যাদি। ce, s, ss, = ছ। কিন্তু ish ৰ ঠাইত ি কাৰ আৰু ঃ দিয়াহে উচিত। British শব্দটো উচ্চাৰণ কৰোঁতে শেহত ইহ্শ্ যেন শুনা যায়।

* বঙলুৱা লিখন প্ৰণালী ষ্টেশ্যন, মিশ্যন ক অসমীয়াত মুস্তুযুৱালেই ভাল।

সেই হেতুকে বৃটিচ নেলেখি বৃটিঃশ্ † লেখাহে ব্যাকৰণ সঙ্গত। সেইদৰেই আইৰিছ নেলেখি আইৰিঃশ্ † লেখাহে শুদ্ধ। সেয়ে নহলে Entice এ'ন্টিছ আৰু বৃটিচৰ ৰ মাজত বহুত গণ্ডগোল উপস্থিত হ'ব। ( আগলৈ। )

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা

---

# কাইথেলী অঙ্ক অনুসন্ধান।

**আগৰ অনুসন্ধানৰ কথা।** সৰুৰে পৰা আমাৰ কৌতুকত বৰ মন আৰু ভ্ৰমণত। সেয়েহে কৌতুক আৰু ভ্ৰমণত মন দিছোঁ।

প্ৰাচীন কালৰ দেশী ভাষাত চলা গণন বিস্থাৰ চমৎকাৰ চৰ্চ্চাও এক কৌতুক। সেই কাৰণে আমি প্ৰাচীন অঙ্ক-সংগ্ৰহৰ নিমিত্তে অনুসন্ধান কৰিছোঁ।

ধুবুৰীৰ পৰা লিডুলৈ আসাম উপত্যকাত এবাৰ অনুসন্ধান-কাৰ্য্য কৰা হৈছে। অকল ৰেল-জাহাজেৰে আমি ফুৰা নাই। গুৱাহাটী, বৰপেটা, বৰ্‌গা, শালকচা, মঙ্গলদৈ, জামুগুৰি, আউনিআটি সত্ৰ, শিৱসাগৰৰ পৰা যোৰহাট, গৰমপানী, বৰপথাৰ, লিডু, নগাপথাৰ প্ৰভৃতি অনেক ঠাইত ৬০।৯৮ মাইল পৰ্য্যন্ত খোজ কঢ়া হৈছে।

অনুসন্ধান কাৰ্য্যৰ লগতে আচৰিত ঘটনাও দেখা হৈছে। গৰমপানীৰ পানীত জুইশলা মাৰিলে জুই উঠা ঘটনা, নগাপথাৰৰ নগাৰ ঘৰ বস্তি, ৰংপুৰৰ প্ৰাচীন কীৰ্ত্তিকলাপ প্ৰভৃতি। তদুপৰি গাঁৱলীয়া প্ৰাচীন 'সাঁথৰ' প্ৰায় ৫০০ সংগ্ৰহ কৰা হৈছে। এই বাৰ পঢ়ি মাননীয় শ্ৰীযুক্ত সূৰ্য্যকুমাৰ ভূঞা প্ৰফেচাৰ মহাশয়ে প্ৰকাশৰ যোগ্য বুলি জনাইছে

এই ভ্ৰমণত তিনটা ভয়লগা ঘটনা ঘটিছিল। (১ম) ডিগবৈৰ মাৰ্ঘেৰিটাৰ ভয়ানক কষ্ট, (২য়) আউনিআটি সত্ৰৰ ঘাটৰ নাৱৰ ঘটনা, (৩য়) থাকপতীয়াৰ বাঘৰ প্ৰকোপ।

ভগবানৰ কৃপা নহলে এই অঙ্ক অনুসন্ধান কাৰীৰ নাম তেতিয়াই কৰবাত পৰি ৰ'লহেতেন।

আমি বিশেষকৈ ১৯২১ ইং চনৰ পৰা অঙ্ক চৰ্চ্চাত লাগোঁ। মুঠতে আমি ২৫৮টা অঙ্ক পাওঁ। ১৮৫২ শকত কাইথেলী অঙ্ক পুথিত ( ১৬ পেজি ১০ ফৰ্ম্মা ) ২৪৫ টা অঙ্ক প্ৰকাশ হৈছে। তাত ক-ফলা, স্ক-ফলা, সিদ্ধি-ফলা, আকাৰ-ফলা, নামখৰিভঙা, আদি ফলা আৰু আঠকঠা, দশাঙ্ক, বিস্থাউঠি, পিয়ল, পঙ্কক আদি হিচাবৰ কথা উল্লেখ আছে। এইবোৰ চৰ্চ্চা কৰা পণ্ডিতৰ নাম। যেনে :— জ্যোতিষ চূড়ামণি, কবিচূড়ামণি, বাছনা ঠাকুৰ, আছাঙ্গাৰ, বকুল কায়স্থ, শুভঙ্কৰী, কাৰ্ত্তিক, ময়ুৰ কাই, পণ্ডিত বুদ্ধিনাৰায়ণ চৌধাৰী।

**অঙ্কৰ কথা।** কাইথেলী অঙ্কনো কি তাক কাইথেলী পুথিত লিখা হৈছে। তদুপৰি গত ৬।৩।৩০ তাৰিখৰ পৰা আমি গোৱালপাৰা, শালকচা, বৰপেটা, গুৱাহাটী, তেজপুৰ, জামুগুৰি, যোৰহাট, টিয়ক প্ৰভৃতি ঠাইত ফুৰাৰ লগে লগে হাই স্কুল নৰ্ম্মাল স্কুল প্ৰভৃতিত অঙ্কৰ বক্তৃতা দিওঁ। তাৰ পৰাও বহুত শ্ৰোতাই এই অঙ্ক কি জানিব পাৰিছে। এজনে বুজাই দিলে, এই অঙ্কত বৰ আনন্দ পোৱা যায়।

---

† British, Irish শব্দৰ অসমীয়া বৰ্ণ বিন্যাস ( Transliteration ) ত ওপৰত লিখা মতে অতি আসক্ত যেন লাগে। —সঃ সঃ



## অনুসন্ধান কাৰ্য্যত নিয়োগ।

গত ৩১।৩।৩০ তাৰিখ আৰু ২৬।৪।৩০ তাৰিখে দুদিন যোৰহাট চন্দ্ৰকান্ত সন্দিকৈ হলত অঙ্কৰ বক্তৃতা দিয়া হয়। প্ৰথম দিনা প্ৰিয়বৰ শ্ৰীযুত হৰিনাথ ভট্টাচাৰ্য্য বি, এচ, চি, ইঞ্জিনিয়াৰ্ মহাশয়, দ্বিতীয় দিনা মাননীয় ৰায় বাহাদুৰ শ্ৰীযুক্ত ৰাধাকান্ত সন্দিকৈ মহাশয়ে তাত সভাপতিৰ আসন গ্ৰহণ কৰিছিল।

প্ৰাচীন অঙ্কৰ কথা শুনিয়েই ২৭।৪।৩০ তাৰিখৰ আসাম সাহিত্য-সভাৰ কাৰ্য্যনিৰ্ব্বাহক সমিতিয়ে আমাক অঙ্ক অনুসন্ধানৰ কাৰ্য্যত নিযুক্ত কৰে। এই কাৰ্য্য কেনেকৈ কত কি কৰিব লাগিব সেই বিষয়ে পূজনীয় শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ৰ আদেশ আৰু উপদেশ লবলৈ উক্ত সমিতিয়ে আমাক আদেশ দিছে। সেই মতে ২৫।৫।৩০ তাৰিখে এই কাৰ্য্যত নিযুক্ত হৈছোঁ আৰু যথাসাধ্য যত্নেৰে কাৰ্য্য কৰিছোঁ।

## অনুসন্ধান উপলক্ষে ভ্ৰমন।

গুৱাহাটী—উত্তৰ গুৱাহাটী অঞ্চল, পাঠশালা-বজালী অঞ্চল, বৰপেটা-পাটবাউসী অঞ্চল, বাহহাটা অঞ্চল, কৈঠালকুচি-জাগাৰা সত্ৰ, দক্ষিণবৰক্ষেত্ৰি অঞ্চল, বিলাসীপাৰা-শালকচা অঞ্চল, ধুবুৰী-গৌৰীপুৰ অঞ্চল, ভবানীপুৰ প্ৰভৃতি ঠাই ফুৰা হয়। এই ফুৰা কাৰ্য্যত এতিয়ালৈকে আমাৰ ৫০ দিন খৰচ হৈছে। আমি স্কুলৰ কাৰ্য্যত থকা গতিকে কোনো কোনো ঠাইৰ কাৰ্য্য শেষ কৰিবলৈ ২।১ দিনো অপেক্ষা কৰিব নোৱাৰা বাবে পুনঃ সেই ঠাইলৈ যোৱাৰ আৱশ্যক আছে।

## নতুন অনুসন্ধান কাৰ্য্য।

১। পুথি দুখন আৰু পুথিৰ পাত ৮ টা পোৱা হৈছে; এখন জ্যোতিষ চূড়ামণি, আনখন জ্যোতিষ গননাৰ পুথি। ইয়াত কিমান অঙ্ক, কি কথা আছে আমি বিশেষকৈ চাব পৰা নাই। ভালকৈ আখৰকে পঢ়া টান। চেষ্টা কৰিলে পৰা যাব। মুঠতে ১ম পুথিৰ পাত ২২টা ( বাইশ ) পাতৰ দীঘ আৰু পুতল (১০"×৩") ইঞ্চি। পাতবোৰৰ দুয়োপিঠি লিখা।

২য় পুথিৰ পাত ২৬ ছাবিশটা। পাতৰ দীঘ পুতল ( ১২"×৩" ) ইঞ্চি। পাতৰ দুয়োপিঠি লিখা।

৩য় ৮ আঠোটা পাতৰ দীঘ-পুতল (১০"×৩") ইঞ্চি, দুয়োপিঠি লিখা।

২। (ক) ২৩।৭।৩০ তাং বামুনকুচিৰ [পোঃ পাঠশালা] শ্ৰীযুত আনন্দিধৰ দত্ত মজুমদাৰৰ ঘৰত ১ম খন পুথি পাওঁ। তাৰ অঙ্ক জনা পণ্ডিত ৺ নাউমনি দত্ত মজুমদাৰৰ পৰা স্বৰ্গীয় ৺ মাধৱ চন্দ্ৰ বড়দলৈ মহাশয়ে বহুত অঙ্ক নিয়া বুলি কয়। উক্ত বড়দলৈ মহাশয়ৰ ঘৰত অঙ্ক কিছু পোৱা বুলি [ ১১।১০।২৭ তাৰিখে ] আমাৰ প্ৰকাশিত অঙ্ক পুথিত লিখা আছে।

(খ) ১০।৮।৩০ তাৰিখে কাৰ্চকাটাৰ ( পোঃ বাহহাটা ) শ্ৰীযুক্ত ৰত্নসেন চৌধাৰীৰ পৰা ৩য় দফাত লিখা চিৰা-ভঙা পাত খিনি পোৱা হয়।

(গ) ২।১১।৩০ তাৰিখে, কৈঠালকুচিৰ ( পোঃ বেলশৰ ) শ্ৰীযুক্ত নৰেশ্বৰ মিশ্ৰ ভাগৱতী বি এ মহাশয়ৰ পৰা ২য় খন পুথি পোৱা হয়।

৩। (ক) সম্বাদ:— মাখিবাহা ( টীহু পোঃ ) বন্দুৱা দ'ল বোলা ঠাইত প্ৰাচীন বৌদ্ধ মন্দিৰ আছিল। তাত প্ৰাচীন 'কাইথেলী অঙ্ক—জ্যোতিষ অঙ্কৰ' চৰ্চ্চা হৈছিল। পণ্ডিত ৺গোপীনাথৰ ঘৰত এখন বৃহৎ অঙ্কৰ পুথি আছে। বৰ্ত্তমান ইয়াৰ মালিক শ্ৰীযুক্ত চন্দ্ৰনাথ শৰ্ম্মা ডাডৰীয়া।

(খ) বৰপেটাৰ শিলা অঞ্চলত প্ৰাচীন জ্যোতিষ, অঙ্ক, স্মৃতিৰ চৰ্চ্চা চমৎকাৰ আছিল। কেওটকুচিত পুথি এখনৰ সম্বাদ আছে।

(গ) গুৱাহাটীৰ ( বাণেশ্বৰ দেৱালয়ৰ ) শ্ৰীযুত হৰিনাথ বৰুৱাৰ ওচৰত অলপ অঙ্ক পুথিৰ পাত আছে। মাননীয় শ্ৰীযুক্ত সূৰ্য্যকুমাৰ ভূঞা প্ৰফেচাৰ মহাশয়েও এই সম্বাদ জানে।

(ঘ) নলবাৰী সত্ৰ, (আঠগবিয়া পোঃ) ভট্টাচাৰ্য্যৰ ঘৰত পুথি থকা বুলি পূজনীয় নলবাৰীৰ সত্ৰাধিকাৰ মহোদয়ে কৈছে।

(ঙ) (I) লীলাবতী ...... কবিৰত্ন কৃত
(II) অঙ্কৰ আৰ্য্যা ...... কাশীনাথ কৃত
(III) কিতাবত......বকুল কায়স্থ
(IV) আঠবগীদাস...... "
(V) অঙ্ক পুথি...... "
(VI) অঙ্কৰ গান......৺শঙ্কৰ দেৱ

এইবোৰ পুথিৰ নাম পাইছোঁ। ক'ত ক'ত আছে সঠিক সম্বাদ পোৱা নাই। কামৰূপ অনুসন্ধান সমিতি, কমিচনাৰৰ অফিচ, পণ্ডিত ৺হেমচন্দ্ৰ গোস্বামী মহাশয়ৰ ঘৰত থকা শুনা যায়। (চ) ঝাউবাৰী (বহা পোঃ)—শ্ৰীযুক্ত গোপীমোহন গোস্বামীৰ ঘৰত অসংখ্য পুৰণি পুথি দেখি আহিছোঁ। তেখেতে 'অঙ্ক' পুথি থকা বুলি কৈছিল [১৯২৫।১০ মাৰ্চ্চ, মঙ্গলবাৰে]।

(ছ) ছয়গাঁও ঠাকুৰ পাৰাৰ শ্ৰীযুক্ত কৃষ্ণকান্ত অধিকাৰীয়ে বহুত প্ৰাচীন পুথি থকা বুলি চাবলৈ মাতিছে।

(জ) তদুপৰি তলৰ ঠাইবোৰত পুৰণি পুথি ঢেৰ আছে। অনুসন্ধানৰ আৱশ্যক। যেনেঃ—

গৌৰীপুৰ ৰাজলাইব্ৰেৰী, বামুনদি-লাউপাৰা মহন্তৰ ঘৰ, কুকুৰাবাহীসত্ৰ, সাদেৰী (পোঃ পাঠশালা) মঙ্গলদৈ (টেঙাবাৰীৰ কামৰূপৰ পৰা যোৱা মৌজাদাৰৰ ঘৰ), তেজপুৰ (সুন্দৰীসত্ৰৰ বৰপেটাৰ পৰা যোৱা অধিকাৰীৰ ঘৰ), শিৱসাগৰ (কাৰৈমৰা সত্ৰ)। আউনীআটি নাইবা অন্য ঠাইতো নতুন সম্বাদ ওলাব পাৰে।

ওপৰত পুথি থকাৰ সম্বাদ লিখা হল। বহুত প্ৰাচীন ধৰণৰ বুঢ়ালোকে পুথিভড়াল চাবলৈ সুবিধা নিদিয়াও এক সম্বাদ। আমি বহুত প্ৰাচীন পুথি পাইছিলো। আমাৰ কাৰ্য্যত নহা গতিকে অনা নাই। পাতৰ আঁত নথকা প্ৰাচীন ঔষধৰ পুথি এখন পাইছোঁ। কোনোলোকক লাগিলে নিব পাৰে।

৪। (ক) অহা বৰদিনৰ বন্ধত শিৱসাগৰ তেজপুৰ আদিৰ অনুসন্ধান কাৰ্য্য কৰিবলৈ আমাৰ ইচ্ছা। লগতে সুবিধানুযায়ী ওপৰত লিখা ঠাইৰ কাৰ্য্যও কৰা হব।

(খ) কামৰূপ অনুসন্ধান সমিতি আৰু কমিচনাৰ অফিচৰ কাৰ্য্যত ঢেৰ সময় খৰচ হবৰ সম্ভৱ। আমি আশা কৰো পূজনীয় শ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী মহোদয়ে এই সম্বাদ সম্পৰ্কীয় কথালৈ মন কৰি আমাক উপযুক্ত উপদেশ দি আমাৰ কাৰ্য্যত সুবিধা কৰি দিব।

এই কাৰ্য্যৰ ভিতৰত বঙ্গালী অঞ্চলত কুৰোতে শ্ৰীযুক্ত পদ্মধৰ দত্ত মজুমদাৰ, বৰপেটাত শ্ৰীযুত হেমৰথ দত্ত চৌধাৰী, পাটবাউসীৰ সত্ৰাধিকাৰ শ্ৰীযুক্ত বামদেৱ গোস্বামী মহাশয়ে সহায় কৰে। আৰু গৌৰীপুৰৰ মাননীয় শ্ৰীযুক্ত ভবেন্দ্ৰনাৰায়ণ বৰুৱা, শ্ৰীযুক্ত সাৰদাপ্ৰসাদ দত্ত চৌধাৰী, শালকচাৰ জমিদাৰ শ্ৰীযুক্ত উমেশচন্দ্ৰ নিয়োগীয়ে কেৰাদিনো আমাৰ লগত একেলগে ফুৰি আমাক সহায় কৰা অনুসন্ধানৰ পক্ষে হিতকৰ ঘটনা।

আমাৰ প্ৰকাশিত পুথিৰ [৩৪ পৃষ্ঠাৰ] অঙ্ক খিনি এজন জ্যোতিষী বুঢ়া অধ্যাপকৰ সহায়ত এতিয়া ভালদৰে বুজিছো। পুনঃ— সেই অঙ্কৰ ২১১টি নিয়ম পোৱা হৈছে।

**উপসংহাৰ]** কাইথেলী থ-ঠ লৈ অনৈক্য মত। কায়স্থ জাতিয়ে অঙ্ক চৰ্চ্চা কৰা বাবে "থ" হোৱা বহুতৰ মত। আনকি ১৯।৭।৩০ তাং মাননীয় ৰায় বাহাদুৰ শ্ৰীযুক্ত কনকলাল বৰুৱা মহাশয়ে গুৱাহাটীত আমাক বহুত কয়। আকৌ ৪।১০।৩০ তাৰিখে ধুবুৰীৰ চাব ৰেজিষ্ট্ৰাৰ মাননীয় শ্ৰীযুক্ত হৰিনাথ পাঠক মহাশয়ে "ঠ" ৰ কথা কয়। সঠিক কি? অকল কায়স্থ জাতিয়েই অঙ্ক চৰ্চ্চা কৰা নাছিল।



সাহিত্য-সভাৰ অৱগতিৰ অৰ্থে আমাৰ অংশিক অনুসন্ধানৰ কথা জনোৱা হল॥

বিনীত—
শ্ৰীনন্দীৰাম দত্ত,
কাইথেলী অঙ্ক অনুসন্ধানকাৰী।

---

# ভক্তসাধক তুলসীদাসৰ চম্ জীৱনী।

১৫৮৯ সম্বতৰ জ্যেষ্ঠা নক্ষত্ৰৰ শেষ আৰু মূলাৰ প্ৰথম পাদত অভুক্তমূলত (গণ্ডত) বান্দা জিল্লাৰ চিৰপ্ৰবাহিনী যমুনা তীৰস্থ ৰাজপুৰ গাৱঁত প্ৰাতঃস্মৰণীয় পুণ্যশ্লোক ভক্তসাধু কবি তুলসীদাসৰ জন্ম হয়। এওঁৰ পিতাকৰ নাম আত্মাৰাম শুক্ল আৰু মাকৰ নাম হুলসীদেৱী। এওঁবিলাক দুবে উপাধিকাৰী পৰাশৰ গোত্ৰৰ ব্ৰাহ্মণ। জ্যেষ্ঠাৰ শেষ আৰু মূলাৰ আৰম্ভত অভুক্তমূলত অৰ্থাৎ গণ্ডত ওপজা লৰা পিতৃহন্তা আৰু অতি নীচ প্ৰকৃতিৰ হয় বুলি জ্যোতিষত লিখা আছে। জ্যোতিষৰ মতে এনেকুৱা লৰা পৰিত্যাগ কৰা উচিত। কিন্তু যদি পুত্ৰবাৎসল্য হেতুকে বাপেকে তেনে নিদাৰুণ কাম কৰিব নোৱাৰে তেন্তে লৰাৰ আঠ বছৰ বয়স নহয় মানে তেওঁ তাৰ মুখ নাচাব!

আত্মাৰামে ভালকৈ জ্যোতিষ জানিছিল। পুতেকৰ জন্মলগ্ন দেখি তেওঁৰ গাৰ নোম শিয়ৰি উঠিল। তেওঁ পুতেক ওপজা লগ্নৰ কথা হুলসীদেৱীক ভালকৈ বুজাই কৈ সেই অমঙ্গলীয়া লৰাটো তত্তালিকে পৰিত্যাগ কৰিবলৈ পত্নীক আদেশ কৰিলে। স্বামীৰ আজ্ঞা অনুযায়ী স্নেহময়ী মাকে চকুলো টুকি টুকি পুতেকক অতি নিৰ্জ্জন ঠাইলৈ নি নৱজাত তুলসীক নিৰাশ্ৰয়ৰ আশ্ৰয় ভগৱন্তৰ শ্ৰীপাদপদ্মত সমৰ্পণ কৰি অতি বিষাদ মনেৰে ঘৰলৈ উভটি আহিল। এতিয়া শূণ্যক্ৰোড়া আৰু ভগ্নহৃদয়া মাক হুলসীদেৱীয়ে গোটেই ব্ৰহ্মাণ্ড আন্ধাৰ দেখিলে। তেওঁৰ মানত ঘৰ শ্ৰীহীন, জগত অৰণ্য আৰু সংসাৰ মৰুভূমি হল। জীৱনৰ আশ্ৰয়তৰুৰ অঙ্কুৰ মূলতে নিৰ্ম্মূল হল। হায় হায়! আশাৰ স্নিগ্ধ জ্যোতিটি তেওঁ কেৱল ছয়ামযাকৈহে দেখিলে। উঃ! হুলসীদেৱীৰ কপালত বিধতাই ইয়াকেহে লিখিছিল!!

আত্মাৰাম শ্ৰীৰামচন্দ্ৰৰ ভক্ত আছিল দেখি হুলসীদেৱীও শ্ৰীৰামচন্দ্ৰৰ উপাসিকা আছিল। এই বিপদসাগৰৰ পৰা উত্ৰাণ পাবৰ আন একো উপায় নেদেখি তেওঁ একমাত্ৰ প্ৰভু শ্ৰীৰামচন্দ্ৰৰ শ্ৰীচৰণ ধ্যান কৰি শিশু পুত্ৰৰ কল্যাণ কামনা কৰিবলৈ ধৰিলে। কিন্তু স্নেহৰ সাক্ষাত প্ৰতিমূৰ্ত্তি মাকে পুতেকক ঈশ্বৰৰ চৰণত গতাই দিয়েই মন তাপৰি থাকিব পাৰেনে? তেওঁৰ মন লাহে লাহে ভ্ৰম হোৱাদি হল। তেওঁ এবেলি মনতে ভাবে—যাওঁ উৰা মাৰি যাওঁ—এবাৰ তাৰ মুখখনি চাই পিয়াহ দি আহোঁগৈ—সি চাগৈ ভোকে পিয়াহে লালকাল হল! এনেতে স্বামীৰ কঠোৰ আজ্ঞাৰ কথা মনত পৰি তেওঁৰ মন কোঁচ খাই যায়! যিদিনা স্বামীভক্তিয়ে হিমাদ্ৰিৰ দৰে অটলভাৱে নাৰী-হৃদয়ত একাধিপত্য বিস্তাৰ কৰিছিল—হায়! আজি সেই দিন নাই! যুগধৰ্ম্মৰ বলত সকলোৰে আমূল পৰিবৰ্ত্তন ঘটিছে। সেই সৰ্ব্ববিজয়িনী শক্তিয়ে পুত্ৰস্নেহক পৰাস্ত কৰি পানীকৈচুৱা লৰাক হাবিত মেলি আহিবলৈকো মাকৰ হৃদয়ত বল দিছিল!!

হুলসীদেৱীয়ে পাগলীৰ দৰে কান্দি মনে মনে অভীষ্টদেৱতা প্ৰভু শ্ৰীৰামচন্দ্ৰৰ চৰণাৰবিন্দত দিনৌ এইদৰে আকুল প্ৰাৰ্থনা জনায়:— হে প্ৰভু জগন্নিবাস জগন্নাথ! নেটীৰ আশা ভাৰসাৰ স্থল তুমিহে!

দুখুনীৰ পোনাটিৰ আশ্ৰয় কেৱল মাত্ৰ তুমি ! হে দয়াময় ! সেই লৰাকণ তুমি নাৰাখিলে কোনে ৰাখিব ? সেই দুৰ্ভগীয়া লৰাটো তাৰ পৰা নি কোনেও আশ্ৰয় দিয়াৰ সম্ভাৱনা নাই ! হে অগতিৰ গতি পতিত পাৱন ভগৱন্ত ! তুমি সকলো ভূতৰ অন্তৰাত্মা--অন্তৰ্য্যামী ! তোমাৰ দুখুনী সেৱিকাৰ নিৰাশ্ৰয় লৰাটি তোমাৰ করুণালাভৰ পৰা বঞ্চিত নহয় যেন ! প্ৰভু, তুমি মোক মাৰি অজান পোনাকণ ৰাখাঁ !

এইদৰে স্তুতি-প্ৰাৰ্থনা কৰি তেওঁ আকৌ চকু-লো টোকে । কিন্তু তেতিয়া তেওঁৰ হিয়া আনন্দেৰে উপচি পৰে । কোন আশাত কোন ভাবসাত কব নোৱাৰি—তেওঁৰ মলিন মুখ খন্তেকতে উজ্জ্বল হয় । তেওঁৰ আগেদি আনন্দৰ মন্দাকিনী ধীৰে ধীৰে বৈ যায় ; আৰু তাত অৱগাহন কৰি তেওঁ যেন বাহ্যজ্ঞানলুপ্তা হয় । কেতিয়াবা আকৌ তেওঁ অগ্নিশিখাৰ ওপৰত কোমল পদ্ম এপাহি ওলোৱা যেন দেখে । ধন্য সেই ভক্তি—সেই অটল বিশ্বাস ! দৃঢ়া ভক্তিয়ে মৃতদেহত সঞ্জীৱনী ৰস ঢালে জড়ক, চৈতন্য দান কৰে, অসম্ভৱক সম্ভৱ কৰে আৰু লৰা হেৰুউৱা মাককো অপত্য স্নেহ পাহৰাই ৰাখে !!

তেনে বিপদসঙ্কুল ঠাইতো প্ৰভুৰ কৃপাত, তুলসীদাস নিৰাশ্ৰয় অৱস্থাত থাকিব লগা নহল । হুলসীদেৱীৰ করুণ প্ৰাৰ্থনা প্ৰভু শ্ৰীৰামচন্দ্ৰৰ পদ-প্ৰান্ত পালেগৈ । ভক্তাৰ আকুল ৰোদন চাই থাকিব নোৱাৰি তেওঁ ভক্তসাধু এজনক তুলসীৰ ৰক্ষাৰ নিমিত্তে বেগতে তালৈ পঠাই দিলে । সাধুজনে তুলসীক সেই নিভৃত নিৰ্জ্জন ঠাইৰ পৰা তেওঁৰ আশ্ৰমলৈ লৈ গল । বহুতে কয় যে তেওঁৰ 'তুলসীদাস' নামটো এই সাধুজনে দিয়া ; —তেওঁৰ আচল নাম হেনো 'ৰামবোলা' হে । সেই দৰে তেওঁৰ জন্মভূমিৰ বিষয়েও নানা মুনিৰ নানা মত । কোনো কোনোৱে দোৱাবৰ অন্তৰ্গত তৰী নামেৰে গাৱঁত, দুই একে কৌৰৱৰ ৰাজধানী হস্তিনাত বা চিত্ৰকূটৰ ওচৰৰ হাজিপুৰত, আৰু সৰহ ভাগে যমুনাৰ পুলিনস্থ ৰাজপুৰ নামেৰে ঠাইত—তেওঁ জন্ম গ্ৰহণ কৰিছিল বুলি কয় । 'নামে কি কৰে, গোলাপ যে নামে ডাক সুগন্ধ বিতৰে'—এতেকে সেই কথা লৈ আমি তৰ্ক কৰাৰ কোনো প্ৰয়োজন নাই ।

তুলসী, সাধুৰ সৌজন্যত, তেওঁৰ আশ্ৰমতে থাকি, শশীকলাৰ দৰে দিনক দিনে বাঢ়ি আহিল । ডেকা-ডাঙ্গৰ হলত তেওঁ নিজৰ ঘৰলৈ আহিল । লৰাকালতে শূকৰক্ষেত্ৰ নামেৰে ঠাইত তেওঁ বিদ্যাভ্যাস কৰিছিল । তুলসীয়ে সংস্কৃত ভাষা যে ভালকৈ শিকিব নোৱাৰিলেই, উৰ্দ্দু আৰু হিন্দী ভাষাও নিয়মীয়াকৈহে শিকিব পাৰিলে । তেওঁৰ ৰচিত ৰামায়ণ পঢ়িলে তেওঁৰ মত অদ্বৈতবাদী—শ্ৰীমচ্ছঙ্কৰানন্দৰ মতৰ পক্ষপাতী আছিল বুলি জনা যায় । মহাত্মা শঙ্কৰৰ অদ্বৈতব্ৰহ্মই তুলসীদাসৰ প্ৰভু শ্ৰীৰামচন্দ্ৰ ।

যথা সময়ত দীনবন্ধু পাঠকৰ কন্যা ৰত্নাৱলীৰ লগত তেওঁৰ বিবাহ কাৰ্য্য সম্পন্ন হল । শহুৰেকো শ্ৰীৰামচন্দ্ৰৰ উপাসক আছিল । পতিপ্ৰাণা ৰত্নাৱলীৰো প্ৰভু শ্ৰীৰামচন্দ্ৰৰ চৰণত গভীৰ ভক্তি আছিল । কিছুদিনৰ পাচত তুলসীদাসৰ এটি পুত্ৰ হল—তেওঁৰ নাম তাৰক । প্ৰাণপ্ৰতিম তাৰকে মাক-বাপেক, বংশ-পৰিয়াল সকলোকে কন্দুৱাই শিশুকালতে কালৰ কৰাল গ্ৰাসত পৰিল । তুলসীৰ অক্ষত হৃদয়ত ক্ষত লাগিল ।

তুলসীদাস বৰ তিৰোতা-লেকৰা আছিল । ৰত্নাৱলীক নেদেখাকৈ তেওঁ সৰহ পৰ থাকিব নোৱাৰিছিল । তেওঁৰ খন্তেকীয়া বিৰহটোত তুলসী বৰ অধীৰ হৈছিল । সেইকাৰণে, তেওঁ ৰত্নাৱলীক অনা দিন ধৰি পিতাকৰ ঘৰলৈ পঠোৱা নাছিল । এদিন ৰত্নাৱলীয়ে মাক-বাপেক আৰু ককায়েকৰ পৰামৰ্শ অনুসৰি তুলসীক নোকোৱাকৈ বাপেকৰ ঘৰলৈ গল । সেই সময়ত তুলসীদাস ঘৰত নাছিল । পাচে ঘৰলৈ আহি তেওঁক নোসোধাকৈ ৰত্নাৱলী পিতাকৰ ঘৰলৈ যোৱাৰ কথা গম পাই তেওঁ মৰ্ম্মাহত হল । ৰত্নাৱলী-বিহীন ঘৰত তেওঁৰ সোমাবৰে মন নগল ; আৰু তেওঁ বৰ চিন্তাকুল চিত্তেৰে খোজ কাঢ়ি তদণ্ডেই শহুৰেকৰ ঘৰলৈ যাত্ৰা কৰিলে । তাত তেওঁবিলাকৰ দেখা-দেখি হলত ৰত্নাৱলীয়ে উপহাসৰ চলেৰে স্বামীক এই দৰে কলে—

লাজ ন লাগত আছ কী ধৌৰে আয়েহ সাথ ।
ধিক্ ধিক্ ঐসে প্ৰেম্‌কী কহা কহোং মৈং নাথ ॥
অস্থিচৰ্ম্মময় দেহ মমতা মোং জৈসী প্ৰীতি ।
তৈসী জৌং শ্ৰীৰাম মহং হোত ন তৌ ভৱভীতি ॥

ইয়াৰ অৰ্থ এই :— ছিঃ ছিঃ নাথ, মোৰ পাচে পাচে লৰি আহিবলৈ আপোনাৰ মনত এফেৰিও লাজ নালাগিলনে ? ধিক্ আপোনাৰ এনেকুৱা প্ৰেম ! মোৰ দেহ অস্থিচৰ্ম্মময়—তালৈকে আপোনাৰ ইমান হেঁপাহ ! এনেকুৱা অনুৰাগ শ্ৰীৰামচন্দ্ৰৰ চৰণত থকা হলে আপোনাৰ ভৱ-ভীতি নাথাকিলহেঁতেন !! কোনো কোনোৱে কয় যে ৰত্নাৱলীয়ে দোলাত উঠি পিতাকৰ ঘৰলৈ যাওঁতে পাচে পাচে স্বামীক চপলিয়াই অহা দেখি ওপৰত কোৱা কথাফাঁকি কৈছিল । কিন্তু কোনোৱে কয় যে সেই কথা ভুল—শহুৰেকৰ ঘৰত যেতিয়া দুইৰো দেখা-দেখি হয় তেতিয়াহে ৰত্নাৱলীয়ে সেই কথাষাৰ কৈছিল । সি যি নহওক, ৰত্নাৱলীৰ মিষ্ট ভৰ্ৎসনাত তুলসীদাসৰ মোহ অন্ধকাৰ তৎক্ষণাৎ দূৰ হল । তেওঁৰ চকুৰ আগৰ পৰা যেন এখন কলা ডাঠ যৱনিকা সাউৎ কৰে আঁতৰি গল । ইমান প্ৰিয় সংসাৰখন তেওঁ ক্ৰমাৎ সম্পূৰ্ণ অলীক যেন দেখিবলৈ ধৰিলে । তেওঁৰ মনত উদয় হল—কোন কাৰ স্বামী, কোন কাৰ স্ত্ৰী, কোন কাৰ পিতা-মাতা, কোন কাৰ পুত্ৰ-কন্যা, কোন কাৰ ককাই-ভাই বা বাই-ভনী । একে গৰাকী মানুহেই কেতিয়াবা পিতা, কেতিয়াবা মাতা, কেতিয়াবা পুত্ৰ, কেতিয়াবা পতি কেতিয়াবা ককাই-ভাই, কেতিয়াবা বাই-ভনী, বা কেতিয়াবা বোৱাৰীৰ সাজ পিন্ধি ৰঙ্গভূমিৰ নট-নটীৰ কাৰ্য্য কৰিছে । এই ভৱনাট্যৰ অভিনয়-ভূমিত সকলো মানুহ অভিনেতা বা অভিনেত্ৰী ! এই পতি-পিতা প্ৰভৃতিৰ ভাও দিয়াৰ পাচত কলৈ যাব লাগিব ? তেতিয়া তাত কাৰ পিতা বা পুত্ৰ হম ? মই যাক 'মোৰ মোৰ' বুলি আঁকোৱালি ধৰিছোঁ, তেওঁ মোৰ কেনেকৈ হল ? ইপুৰীৰ পৰা সিপুৰীলৈ যোৱাৰ সময়ত তেওঁ মোৰ লগত যাব জানো ? ইত্যাদি অনেক কথা ভাবি-চিন্তি তেওঁ বাহ্যজ্ঞানশূন্য হল ।

ইয়াৰ পাচত, যি ৰত্নাৱলীৰ সৌন্দৰ্য্যত মুগ্ধ হৈ তুলসীদাসে পথশ্ৰমক পথশ্ৰম নুবুলি হাবাথুৰি খাই পত্নীৰ পাচে পাচে লৰ ধৰিছিল, সেই প্ৰাণ-পুতলী ৰত্নাৱলী থোপোৱা লাগি পৰি থাকিল—তেওঁ ৰত্নাৱলীৰ ফালে ভ্ৰূক্ষেপকে নকৰিলে । অতি চেনেহৰ সাতসৰীধাৰ তেওঁ একে আঁজোৰেই ছিঙ্গি পেলালে । ভাববিহ্বল প্ৰাণেৰে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ মূৰ্ত্তি ধ্যান কৰি আৰু হৃদয়ৰ বিৰাট-মায়াৰ গাঁঠি মেলি মেলি তেওঁ বাবলৈ ওলাল । ওপৰলৈ চাই আহোঁতে আহোঁতে তেওঁ চোতালত ভৰি দিলেগৈ । তুলসীয়ে সংসাৰৰ মায়া-মোহ ধেতালতে জয় কৰিলে । তেওঁৰ আজ কি আচৰিত পৰিবৰ্ত্তন ! মুঠেই এষাৰ কথাকে কাৰণ কৰি যিজনে মোহবন্ধন ছিঙিব পাৰে, তেওঁৰ সমান ভাগ্যবান আৰু কোনোবা আছেনে ?

ধেমালিত কোৱা ইমান তুচ্ছ কথাষাৰেই হৃদয়ৰ অমূল্যনিধিৰ এনে পৰিবৰ্ত্তন ঘটাব বুলি ৰত্নাৱলীয়ে জনা নাছিল । তেওঁ সমাজিকতো ভবা নাছিল যে তেওঁৰ এই সামান্য কথাত স্বামীৰ চিৰক্ষমাশীল হিয়াত এনেকুৱা ভাবান্তৰ ঘটিব । সাধ্বী ৰত্নাৱলীয়ে লৰি আহি ব্যাকুল-

ভাৱে স্বামীৰ চৰণত দীঘল দি পৰিল। কিন্তু হায় হতভাগিনী ৰত্নাৱলী! তুমি যি ৰত্ন ইমান দিন হৃদয় আসনত লুকাই থৈ প্ৰেমকুসুমেৰে নিৰ্জ্জনত পূজা কৰিছিলা, আজি তোমাৰ ভাগ্য দোষত সেই ৰত্ন ধৰি ৰাখিব নোৱাৰিলা! তুলসীদাসৰ অন্য কোনোফালে দৃক্‌পাত নাই—তেওঁৰ মন ঈশচিন্তাত তন্ময়। পাকঘূৰণিয়ে ধৰা মানুহে যেনেকৈ গোটেই সংসাৰ ঘূৰা যেন দেখে, ঠিক সেইদৰে তুলসীয়ে প্ৰপঞ্চময় জগতখন টল্‌বলোৱা দেখিলে! ৰত্নাৱলীৰ অনুনয়-বিনয় তেওঁৰ মানত খোৰোচাজৰী যেন লাগিল। তেওঁৰ অনিন্দ্য-সুন্দৰ ৰূপৰাশিৰ মাজত তুলসীয়ে যেন গ্ৰাস কৰিবলৈ মুখ মেলি থকা একুৰা জুই দেখিলে। এতিয়া স্বামীৰ মন তেওঁৰ অনুকূল কৰিবলৈ ৰত্না-ৱলীৰ একো উপায় নাথাকিল। ৰত্নাৱলীয়ে তেওঁৰ ভোগকুণ্ডত প্ৰচণ্ড অগ্নি জ্বলা আৰু স্বামীৰ প্ৰেমে তাত প্ৰাজাপত্য বা আগ্নেয় যজ্ঞ সম্পন্ন কৰা তেওঁ এতিয়া ফট্‌ফটীয়াকৈ দেখিবলৈ পালে। স্বামীৰ এনেকুৱা উজ্জ্বল জ্যোতি তেওঁ আগেয়ে কেতিয়াও দেখা নাছিল। তেওঁৰ সকলো কাকুতি মিনতি অগ্নিত ঘৃতাহুতি দিয়াৰ দৰে নিষ্ফল হল। তেওঁৰ আশা-তৰুজুপি ওপৰ ফালৰ পৰা লেৰেলি আহিল, আৰু তাত ফল বা ফুল ধৰাৰ আশা নাথাকিল। তুলসীয়ে কেৱল মাত্ৰ ৰাম নাম সম্বল কৰি তেতিয়াই শহুৰেকৰ ঘৰৰ পৰা বাজ ওলাল। ৰত্নাৱলী চিত্ৰাৰ্পিতৰ নিচিনাকৈ নিৰ্ব্বাক্ নিস্পন্দ হৈ ৰল। দেহি ঐ! কিহৰ পৰা কি হল!!

তুলসীয়ে ক্ৰমে ক্ৰমে প্ৰভু শ্ৰীৰামচন্দ্ৰৰ জন্ম আৰু কৰ্ম্মস্থান অযোধ্যালৈ গল। তাত কিছুদিন থাকি তেওঁ কাশীলৈ গল—আৰু তাতে বহুত দিন থাকিলে। তাৰ পিচত তেওঁ মথুৰা, বৃন্দাবন, কুৰুক্ষেত্ৰ, প্ৰয়াগ আৰু শ্ৰীক্ষেত্ৰ আদি তীৰ্থত ভ্ৰমণ কৰে।

প্ৰবাদ আছে যে তেওঁ কাশীত বাস কৰা সময়ত তেওঁৰ মলশৌচান্ত জলস্পৰ্শত এটা প্ৰেতাত্মাৰ মুক্তি-লাভ হয়, আৰু সেই প্ৰেতাত্মাৰ সহায়ত শ্ৰীৰামচন্দ্ৰৰ প্ৰিয় ভক্ত হনুমানৰ লগত তেওঁৰ দেখা হয়। হনুমানো তেওঁৰ এজন গুৰু। আৰু এদিন হেনো স্বামীৰ লগত সতী যাবলৈ শ্মশানলৈ যোৱা এগৰাকী তিৰোতাক বহুত উপ-দেশ দি তেনেকুৱা দুঃসাধ্য সংকল্পৰ পৰা নিবৃত্তা কৰি শেহত তেওঁৰ মৃতপতিৰ পুনৰ্জ্জীৱন দান কৰে। সেই সময়ত মোগল গৌৰৱ-ভাস্কৰ সম্ৰাট আকবৰ চাহে দিল্লীৰ সিংহাসন অলঙ্কৃত কৰি-ছিল। এই সংবাদ ইকাণ সিকাণকৈ তেওঁৰ কাণত পৰিলত তেওঁ তুলসীদাসক দিল্লীলৈ নিয়াই তেওঁক এটা অলৌকিক কাৰ্য্য দেখুৱাবলৈ অনুৰোধ কৰিলে। তেওঁ সেই কথাত সন্মত নোহোৱাত আকবৰে তেওঁক বন্দী কৰি থলে। তুলসীয়ে নিজৰ অলৌকিক ক্ষমতাৰ প্ৰভাৱত তাৰ পৰা মুক্ত হৈ আকৌ কাশীলৈ গ'ল। এনেকুৱা অলৌকিক ঘটনাৰ কথা তেওঁৰ জীৱনীত কেইবা ঠাইতো পোৱা যায়।

তুলসীয়ে সংসাৰ ত্যাগ কৰাৰ পাচত ৰত্না-ৱলীয়ে হিন্দী কবিতাৰে তেওঁলৈ তলত লিখা চিঠিখনি লিখিছিল—

কটি কী ঝীনি কণকনী ৰহত, সখিন সঙ্গ সোহি।
মোহি ফটে কী ডৰ নহীং অনত কটে ডৰ হোই॥

অৰ্থাৎ মই হৰৰ ডম্বৰু যেন চিক্কণ কঁকালৰ আৰু কেঁচা সোণ যেন বৰণৰ সখীইতৰ লগত আছোঁ—কিন্তু মোৰ হিয়া ফাটি গৈছে। ই যিমান ফাটে ফাটক—মই তালৈ ভয় কৰা নাই; কিন্তু আপোনাক আন ৰমণীয়ে কেনেবাকৈ হাত কৰে বুলিহে মই বৰ ভয় খাইছোঁ।

ৰত্নাৱলীৰ চিঠিৰ উত্তৰ তুলসীয়ে এনেকৈ দিলে—

কটে এক ৰঘুনাথ সঙ্গ বান্ধি জটা শিৰকেশ।
হমতো চাখা প্ৰেমৰস পত্নীকে উপদেশ॥

অৰ্থাৎ মই একমাত্ৰ ৰঘুনাথৰ সঙ্গ গ্ৰহণ কৰি মূৰত জটা বান্ধি আৰু পত্নীৰ উপদেশ অনুযায়ী প্ৰেমামৃত আস্বাদন কৰিছোঁ যেতিয়া মোৰ কিহৰ ভয়!!



ৰত্নাৱলীয়ে তুলসীৰ পত্ৰ পাই বৰ আনন্দ পালে; আৰু স্বামীৰ সৎ অভীষ্টৰ কথা জানিব পাৰি তেওঁক অশেষ প্ৰশংসা কৰিলে। সম্ভৱতঃ স্বামীৰ সঙ্গত থকা কালত ৰত্নাৱলীয়ে এদিনো এনে বিমল সুখ অনুভৱ কৰিব পৰা নাছিল।

মাহৰ পাচত মাহ আৰু বছৰৰ পাচত বছৰ অতীত হল। সময়ে কালৈকো অপেক্ষা নকৰে—ই অনবৰত পাখিলগা কাঁড়ৰ দৰে অবিৰাম গতিত যাব লাগিছে। সংসাৰৰ কেইজন মানুহে তাৰ গতি লক্ষ্য কৰিব পাৰে?

তুলসীৰ এতিয়া আগৰ যৌৱন নাই। লাহে লাহে বাৰ্দ্ধক্যই তেওঁৰ দেহত নিজৰ আধিপত্য বিস্তাৰ কৰিছেহি। এতিয়া অতীতৰ সংসাৰ কাহিনী তেওঁৰ স্মৃতিদৰ্পণত প্ৰতিফলিত নহয়। তেওঁ এতিয়া ৰাজ্যান্তৰবাসী আৰু অৱস্থান্তৰ প্ৰাপ্ত হোৱা লোক—সেই অনুক্ৰমে তেওঁৰ মনান্তৰো ঘটিছে। এতিয়া তেওঁৰ প্ৰধান কাৰ্য্য হৈছে তীৰ্থ ভ্ৰমণ কৰা। এই সময়ত, অনেক ঠাই পৰ্য্যটন কৰি তেওঁ ঘটনাক্ৰমে এদিন শহুৰেকৰ ঘৰত আলহি হ'লহি। তেতিয়া ৰত্নাৱলীও বুঢ়ী। প্ৰথমতে কোনেও কাকো চিনিব নোৱাৰিলে। ৰত্নাৱলীয়ে অতিথিক চাউল সিজাবলৈ দিহা কৰি দিলে। বৈষ্ণৱ তুলসীদাসে নিজে চাউল সিজালে, আৰু ইফালে ৰত্নাৱলীয়ে বৃদ্ধ তুলসীদাসৰ ফালে একে থৰে চাই থাকিল। অতীতৰ স্মৃতিয়ে তেওঁৰ চকুৰ আগত যেন এটি চিৰপৰিচিত অমূল্য ৰত্ন দাঙ্গি ধৰিলে—অথচ আলহী কোন তেওঁ তাক ঠিক কৰিব পৰা নাই—তদুপৰি মনৰ আগত কথাটো কবলৈকো তেওঁৰ বৰ লাজ লাগিছে! নানা ভাবনাই তেওঁৰ হিয়াত তোলপাৰ লগালে। শেহত, কিছুপৰ কথা-বাৰ্ত্তা হোৱাৰ পাচত, ৰত্নাৱলীয়ে তেওঁৰ হৃদয়বল্লভক ভালকৈ চিনি পালে। তেওঁ বুজিলে যে তাহানিৰ সেই মানুহজনেই আজিৰ এই দেৱতা। তেতিয়া ৰত্নাৱলীয়ে নিজৰ মনো-ভাৱ গোপন কৰি কলে, "প্ৰভু; জলকীয়া এটি আনি দিমনে?" তুলসীয়ে কলে, "দৰ্কাৰ নাই—জলকীয়া মোৰ জুলীতে ওলাব।" ৰত্নাৱলীয়ে কলে, "তেনেহলে ডালুক চটামানকে আনি দিওঁ?" তুলসীদাসে কলে, "মোৰ জুলিত সিও ওলাব।" ৰত্নাৱলীয়ে কলে, "তেন্তে অলপ কাফুৰকে আনোগৈ?" তুলসীয়ে কলে, "বিচাৰিলে মোৰ জুলীত কাফুৰো ওলাব।"

তেতিয়া ৰত্নাৱলীয়ে বৰ বেজাৰেৰে কলে, "প্ৰভু, আপোনাৰ জুলীত জলকীয়াৰ পৰা কাফুৰলৈকে সকলো বস্তুৱে স্থান পাইছে যেতিয়া, হে নাথ, আপোনাৰ নিৰাশ্ৰয়া সহধৰ্ম্মিণীয়ে আপোনাৰ পদপ্ৰান্তত এফেৰি ঠাই নাপাব কিয়?" এইবুলি কৈ তেওঁৰ নিজৰ পৰিচয় দিলে, আৰু তেওঁৰ লগত তেওঁকো নিবলৈ প্ৰাৰ্থনা জনালে। কিন্তু তুলসীদাস সেই কথাত একোপধ্যে সন্মত নহল। ৰত্নাৱলীৰ কথাত তেওঁৰ চৈতন্যোদয় হল। তেওঁ নিজতকৈ ৰত্নাৱলীক অধিক জ্ঞানী বুলি ভাবিলে; আৰু সেইদিনাই একমাত্ৰ সম্বল জুলীটি এজন ব্ৰাহ্মণক দান দি সম্পূৰ্ণ সৰ্ব্বত্যাগী হল।

তাৰ পাচত তেওঁ অনেক স্থান পৰ্য্যটন কৰি গায়দাটৰ ৰজা গম্ভীৰদেৱৰ আতিথ্য গ্ৰহণ কৰি-লেগৈ। কিছুদিন তাত থকাৰ পাচত মহেশ্বৰ নামেৰে মহাদেৱৰ মূৰ্ত্তি দৰ্শন কৰিবৰ উদ্দেশ্যেৰে আৰাজিলাৰ অন্তৰ্গত ব্ৰহ্মপুৰলৈ যায়। তাত মঙ্গৰু নামেৰে এটা আহীৰ তেওঁৰ পৰম ভক্ত হয়। তাৰ পাচত তেওঁ বেলাপতৌ নামেৰে ঠাইলৈ যায়। তাত গোবিন্দ মিশ্ৰ নামেৰে এজন পণ্ডিতে আৰু ৰঘুনাথ সিংহ নামেৰে এজন ক্ষত্ৰি-য়ই তেওঁক পৰম সমাদৰেৰে ৰাখে। সেই বেলা-পতৌৰ আধুনিক নাম ৰঘুনাথপুৰ। তাত তুলসী

দাসে যি বেদাস্ত বহি উপদেশ দিছিল তাক আজিও মানুহে অৱনত মস্তকেৰে আৰু ভক্তি গদ্গদ-হৃদয়েৰে দৰ্শন কৰে।

কিম্বদন্তী আছে যে ভগৱান শ্ৰীৰামচন্দ্ৰই তেওঁক স্বপ্নত দৰ্শন দি হিন্দী ভাষাত ৰামায়ণ ৰচনা কৰিবলৈ আদেশ কৰে। তদনুসাৰে তেওঁ ১৬৩১ সম্বতত ৰামায়ণ ৰচনা কৰিবলৈ আৰম্ভ কৰে। তেওঁ লিখা ভালেখিনি গ্ৰন্থৰ নাম পোৱা যায়; তাৰ ভিতৰত তলত নাম দিয়া কেইখনেই প্ৰসিদ্ধ :—(১) ৰামলীলা নহছু, (২) বৈৰাগ্যসন্দীপনী, (৩) বৰৈ ৰামায়ণ, (৪) পাৰ্ব্বতীমঙ্গল, (৫) জানকী-মঙ্গল, (৬) ৰামাজ্ঞা, (৭) দোঁহাৱলী, (৮) কবিত্ত ৰামায়ণ, (৯) গীতি ৰামায়ণ, (১০) কৃষ্ণ গীতাৱলী, (১১) বিনয় পত্ৰিক, (১২) ৰামচৰিতমানস। এই ৰামচৰিতমানসেই আজিকালি তুলসীদাসী ৰামায়ণ নামেৰে বিখ্যাত।

তেওঁ ৰামায়ণৰ অৰণ্য কাণ্ড লিখাৰ সময়ত তেওঁৰে সৈতে বৈৰাগী বৈষ্ণৱসকলৰ মতভেদ হয়। সেই হেতুকে জীৱনৰ শেষ ভাগ তেওঁ কাশীৰ নিৰ্জ্জন অসিঘাটত বাস কৰি অতিবাহিত কৰে। প্ৰবাদ আছে যে তুলসীদাসে তেওঁৰ ৰচিত ৰামায়ণ পাঠ কৰাৰ সময়ত স্বয়ং হনুমানে সেই ৰামায়ণ পাঠ শুনিছিলহি। তেওঁৰ কৃপাত তুলসীদাসে শ্ৰীৰাম, সীতা আৰু লক্ষ্মণৰ পাদপদ্ম দৰ্শন কৰে। তুলসীদাসৰ ৰচিত ৰামায়ণ বেদ-শাস্ত্ৰৰ দৰে হিন্দুস্থানৰ প্ৰত্যেক ঘৰত আজিলৈকে বৰ ভক্তিৰে সকলোৱে পাঠ কৰে। ইয়াক পাঠ কৰিলে অতি পাষণ্ড মানুহৰ হৃদয়ো ভক্তিৰসত আপ্লুত হয়। তুলসীদাসৰ দোঁহাৱলী ধৰ্ম্মমূলক; ই অজ্ঞান অন্ধকাৰত উজ্জ্বল প্ৰদীপস্বৰূপ, আৰু সমগ্ৰ ভাৰতবাসীৰ অমূল্য কণ্ঠহাৰ। ১৬৮০ সম্বতত ভক্ত কবি তুলসীদাসে জগতত অমৰ কীৰ্ত্তি ৰাখি বৈকুণ্ঠধামলৈ গতি কৰিলে। বাৰাণসীত থকা সময়ত তেওঁ অসিঘাটৰ যি ঠাইত আছিল সেই ঠাইডুখৰি এতিয়ালৈকে তুলসীঘাট নামেৰে প্ৰসিদ্ধ হৈ আছে।

ঈশ্বৰে কৰিলে এই ভক্ত কবি তুলসীদাস, মীৰাবাঈ, কবীৰ, পল্টু, চাহাব, দাদূ, সহজীবাঈ, প্ৰভৃতি কবিৰচিত দোঁহাবিলাক বৰ্ণানুক্ৰমে লিখি তাৰ অসমীয়া অনুবাদ আৰু ভাবাৰ্থ এই পত্ৰিকাত প্ৰকাশ কৰিবৰ ইচ্ছা থাকিল।

শ্ৰীমহেশচন্দ্ৰ শৰ্ম্মা কটকী।

## ৺লক্ষ্মীসিংহ ৰজাই ৺গঙ্গাবল্লভ দেৱ বড়জনা পহুমৰীয়া গোস্বামীক দিয়া—তামৰ ফলি।

এই তামৰ ফলি দেৱৰগ্ৰামৰ পূজ্যপাদ শ্ৰীশ্ৰীযুক্ত হৃদ্যবল্লভ দেৱ নৱ (পহুমৰীয়া) গোস্বামীৰ পৰা পোৱা হৈছিল। তেখেতৰ বৃদ্ধ প্ৰপিতামহ ৺পূজ্যপাদ গঙ্গাবল্লভ দেৱ বড়জনা নৱ গোস্বামীক ৰংপুৰত গৌৰীবল্লভ দেৱালয় স্থাপন কৰি আহোম ৰজাই মাটি মানুহ দিছিল। মাজুজনা আৰু সৰু জনাক দিয়া ফলিও আছে; গুৱাহাটীত মাজু জনাৰ বাণেশ্বৰ দেৱালয় আছে; সৰুজনাৰ চন্দ্ৰ-শেখৰ দেৱালয় আছে। এই দুয়োখন দেৱালয়ত অনেক মাটি আহোম ৰজাই দিছিল।



শম্ভোৰম্ভোজদম্ভাপহাৰিচৰণয়োভৃঙ্গৰভ্ৰাজমানো।
গীৰ্ব্বাণো বিশ্বপৰ্ব্বাকাৰমনমনা গোত্ৰভূদ্গোত্ৰজন্মা।
শ্ৰীলক্ষ্মীসিংহনামা ভুজভুজগলসৎ শৌৰ্য্যহালাহলাগ্নি।
জ্বালা জালাভিভীতাহিতনৃপতৰুণীনেত্ৰনীৰাৰ্দ্ৰপাদঃ।
সঙ্গীতি ব্ৰজৱল্লীবাৰ জলমুক্ কল্পদ্ৰু কল্লোলিনাং।
মত্তাৰাতি মহেভকুম্ভদলনে শোকেন্দ্ৰ কন্দীৰবঃ।
কুন্দক্ষীৰসমুদ্ৰনীৰনিকৰপ্ৰোল্লাসিভিভূৰ্ত্তলং।
যস্যাশোভি যশোভিৰাজলনিধিঃ শ্যামণ্ডলামণ্ডলঃ।
শ্ৰীগঙ্গাবল্লভে ক্ষিতিমখভুক্ পুঙ্গবে ন্যস্ত পৃথ্বী।
ভক্ত্যাঃ ক্ষেমায় ৰঙ্গাজ্মপুৰপুৰীভিতঃ স্থাপিতায়েশ্বৰায়।
শ্ৰীগৌৰীবল্লভায় ক্ষিতিকমনুজমদাৎ ভূপতিঃ সৰ্ব্বমেতৎ।
তৎ সেবায়ৈ প্ৰযত্নাদিদমপি সুকৃতিতাম্ৰপত্ৰং ব্যকাৰ্ষীৎ॥

ভাবাৰ্থ—পদুম ফুলৰ অহঙ্কাৰ দূৰ কৰা, পদুম ফুলত পৰি ভোমোৰাৰ দৰে জিলিকি থকা, শিৱৰ চৰণ দুটিত ভক্তি থকা, দেৱতাৰ সকলো পূজাত অনুৰাগী শ্ৰীলক্ষ্মী সিংহ নামে ৰজাই ইন্দ্ৰবংশত জন্ম লৈছিল। যাৰ হাত সৰ্পৰ নিচিনা দীপ্তিশালী, বন কালকূটৰ নিচিনা, যাৰ পৰা প্ৰজ্বলিত হোৱা অগ্নিশিখাবিলাকৰ বাবে ভয় পোৱা শত্ৰুৰজাৰ ৰাণীসকলৰ চকুৰ পানীৰে যাৰ ভৰি তিতি থাকে; যাৰ সঙ্গীতি বিলাকেই উৎকৃষ্ট ক্ষেত্ৰত থকা লতাৰ নিচিনা, সেইবিলাকৰ প্ৰতি মেঘৰ দৰে জলদান কৰোঁতা, যাচকসকলৰ প্ৰতি কল্প বৃক্ষৰ নিচিনা; হাতীৰ দৰে উন্মত্ত শত্ৰুবিলাকৰ মূণ্ড পাত কৰাত সিংহৰ নিচিনা বলী,—মন্থালিত হোৱা ক্ষীৰসাগৰৰ পানীৰ দৰে তিৰবিৰাই থকা যাৰ যশস্যাই সসাগৰা পৃথিৱী শোভিত কৰিছে, পৃথিৱীত যি ইন্দ্ৰৰ নিচিনা খ্যাতিপন্ন, সেই লক্ষ্মীসিংহ ৰজাই ৰংপুৰ নগৰৰ ওচৰত স্থাপিত কৰা গৌৰীবল্লভ দেৱতাৰ কাৰণে মানুহ মাটী দান কৰিলে। সেই গৌৰীবল্লভৰ পূজা চলাবৰ কাৰণে স্বত্বাধিকাৰী পাতি শ্ৰীগঙ্গা-বল্লভক মাটী সমজাই দিলে আৰু এই সুকৃতিৰ চিনস্বৰূপ তামৰ ফলিও কৰি দিলে।

এই তামৰ ফলিৰ অপৰ পিঠিত আহোম আখৰেৰে আৰু ভাষাৰে উপৰোক্ত কথাবিলাক লিখি দিলে।

যত যিমান মাটী দিছিল তাৰ সীমা অসমীয়া ভাষাত লিখা আছে। আৰু যিমান মানুহ দিছিল সেই মানুহ বিলাকৰ নামো লিখা আছে। দুখৰ মচলমান মানুহো পাইকৰূপে দিছিল। শেহত লিখা আছে :—

অসৌ মহীন্দ্ৰঃ সমযাচতেদং
কৃতাঞ্জলি ভাবি নৰেন্দ্ৰবৰ্গান্।
ময়া প্ৰদত্তা দ্বিজবৃত্তিৰেষা পাল্যা
ভৱদ্ভিঃ কৃতিভিঃ কৃতজ্ঞৈঃ॥

মৰ্ম্মাৰ্থ :— এই ৰজাই ভবিষ্যতলৈ হোৱা ৰজা সকলক কৰপুটে জনাওঁ যেন ময় দিয়া দ্বিজবৃত্তি আপোনাসকলৰ কৃতজ্ঞতাৰ কৃতিৰে পালন কৰে॥

যোৰহাট
৫ চ'ত, ১৮৫২ } শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য।

দাসে যি বেদাত বহি উপদেশ দিছিল তাক আজিও মানুহে অৱনত মস্তকেৰে আৰু ভক্তি গদ্গদ-হৃদয়েৰে দৰ্শন কৰে।

কিম্বদন্তী আছে যে ভগৱান শ্ৰীৰামচন্দ্ৰই তেওঁক স্বপ্নত দৰ্শন দি হিন্দী ভাষাত ৰামায়ণ ৰচনা কৰিবলৈ আদেশ কৰে। তদনুসাৰে তেওঁ ১৬৩১ সম্বতত ৰামায়ণ ৰচনা কৰিবলৈ আৰম্ভ কৰে। তেওঁ লিখা ভালেখিনি গ্ৰন্থৰ নাম পোৱা যায়; তাৰ ভিতৰত তলত নাম দিয়া কেইখনেই প্ৰসিদ্ধ :— (১) ৰামলীলা নহছু, (২) বৈৰাগ্যসন্দীপনী, (৩) বেৰে ৰামায়ণ, (৪) পাৰ্ব্বতীমঙ্গল, (৫) জানকী-মঙ্গল, (৬) ৰামাজ্ঞা, (৭) দোহাৱলী, (৮) কবিত্ত ৰামায়ণ, (৯) গীতি ৰামায়ণ, (১০) কৃষ্ণ গীতাৱলী, (১১) বিনয় পত্ৰিক, (১২) ৰামচৰিতমানস। এই ৰামচৰিতমানসেই আজিকালি তুলসীদাসী ৰামায়ণ নামেৰে বিখ্যাত।

তেওঁ ৰামায়ণৰ অৰণ্য কাণ্ড লিখাৰ সময়ত তেওঁৰে সৈতে বৈৰাগী বৈষ্ণৱসকলৰ মতভেদ হয়। সেই হেতুকে জীৱনৰ শেষ ভাগ তেওঁ কাশীৰ নিৰ্জ্জন অসিঘাটত বাস কৰি অতিবাহিত কৰে। প্ৰবাদ আছে যে তুলসীদাসে তেওঁৰ ৰচিত ৰামায়ণ পাঠ কৰাৰ সময়ত স্বয়ং হনুমানে সেই ৰামায়ণ পাঠ শুনিছিলহি। তেওঁৰ কৃপাত তুলসীদাসে শ্ৰীৰাম, সীতা আৰু লক্ষ্মণৰ পাদপদ্ম দৰ্শন কৰে। তুলসীদাসৰ ৰচিত ৰামায়ণ বেদশাস্ত্ৰৰ দৰে হিন্দুস্থানৰ প্ৰত্যেক ঘৰত আজিলৈকে বৰ ভক্তিৰে সকলোৱে পাঠ কৰে। ইয়াক পাঠ কৰিলে অতি পাষণ্ড মানুহৰ হৃদয়ো ভক্তিৰসত আপ্লুত হয়। তুলসীদাসৰ দোহাৱলী ধৰ্ম্মমূলক; ই অজ্ঞান অন্ধকাৰত উজ্জ্বল প্ৰদীপস্বৰূপ, আৰু সমগ্ৰ ভাৰতবাসীৰ অমূল্য কণ্ঠহাৰ। ১৬৮০ সম্বতত ভক্ত কবি তুলসীদাসে জগতত অমৰ কীৰ্ত্তি ৰাখি বৈকুণ্ঠধামলৈ গতি কৰিলে। বাৰাণসীত থকা সময়ত তেওঁ অসিঘাটৰ যি ঠাইত আছিল সেই ঠাইডুখৰি এতিয়ালৈকে তুলসীঘাট নামেৰে প্ৰসিদ্ধ হৈ আছে।

ঈশ্বৰে কৰিলে এই ভক্ত কবি তুলসীদাস, মীৰাবাঈ, কবীৰ, পল্টু চাহাব, দাদু, সহজীবাঈ, প্ৰভৃতি কবিৰচিত দোহাবিলাক বৰ্ণানুক্ৰমে লিখি তাৰ অসমীয়া অনুবাদ আৰু ভাবাৰ্থ এই পত্ৰিকাত প্ৰকাশ কৰিবৰ ইচ্ছা থাকিল।

শ্ৰীমহেশচন্দ্ৰ শৰ্ম্মা কটকী।

---

# ৺লক্ষ্মীসিংহ ৰজাই ৺গঙ্গাবল্লভ দেব বড়জনা পহুমৰীয়া গোস্বামীক দিয়া—তামৰ ফলি।

এই তামৰ ফলি দেৰগ্ৰামৰ পুজ্যপাদ শ্ৰীশ্ৰীযুক্ত সূৰ্য্যবল্লভ দেব নৰ (পহুমৰীয়া) গোস্বামীৰ পৰা পোৱা হৈছিল। তেখেতৰ বৃদ্ধ প্ৰপিতামহ ৺পূজ্যপাদ গঙ্গাবল্লভ দেব বড়জনা নৰ গোস্বামীক ৰংপুৰত গৌৰীবল্লভ দেবালয় স্থাপন কৰি আহোম ৰজাই মাটি মানুহ দিছিল। মাজুজনা আৰু সৰু জনাক দিয়া ফলিও আছে; গুৱাহাটীত মাজু জনাৰ বাণেশ্বৰ দেবালয় আছে; সৰুজনাৰ চন্দ্ৰশেখৰ দেবালয় আছে। এই দুয়োখন দেৱালয়ত অনেক মাটি আহোম ৰজাই দিছিল।



শম্ভোৰম্ভোজদম্ভাপহাবিচৰণয়োভৃ ঙ্গৰভ্ৰাজমানো।
গীৰ্ব্বাণো বিপ্ৰপৰ্ব্বচ্চাৰমনমনা গোত্ৰভূদ্গোত্ৰজন্মা।
শ্ৰীলক্ষ্মীসিংহনামা ভুজভুজগলসৎ শৌৰ্য্যহালাহলাগ্নি।
জ্বালা জালাভিভীতাহিতনৃপতৰুণীনেত্ৰনীৰাদ্ৰপাদঃ।
সম্প্ৰীতি ব্ৰজবল্লীবাৰ জলমুক্ কল্পদ্ৰু কল্লোধিনাং।
মত্তাৰাতি মহেভকুম্ভদলনে শোকেৰ কলীৰবঃ।
কৃষ্ণক্ষীৰসমুদ্ৰনীৰনিকৰপ্ৰোল্লাসিভিভূৰ্তলং।
যস্যাশোভি যশোভিৰাজলনিধিঃ শ্যামগুলামণ্ডলঃ।
শ্ৰীগঙ্গাবল্লভে ক্ষিতিমখভুক্ পুঙ্গবে ন্যস্য পৃথ্বী।
ভৰ্ত্তুঃ ক্ষেমায় ৰঙ্গাস্তপুৰপুৰীভিতঃ স্থাপিতায়েশ্বৰায়।
শ্ৰীগৌৰীবল্লভায় ক্ষিতিজমনুজমদাৎ ভূপতিঃ সৰ্ব্বমেতৎ।
তৎ সেবায়ৈ প্ৰযত্নাদিদমপি সুকৃতিতাম্ৰপত্ৰং ন্যকাৰ্ষীৎ॥

ভাবাৰ্থ—পদুম ফুলৰ অহঙ্কাৰ দূৰ কৰা, পদুম ফুলত পৰি ভোমোৰাৰ দৰে জিলিকি থকা, শিবৰ চৰণ দুটিত ভক্তি থকা, দেবতাৰ সকলো পূজাত অনুৰাগী শ্ৰীলক্ষ্মী সিংহ নামে ৰজাই ইন্দ্ৰবংশত জন্ম লৈছিল। যাৰ হাত সৰ্পৰ নিচিনা দীপ্তিশালী, বন কালকূটৰ নিচিনা, যাৰ পৰা প্ৰজ্বলিত হোৱা অগ্নিশিখাবিলাকৰ বাবে ভয় পোৱা শত্ৰুৰজাৰ ৰাণীসকলৰ চকুৰ পানীৰে যাৰ ভৰি তিতি থাকে; যাৰ সজ নীতি বিলাকেই হৈছে ক্ষেত্ৰত থকা লতাৰ নিচিনা, সেইবিলাকৰ প্ৰতি মেঘৰ দৰে জলদান কৰোঁতা, যাচকসকলৰ প্ৰতি কল্প বৃক্ষৰ নিচিনা; হাতীৰ দৰে উন্মত্ত শত্ৰুবিলাকৰ মুণ্ড পাত কৰাত সিংহৰ নিচিনা বলী,—সঞ্চালিত হোৱা ক্ষীৰসাগৰৰ পানীৰ দৰে তিৰবিৰাই থকা যাৰ যশস্যাই সসাগৰা পৃথিবী শোভিত কৰিছে, পৃথিবীত যি ইন্দ্ৰৰ নিচিনা খ্যাতিপন্ন, সেই লক্ষ্মীসিংহ ৰজাই ৰংপুৰ নগৰৰ ওচৰত স্থাপিত কৰা গৌৰীবল্লভ দেৱতাৰ কাৰণে মানুহ মাটী দান কৰিলে। সেই গৌৰীবল্লভৰ পূজা চলাবৰ কাৰণে স্বত্বাধিকাৰী পাতি শ্ৰীগঙ্গাবল্লভক মাটী সমজাই দিলে আৰু এই সুকৃতিৰ চিনস্বৰূপ তামৰ ফলিও কৰি দিলে।

এই তামৰ ফলিৰ অপৰ পিঠিত আহোম আখৰেৰে আৰু ভাষাৰে উপৰোক্ত কথাবিলাক লিখি দিলে।

যত যিমান মাটী দিছিল তাৰ সীমা অসমীয়া ভাষাত লিখা আছে। আৰু যিমান মানুহ দিছিল সেই মানুহ বিলাকৰ নামো লিখা আছে। দুঘৰ মচলমান মানুহো পাইকৰূপে দিছিল। শেহত লিখা আছে :—

অসৌ মহীন্দ্ৰঃ সমৰাচতেদং
কৃতাঞ্জলি ভাবি নৰেন্দ্ৰবৰ্গান্।
ময়া প্ৰদত্তা দ্বিজবৃত্তিৰেষা পাল্যা
ভবদ্ভিঃ কৃতিভিঃ কৃতজ্ঞৈঃ॥

মৰ্ম্মাৰ্থ :— এই ৰজাই ভবিষ্যতলৈ হোৱা ৰজা সকলক কৰপুটে জনাও যেন মই দিয়া দ্বিজবৃত্তি আপোনাসকলৰ কৃতজ্ঞতাৰ কৃতিৰে পালন কৰে॥

যোৰহাট
৫ চ'ত, ১৮৫২

শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য।

হৈছে তাক যেই সেই আখ্যান এটি পঢ়িলেই সহজে বুজিব পাৰি। কিতাপৰ ভাষা বিশিষ্ট আৰু প্ৰাঞ্জল ; লিখন-ৰীতি ছাত্ৰসকলৰ আহিৰ সম্পূৰ্ণ উপযোগী ; আৰু বিশ্ব-বিদ্যালয়ৰ আত্মপৰীক্ষা ( মেট্ৰিকুলেচন ) ৰ নিমিত্তে এই কিতাপখনি পাঠ্য-তালিকা ভুক্ত হোৱা উচিত। আমি এই পুথিৰ বহুল প্ৰচাৰ কামনা কৰোঁ আৰু উপযুক্ত উদ্যুকিউদ্ৰা দবে অচিৰে এই পুথি পাঠ্যস্বৰূপে মনোনীত হব বুলি আশা কৰোঁ।

**নাৰী ৰত্ন** ঃ—লিখক শ্ৰীযুত কাশীনাথ বৰুৱা।

আৰু

**পঞ্চ-কন্যা** ঃ—লিখক শ্ৰীযুত দেবেন্দ্ৰনাথ চক্ৰবৰ্ত্তী।

উয়োখন কিতাপত আদৰ্শ সতীসকলৰ জীৱন কাহিনী লিপিবদ্ধ হৈছে। তেত্ৰিশ গৰাকী ভাৰতীয় তিৰোতাৰ আখ্যানেৰে নাৰী-ৰত্ন যুগুত হৈছে ;— এনে ধৰণৰ কিতাপ আমাৰ ভাষাত প্ৰায় নাই বুলি ক'ব পাৰি। পঞ্চ-কন্যাত সীতা, সাবিত্ৰী, দ্ৰৌপদী আদি অতীত যুগৰ ইতিহাস-প্ৰসিদ্ধ তিৰোতাসকলৰ কথা সুবলা কবিতাৰে প্ৰকাশ পাইছে। নাৰী-ৰত্নত বৰ্ত্তমান যুগৰ ভাৰতীয় তিৰোতা—পদ্মিনী, মীৰাবাঈ আদিৰ আৰু অসমীয়া তিৰোতা বেহুলা, মূলা-গাভৰু, কুলেশ্বৰী, মনাথিকা জয়মতী, সৰ্ব্বেশ্বৰী, ৰাধা-ৰুক্মিণী, কুৰঙ্গ-নয়নী আৰু সাধনী আদিৰ জীৱন-চৰিত লিখকে সুন্দৰকৈ সজাইছে। উয়োজন লিখকে এই পুথি দুখনৰ দ্বাৰাই আমাৰ দেশৰ লৰা-ছোৱালীৰ পাঠ্য পুথিৰ অভাৱ পুৰাবলৈ যত্ন কৰিছে আৰু তেওঁলোকৰ এই যত্ন যেন সফল হয়, তাকে আমিও আশা কৰোঁ। একাষাৰতে কবলৈ হ'লে ক'ব পাৰি যে উভয় নবীন লিখকেই নিজ নিজ উদ্যমত কৃতকাৰ্য্য হৈছে আৰু আমি উয়োখন কিতাপৰে বহুল প্ৰচাৰ বাঞ্ছা কৰোঁ।

---

## সম্পাদকৰ কথা

আমাৰ পূৰ্ব্ববৰ্ত্তী পত্ৰিকা-সম্পাদক শ্ৰীযুত বেদানন্দ ভৰালী ডাঙৰীয়াই এবছৰ পত্ৰিকা-সম্পাদন কাৰ্য্য সুকলমে চলোৱাৰ পিচত তেখেতৰ বাৰ ইস্তফা দিয়া বাবে তেওঁৰ ঠাইত নতুন পত্ৰিকা-সম্পাদক নিযুক্ত কৰিব লগা হয়। সাহিত্য-সভাৰ নিয়ম অনুসৰি কাৰ্য্য-নিৰ্ব্বাহক সমিতিত আগ জাননী দি এই বিষয়টো আলোচনা কৰা হয় আৰু তাৰ ফলস্বৰূপে এই অভাজনৰ গাত পত্ৰিকা-সম্পাদকৰ গধুৰ বোজাটো পৰে। যিটো বাৰ লৈ মাননীয় লব্ধপ্ৰতিষ্ঠ সাহিত্যিক শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা ডাঙৰীয়াই অতি কৃতিত্বেৰে সৈতে পত্ৰিকাৰ প্ৰথম তিনি বছৰ আৰু তাৰ পিচত শ্ৰদ্ধাস্পদ খ্যাতনামা সাহিত্যিক শ্ৰীযুত বেদানন্দ ভৰালী ডাঙৰীয়াই পুনৰ এবছৰ সাহিত্য-সভা-পত্ৰিকাৰ গুৰিয়াল হৈ ভাষা আৰু সাহিত্যৰ সেৱা কৰিছিল, সেই দায়ীত্বপূৰ্ণ বাবৰ নিমিত্তে আমি সম্পূৰ্ণ অনুপযুক্ত বুলি ভালকৈ জানো। তথাপি আসাম সাহিত্য-সভাৰ মুখ-পত্ৰ প্ৰকাশৰ আৱশ্যকতা আৰু সহ-কৰ্ম্মী বন্ধুসকলৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিব নোৱাৰি আমি এই ভাৰ হাতত ল'লোঁ ; পিচে প্ৰথমতেই কিছুমান অপ্ৰীতিকৰ কাৰণৰ বাবে পত্ৰিকা ছপোৱাৰ স্থান সলাব লগীয়া হোৱাত আৰু নতুন ছপাখানাত ডাঙৰ যন্ত্ৰ নথকা বাবে চাৰি-পিঠীয়া ফৰ্ম্মাকৈ এই কাগজ যুগুত কৰিবলৈ বাধ্য হৈছোঁ। সম্পাদক সলনিৰ সময়ত আৰু ছপাখানাৰ উপৰোক্ত বেমেজালিৰ বাবদ যিখিনি সময় আমাৰ লোকচান হৈছে, তাক কোনোমতে পুৰাব নোৱাৰি আমি এইবাৰ পঞ্চম বছৰৰ প্ৰথম আৰু দ্বিতীয় সংখ্যা একেলগে প্ৰকাশ কৰিলোঁ। ইয়াত যি টৈনা-ডেঢ়ি হৈছে তাক ভৱিষ্যতলৈ পুৰাবলৈ আশা থাকিল।

দ্বিতীয়তঃ সাহিত্য-সভাৰ মুখ-পত্ৰ যেনে হোৱা উচিত তেনেকৈ প্ৰকাশ কৰিবলৈ হ'লে নামজ্বলা লিখকৰ সুচিন্তিত প্ৰবন্ধাদিৰ দৰকাৰ। ভাল প্ৰবন্ধৰ অভাৱ হ'লেই কোনোমতে কাকতৰ কলেবৰ পূৰ্ণ কৰিব লগীয়া হয়। দেশৰ নবীন আৰু প্ৰবীণ সাহিত্যিক আৰু সুলিখকসকলে আমাক উপযুক্ত প্ৰবন্ধ সময়মতে দি এই মুখ-পত্ৰখন সময়মতে প্ৰকাশ কৰি থাকিবলৈ যেন সহায় কৰে—আমি ইয়াকে খাটনি ধৰি আজিলৈ বিদায় লৈছোঁ।

---



ৰায় চাহাব ৺কমলাকান্ত বৰুৱা